LEGISLATIVE ASSEMBLY
[illegible]ARIAT

# Legi[illegible]embly
# Debates

29-12-1997
Nill.

DP795

सत्यमेव जयते

## OFFICIAL REPORT

**FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## SPECIAL SESSION

**NO. 2**

**The 19th August, 1997**
**Price - Rs. - 33.00**

# CONTENTS

## SPECIAL SESSION

### NO. 2

**Dated, the 19th August, 1997**


| | | | |
|---|---|---|---|
| 1. | Miscelleneous | ..... | 1 — 3 |
| 2. | Questions and Answers | ...... | 4 — 53 |
| 3. | Discussion During Zero Hour | ...... | 54 — 68 |
| 4. | Adjournment Motion | ...... | 69 — 72 |
| 5. | Report of the Business Advisory Committee | ...... | 73 — 75 |
| 6. | Call Attention Notice | ...... | 76 — 78 |
| 7. | Matter under Rule 301 | ...... | 79 — 82 |
| 8. | Laying of Ordinances, Reports etc. | ...... | 83 — 86 |
| 9. | Obituary Referenees | ..... | 87 — 90 |
| 10. | Adjournment | ...... | 91 — 00 |
| 11. | Annexures I - II | ...... | 92 — 102 |


*****

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## Tuesday, The 19th August, 1997

The House met at 9 A.M. of the Clock in the Assambly Chamber at Dispur with Hon'ble Shri Ganesh Kutum Speaker in the Chair.

## MISCELLANEOUS

**শ্ৰীহেমেন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি সদন আৰম্ভ হোৱাৰ আগতে মই আপোনাৰ ওচৰত এটা আবেদন ৰাখিব খুজিছো। আজি অসমৰ এটা অঞ্চলৰ পৰিস্থিতি অত্যন্ত ভয়াৱহ। কেৱল ভয়াৱহ ই নহয়, তাত যোৱা কেইদিন ধৰি যি ধৰণৰ ভাতৃ ঘাটি সংঘাট হৈ আছে সেই পৰিস্থিতিয়ে অসমৰ আকাশ কপাঁই তুলিছে। এই অৱস্থাই ৰাজ্যখনক এক ভয়ানক সংকটৰ সন্মুখলৈ আগবঢ়াই লৈ গৈছে। আজি আমাৰ সদনত যথেষ্ট কাম-কাজ আছে। এই কাম-কাজ কৰাৰ কাৰণে আমি আৰু এদিন সময় পাব পাৰো। কিন্তু সেই অঞ্চলত যি এটা পৰিস্থিতিৰ সৃষ্টি হৈছে সেইটো আমি আজিয়েই চোৱা চিতা নকৰিলে পৰিস্থিতি আৰু বেয়াৰ ফালে যোৱাৰ সম্ভাৱনা আছে। তাৰ কাৰণে বিধান সভাৰ পৰা এটা সৰ্ব্বদলীয় দল তালৈ পঠিয়াব লাগে। আমি যদিও তিল মাত্ৰও পলম কৰো তেনেহ'লে ইয়াৰ পৰিণতি ৰাজ্যখনৰ কাৰণে অতি ভয়াবহ হ'ব। ইয়াৰ কাৰণে আমাৰ নৈতিক আৰু ৰাজনৈতিক দায়িত্ব আছে। সেই কাৰণে মই আপোনাৰ ওচৰত আবেদন ৰখিছো যে আজি বিধান সভাৰ অন্যান্য কাৰ্যসূচী স্থগিত ৰাখি সেই অঞ্চল সমূহলৈ যোৱাৰ ব্যৱস্থা কৰক যাতে আমি সেইসকল জনসাধাৰণৰ মনত পাৰস্পৰিক বুজাপৰা আৰু বিশ্বাসৰ ভাব ঘূৰাই আনিব পাৰো।

**শ্ৰীচিলভিউচ কন্দপান ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই চৰকাৰী পক্ষৰ এজন সহযোগী সদস্য হিচাবে আজি তেখেতে যিটো পৰিস্থিতিৰ কথা উল্লেখ কৰিছে তাৰ গুৰুত্ব আমি অনুভৱ কৰিছো। এই ঘটনাৰ পৰা আমি সম্পূৰ্ণভাৱে বুজি পাইছো যে আজি অসমৰ আইন শৃঙ্খলা সম্পূৰ্ণ ভাগি গৈছে আৰু তাৰ ফলস্বৰূপে আজি এক সপ্তাহ মানৰ পৰা অসমত ভাতৃঘাটি সংঘাট আৰম্ভ হৈছে। এইটো আমি কেৱল আইন শৃঙ্খলাৰ কথা বুলিয়েই এৰি দিব নোৱাৰো, আমি এইবিলাক বন্ধ কৰিব লাগিব। আমি এই ঘটনাবোৰ জানি বুজিও নজনাৰ ভাও জুৰি মনে মনে থাকিলে এই ক্ষেত্ৰত আমি ৰাইজৰ প্ৰতিনিধি হিচাবে আমাৰ কৰ্ত্তব্য পালন কৰা নহব। গতিকে শ্ৰীহেমেন দাস ডাঙৰীয়াই যিটো পৰামৰ্শ আগবঢ়াইছে সেই ক্ষেত্ৰত বৰ্ত্তমান

পৰিস্থিতিৰ ওপৰত আমি নিশ্চয় ব্যৱস্থা গ্ৰহন কৰিব লাগিব। বৰ্ত্তমান অসমৰ আইন শৃঙ্খলা সম্পূৰ্ণ চুৰমাৰ হৈ গৈছে, মানুহৰ মাজত ভাতৃঘাটি কাৰ্য্য আৰম্ভ হৈছে। গতিকে শ্ৰীদাস ডাঙৰীয়াই যি কেইটা পৰামৰ্শ দিছে সেই প্ৰস্তাৱত আমাৰ ফালৰ পৰাও সমৰ্থন আগবঢ়াইছো আৰু আশাকৰো ৰাইজৰ স্বাৰ্থত, অসমৰ স্বাৰ্থত আমি যদি আজিয়েই তেওঁলোকৰ মাজত এটা শান্তিৰ পৰিবেশ ঘূৰাই আনিব নোৱাৰো তেনেহ'লে সেই কথাবোৰ আমি ইয়াত আলোচনা কৰি থাকিলেই নহ'ব। গতিকে শ্ৰীহেমেন দাস ডাঙৰীয়াই আগবঢ়োৱা পৰামৰ্শটো গ্ৰহন কৰিব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰিলো।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্যসকল, মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই যিটো পৰামৰ্শ আগবঢ়াইছে সেই পৰামৰ্শ তেখেতে লিখিতভাবে জাননী দিয়াহেঁতেন মই এই বিষয়ে চিন্তা কৰিবলৈ সূচল হ'লহেঁতেন। ইতিমধ্যে এই সম্পৰ্কত এডজাৰনমেন্ট মোচন, চেন্সৰ মোচন আদি ধৰণৰ জাননী মই পাইছো আৰু আনহাতে যোৱা কালি সদনৰ দলপতি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰাও এটা লিখিত অনুৰোধ পাইছো আৰু সেই কাৰণে আমি সদনৰ কাৰ্য্যসূচীত এই সদনতে এই বিষয়সমূহ আলোচনা কৰিলে ভাল হব বুলি মই ভাবো। যিহেতু এই সম্পৰ্কত এটা এডজাৰনমেন্ট মোচন /চেন্সৰ মোচন ইতিমধ্যে অনা হৈছে আৰু চৰকাৰৰ পক্ষৰ পৰাও এটা 'গুড উইল' পঠাবলৈ দলপতি ডাঙৰীয়াই আমাক অনুৰোধ কৰিছে গতিকে এই বিষয়টো পলম নকৰাকৈ সোনকালে এটা ব্যৱস্থা হাতত লোৱাহে ভাল হব বুলি মই ভাবো।

**শ্ৰীহেমেন দাস ঃ** অধ্যক্ষ মহোদয়, চেন্সৰ মোচন বা এডজাৰ্নমেন্ট মোচন এইটো হৈছে আমাৰ বিধান সভাৰ বিষয়। আপুনি জানে যে আজি অসমৰ উত্তৰ উঞ্চলত কি ঘটনা ঘটিছে। আমি ইয়াত এই বিষয়সমূহ আলোচনা কৰাৰ কাৰণে যথেষ্ট সময় পাম কিন্তু আমি যদি এতিয়াই শাৰীৰিক ভাবে তালৈ গৈ তাৰ পৰিস্থিতিৰ এটা বুজ লওঁ তেনেহ'লে তাৰ জনসাধাৰণৰ মাজত এটা বিশ্বাসৰ ভাব ঘূৰাই আনিব পাৰিম। আমি আজি ৰাইজৰ মাজলৈ গৈ তেওঁলোকক বুজোৱা উচিত। সেইটো কৰিলে ৰাইজে আমাক নিশ্চয় বেয়া ভাবে গ্ৰহন নকৰিব কাৰণ, অসমত আজিও ন্যায় পৰায়ন ৰাইজৰ অৱশিষ্ট আছে। সেই সকলৰ ওচৰত আমি দায়বদ্ধ। গতিকে বিধানসভাৰ আজি কাৰ্য্যসূচী স্থগিত ৰাখিলে আমাৰ একো ক্ষতি নহয়। কিন্তু আমি যদি সেই ঘটনাসমূহ বুজ লোৱাত এদিনো পলম কৰে তেনেহ'লে ৰাজ্যখনত এটা ভয়ানক ঘটনা হ'ব পাৰে। এই ক্ষেত্ৰত মই এটা বেলেগ গোন্ধ পাইছো।

**মাননীয় অধ্যক্ষ ঃ** বৰ্ত্তমান পৰিস্থিতিৰ সম্পৰ্কত মাননীয় সদস্য শ্ৰীহেমেন দাস

ডাঙৰীয়াই যিটো কথা উল্লেখ কৰিছে সেইটো অতি ভয়াবহ পৰিস্থিতি আৰু আমাৰ সকলোৰে কাৰণে উদ্বেগৰ কাৰণ বুলি আমি সকলোৰে অনুভৱ কৰিছো। কিন্তু আপুনি এজন অভিজ্ঞ বিধায়ক হিচাবে আপোনাৰ পৰা এইটো লিখিত হিচাবে লোৱা হ'লে ভাল আছিল। তথাপি আমি পৰিস্থিতিৰ গুৰুতৰ প্ৰতি লক্ষ্য ৰাখি আজিয়েই তালৈ যাব পৰা ব্যৱস্থাৰ কাৰণে ময়ো মোৰ মতামত প্ৰকাশ কৰিছো। তাৰ কাৰণে চৰকাৰে সদস্যসকলক অহা-যোৱাৰ কাৰণে গাড়ী মটৰকে ধৰি যিখিনি ব্যৱস্থা সেইখিনিৰ কৰাৰ কাৰণে কিছু সময়ৰ প্ৰয়োজন হ'ব। আমি সদনৰ কাৰ্য্যসূচী শেষ হোৱাৰ লগে লগে সদমৰ বিৰোধী দলৰ দলপতি আৰু সদনৰ দলপতি দুয়োকে লৈ তালৈ যোৱাৰ কাৰণে সময় নিৰ্ণয় কৰা ব্যৱস্থা কৰিম।

**শ্ৰীহেমেন দাস ঃ** ঘূৰি আহি নাপাব ৰাস্তা বেয়া।

**মাননীয় অধ্যক্ষ ঃ** এই কথাটো জৰুৰী বিষয়টোৰ গুৰুত্ব আছে। এই কথাটো আপোনালোকৰ সৰ্ব্বসন্মতিত ভিত্তি কৰি এই সিদ্ধান্তত উপনীত হৈছো যে যোৱাটো উচিৎ। কিন্তু সোনকালে, মানে এইটো নহয় যে এতিয়াই লৰ পাৰিব লাগিব। যাৱতীয় যান-বাহনৰ ব্যৱস্থাও কৰিব লাগিব। সেইটো ভয়ানক অঞ্চল। তালৈ যাবলৈ ব্যৱস্থা কৰি লব লাগিব। এতিয়া তাৰাংকিত প্ৰশ্ন নং ১। মাননীয়া সদস্যা শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম।

## STARRED

## QUESTIONS AND ANSWERS

(To which Oral answer were given)

**Re : Creation of School Teacher Posts.**

**Smti Pramila Rani Brahma** asked :

***1.** Will the Minister of Secondary & Elementary Education be pleased to State :

(a) How many posts for L.P., M.E. and High School Teachers have been created by the present Government in this financial year?

(b) How many posts are distributed to every district?

(c) How many posts for each category Schools have been released for the B.A.C. area?

(The specific number of posts for the Kokrajhar Sub-Division and Gossaigaon Sub-Division may kindly be shown)

**Shri Jatin Mali** (Minister of Education (Elementary & Secondary) replied :

(a) No post for L.P., M.E. and High School teacher has been created by this Government during the current financial year. However, we have processed to create 4040 posts subject to the approval of Govt. of India which were originally approved for creation during 8th Plain period.

(b) Does not arise.

(c) Does not arise.

* **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বি,এ,চি এলেকাত শিক্ষালয় সমূহত নিযুক্তি দিবলৈ কৰি থকা ব্যৱস্থা মাননীয় মন্ত্ৰী মহোদয়ৰ অৱগত হয় নে নহয় জানিব বিচাৰিছো। এম, ই স্কুলৰ শিক্ষক আৰু কেৰাণী পদৰ কাৰণে পদ ক্ৰিয়েচন কৰাৰ বাবে আৰু নিযুক্তি দিয়াৰ বাবে কাউন্সিলৰ তৰফৰ পৰা যিটো ব্যৱস্থা লৈছে মন্ত্ৰী মহোদয়ে জানেনে? কেৰাণী পোষ্ট ক্ৰিয়েচন আৰু এম, ই স্কুলৰ শিক্ষকৰ পদ ক্ৰিয়েচনৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা ক্ষমতা প্ৰদান কৰিছে নেকি?

* **শ্ৰীযতীন মালী** (মন্ত্ৰী) **ঃ** যোৱা সময় চোৱাত, বি,এ,চি এলেকাত শিক্ষাবিভাগৰ অনুমোদন বা আলোচনা অবিহনে কেতবোৰ শিক্ষকক পদত নিয়োগ কৰা খবৰ আমি ইনফৰমেলী পাইছো। পোষ্ট ক্ৰিয়েচন কৰা সম্পৰ্কত অসম চৰকাৰে বি,এ,চি এলেকাত প্ৰয়োজন সাপেক্ষে পোষ্ট ক্ৰিয়েচন কৰা নীতি গ্ৰহণ কৰাটো ভাল হ'ব বুলি মই ভাবো। এইটো মই আশা কৰো যে স্কুলৰ চাহিদা ভিত্তিত যি যি শিক্ষকৰ প্ৰয়োজন আছে সেই অনুসাৰে বি,এ,চি এলেকাৰ কতৃপক্ষই আলোচনা কৰিলে বা অনুমতি বিচাৰিছে সেই মতে অনুমতি দিয়াৰ বা অনুমোদন কৰাৰ ব্যৱস্থা কৰিব।

* **শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে যোৱা বিত্তীয় বছৰত শিক্ষকৰ পদ সৃষ্টি কৰা নাই বুলি কৈছে। কিন্তু পোষ্ট সৃষ্টি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে। এতিয়া এলিমেন্টেৰী কমিটি গঠন কৰা হৈছে। চিলেকচন কৰা হৈছে। এতিয়া তেওঁলোকে কিহৰ ভিত্তিত নিযুক্তি দিব? যদি পদ সৃষ্টি কৰা নাই তেওঁলোকে কিহৰ ভিত্তিত এডভাৰটাইজ কৰিলে,

* Speech not corrected

চিলেকচন কৰিলে? যদি নতুন পদ সৃষ্টি কৰা তেতিয়াহ'লে খালী পদ কিমান আছে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

* শ্ৰীযতীন মালী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, জনসাধাৰণৰ সুবিধা অৰ্থে আৰু জানিব পৰাকৈ আৰু মাননীয় বিধায়ক গৰাকীৰ জ্ঞাতাৰ্থে মই জনাব বিচাৰিছো যে ৮ম প্লেনত ৪০৪০ পোষ্ট ক্ৰিয়েট কৰিবলৈ অনুমোদন বিচৰা হৈছিল কিন্তু যি কোনো কাৰণতেই ৮তম পৰিকল্পনাত সেইটো নহ'ল সেয়ে নৱম পৰিকল্পনাত অনুমোদন লবলৈ চেষ্টা কৰিছো আৰু ইনৰ্মমেলী পাইছো মাত্ৰ ফৰমেলী চিঠি পাবলৈ বাকী আছে। বিধায়ক গৰাকী আতকংগ্ৰস্ত হোৱা কোনো কাৰণ নাই।

* **শ্ৰীভৰত চন্দ্ৰ নৰহ** ঃ আতংকগ্ৰস্ত মই পোৱা নাই। আপুনিগ্ৰস্ত হৈছে। এডভাৰটাইজ দিছে, ইনটাভিউ লৈছে কিন্তু পোষ্ট নাই কেনেকৈ নিয়োগ কৰিব?

* শ্ৰীযতীন মালী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ বিষয়ে বিভিন্ন বাতৰি কাকতত ৰাজনৈতিক ভিত্তিত বিভিন্নধৰণৰ অপপ্ৰচাৰ কৰিছিল। কিন্তু সেই পৰিবেশ নিয়ন্ত্ৰণ কৰি এই বিভাগটোৰ চিচটেম অনুযায়ী ইন্টাভিউৰ প্ৰক্ৰিয়া শতকৰা ৯০ ভাগ শেষ কৰিলো। অসমৰ জনসাধাৰণেও এই ক্ষেত্ৰত সক্ষম হৈছে। যি ধৰণে আগতে ডিৰেকচন দিছো সেইধৰণে হ'ব। গতিকে এই ক্ষেত্ৰত নিশ্চিত থকা ভাল হ'ব।

**ডঃ অৰ্দ্ধেন্দু কুমাৰ দে** ঃ মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এডভাৰটাইজ দিওঁতে আৰু ইন্টাভিউৰ লওঁতে ভেকেনচি পজিচন যিটো দিছে সেইমতে আছিল নে এটা এজামচনৰ ওপৰত ব্যৱস্থা গ্ৰহন কৰিছিল?

* শ্ৰীযতীন মালী (মন্ত্ৰী) ঃ আমি কাম আৰম্ভ কৰিছো সকলোখিনি চালি জাৰি চাই সকলো খিনি ৰেকৰ্ড এচেম্বলীত আছে। মাননীয় বিধায়ক সকলো খিনি দেখুৱাব পাৰিম। ইয়াৰ ভিত্তিতেই ইন্টাৰভিউ হৈছে, চিলেকচন হ'ব আৰু এপইন্টমেন্টও হ'ব। অস্থিৰ হ'ব নালাগে। প্ৰাথমি আৰু মধ্য ইংৰাজী বিদ্যালয়ত ৭,৫০০, বিষয় শিক্ষক ১৮০ আৰু যোগ ২৫, হাইস্কুল ২০০ যোগ ২৯, ভোকেচনেল ১৫৮ যোগ ২৫, ডেমোনেষ্ট্ৰেটৰ ৭ যোগ ২৫ আগৰ প্লেনৰ লগত যোগ হৈছে।

**Dr. Ardhendu Kr. Dey :** (৮ হাজাৰৰ হিচাবটো দিয়া নাই) It is matter of privilege. Hon'ble Minister is misleading the House by giving a wrong statement several times in the House. So it is a matter of breach of privilege.

* **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম** ঃ মন্ত্ৰী মহোদয়ে কৈছে যে, প্ৰয়োজন সাপেক্ষে বি,এচ,চি

ৰ লগত আনুস্থানিকভাবে আলোচনা কৰি পদ সৃষ্টি কৰাৰ অনুমোদন জনাব এই হেতুকে জানিব পাৰোনে যে বি,এচ,চি এলেকাত বড়ো মাধ্যমত ইংৰাজী শিক্ষক নিযুক্তি দিয়াৰ প্ৰয়োজন আছে বুলি অনুভৱ কৰিছে। কি কাৰণত প্ৰয়োজন অনুভৱ কৰি আহিছে?

* **শ্ৰীযতীন মালী** (মাধ্যমিক শিক্ষা মন্ত্ৰী) ঃ অসম চৰকাৰে বি,এচ,চি এলেকাৰ কৰ্ত্তৃপক্ষৰ পৰা প্ৰস্তাৱ পালে ফিজিবিলিটি চাই পদ দিয়াৰ প্ৰয়োজন আছে নে নাই বিবেচনা কৰিম। প্ৰয়োজন হলে নিশ্চয় দিব লাগিব।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম** ঃ ইংৰাজী শিক্ষকৰ সম্পৰ্কত প্ৰশ্নটো আছিল।

**শ্ৰীযতীন মালী** (মন্ত্ৰী) ঃ প্ৰপজেল পালে বিবেচনা কৰিম।

* **শ্ৰীমতীপ্ৰমিলা ৰাণী ব্ৰহ্ম** ঃ প্ৰপজেল আহিলে বিবেচনা কৰিব। কিন্তু ইংৰাজী শিক্ষক নিযুক্তি দিবৰ কাৰণে কেনেকৈ হুলস্থুল লগাইছে। বহু প্ৰাৰ্থীৰ পৰা কাউন্সিলাৰ সকলে বিভিন্নধৰণে অৰ্থ বুটলিছে। এই কথাটো মন্ত্ৰী ডাঙৰীয়াৰ অৱগতনে? এইটো প্ৰতিহত কৰিবৰ কাৰণে ব্যৱস্থা লবনে?

* **শ্ৰীযতীন মালী** (মন্ত্ৰী) ঃ এনেকুৱা ধৰণে কৈছে যে বি,এ,চি এলেকাত প্ৰায় ২২০০ শিক্ষকক যি সকলে নিযুক্তি দিছে তেওঁলোকেও নাজানেকি পদৰ বিপৰীতে নিযুক্তি দিছে তেওঁলোলে লগ পাইছে। ২২০০ শিক্ষকৰ কথাখিনি শুনিছো। বিভাগীয় সচিব বা আয়ুক্তক লগ পাইছে। বিষয়টোৰ সম্পৰ্কত মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিছো। বি,এ,চি এলেকাত আগতীয়া অনুমোদন নোহোৱাকৈ পদ যিহেতু সৃষ্টি কৰিব নোৱাৰে, সেই কাৰণে এই কথাটো প্ৰত্যেকে জানি থোৱা ভাল। পদ নথকাকৈ ২২০০ প্ৰাৰ্থীক শিক্ষক হিচাবে নিয়োগ কৰাত বহু দিনৰ পৰা দৰ্ম্মহা দিয়া নাই। তেওঁলোকে লগ পাই কোৱা কথাখিনি অতিৰিক্ত কৰি কোৱা নাই।

**Mr. Speaker** : Now, Starred Question No. 2. Hon'ble Member Shri Sukur Ali. Hon'ble Minister, Industries is to reply.

বিষয় ঃ বস্ত্ৰ উদ্যোগ।

শ্ৰীশুকুৰ আলীয়ে সুধিছে ঃ

* ২। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ৰাজহুৱা খণ্ডত কিমানটা বস্ত্ৰ উদ্যোহ আছে?

(খ) কিমানটা উদ্যোগ ৰুগ্ন বুলি চিনাক্ত কৰা হৈছে?

(গ) ৰুগ্ন উদ্যোগসমূহ উজ্জীৱিত কৰাৰ ব্যৱস্থা চৰকাৰে লৈছে নে?

* Speech not corrected

শ্ৰীগুনীন হাজৰিকা (উদ্যোগ মন্ত্ৰী) যে উত্তৰ দিছে ঃ

(ক) অসমত ৰাজহুৱা খণ্ডত উদ্যোগ বিভাগৰ অধীনত ৫ টা বস্ত্ৰ উদ্যোগ আছে।

(খ) ৰাজহুৱা খণ্ডত থকা ৪ টা বস্ত্ৰ উদ্যোগেই ৰুগ্ন বুলি চিনাক্ত কৰা হৈছে।

(গ) হয়, লৈছে।

* **শ্ৰীশুকুৰ আলী ঃ** অধ্যক্ষ মহোদয়, বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক পৰিপূৰক প্ৰশ্ন সুধিব বিচাৰিছো যে ইয়াত ৰুগ্ন উদ্যোগসমূহ পুনৰ জীৱিত কৰাৰ ব্যৱস্থা লোৱা হৈছে বুলি কৈছে, এই ক্ষেত্ৰত কি কি ব্যৱস্থা লোৱা হৈছে আৰু এই ব্যৱস্থা ব্যক্তিগত খণ্ডত নে ৰাজহুৱা খণ্ডত লোৱা হৈছে।

* **শ্ৰীগুনীন হাজৰিকা** (মন্ত্ৰী) ঃ আসাম টেক্সটাইল কৰপৰেচনটো আগতে ব্যক্তিগত লীজ বেচিচত দিয়া হৈছিল। ৪ টা উদ্যোগৰ ক্ষেত্ৰত যোৱা ফেব্ৰুৱাৰী মাহত যুটীয়া খণ্ডত কৰিবৰ কাৰণে বিজ্ঞাপন দিছিল। তাৰ সহাৰিত কম সংখ্যক আমি আবেদন পাইছো। এইবিলাক পৰীক্ষা কৰি থকা হৈছে।

* **শ্ৰীশুকুৰ আলী ঃ** এই ৰুগ্ন উদ্যোগসমূহৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হৈছে? এই কাম কেতিয়া শেষ হব আৰু কেতিয়া উদ্যোগসমূহৰ পুনৰ জীৱিত কৰা যাব?

* **শ্ৰীগুনীন হাজৰিকা** (মন্ত্ৰী) ঃ যুটীয়া খণ্ডত উপযুক্ত অনুষ্ঠানৰ লগত আলোচনা হোৱাৰ পাছত আমি এই উদ্যোগ পুনৰ জীৱিত কৰিব পাৰিম বুলি ভাবিছো।

* **শ্ৰীশ্বেখ আব্দুল হামিদ ঃ** ব্যক্তিগত খণ্ডত যিবিলাক বস্ত্ৰ উদ্যোগ আছিল এই গোটেই বিলাক বন্ধ হৈ আছে। তাৰ বিভিন্ন কাৰণ আছে। এই বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত অসম চৰকাৰৰ কিবা নীতি আছে নেকি? যদি আছে তেন্তে কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰিছে নেকি?

* **শ্ৰীগুনীন হাজৰিকা** (মন্ত্ৰী) ঃ বঙ্গাই গাওঁ শোধানাগাৰৰ ওপৰত ভিত্তি কৰি বস্ত্ৰ উদ্যোগসমূহ হৈছিল। ১৯৯০ চনৰ পৰা বস্ত্ৰ উদ্যোগসমূহ ৰুগ্ন হৈ আছে। সূতাৰ ওপৰত নিৰ্ভৰ কৰি ব্যক্তিগত খণ্ডত এই উদ্যোগসমূহ গঢ়া হৈছে। বিভিন্ন কাৰণত সূতাৰ নাটনি, উপযুক্ত বিদ্যুত নোহোৱা কাৰণে উদ্যোগসমূহ ৰুগ্ন হৈ আছে। এই বস্ত্ৰ উদ্যোগসমূহৰ সুকীয়া নীতি নাই। উদ্যোগ নীতিৰ ভিতৰত বস্ত্ৰ উদ্যোগসমূহৰো আমি ব্যৱস্থা গ্ৰহণ কৰিম।

* **শ্ৰীহেমেন দাস ঃ** অসমৰ উদ্যোগীক অনগ্ৰসৰতালৈ লক্ষ্য ৰাখি উদ্যোগ মন্ত্ৰীয়ে অসমৰ ৰুগ্ন উদ্যোগসমূহ পুনৰ জীৱিত কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰৰ পৰা অৰ্থ সাহাৰ্য্য বিচাৰিছিল নেকি? যদি বিচাৰিছিল তেন্তে কেন্দ্ৰীয় চৰকাৰে এই

সম্পৰ্কত কিবা দৃষ্টি ভঙ্গী দিছে নেকি? কাৰণ উদ্যোগসমূহ মৰিছে আৰু আধা মৰা হৈ আছে। কৰ্ম্মচাৰী সকলে ১০ মাহ ধৰি দৰমহা পোৱা নাই। চৰকাৰ নিবিদা আহ্বান কৰিছে। ৰুগ্ন উদ্যোগৰ অংশীদাৰ হবলৈ কোনো বুদ্ধিৱান ব্যৱসায়ী ওলাব বুলি বিশ্বাস নহয়। গতিকে দ্বাৰস্থ হ'ব লগা হৈছে কেন্দ্ৰীয় চৰকাৰৰ।

* **শ্ৰীগুনীন হাজৰিকা** (মন্ত্ৰী) ঃ যোৱা ডিচেম্বৰ মাহত বন্ধ হৈ থকা উদ্যোগ পুনৰ জীৱিত কৰিবৰ কাৰণে ৩২ কোটী টকাৰ এখন আচনি কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগ বিভাগৰ ওচৰত দাখিল কৰা হৈছে। এতিয়ালৈকে সহাৰি পোৱা নাই। এই বিষয়টো পুনৰ কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছো।

* **শ্ৰীমুনিন মহন্ত** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে ৫ টা বস্ত্ৰ শিল্পৰ মিল যুটীয়া খণ্ডত নিবৰ কাৰণে ইতিমধ্যে ঘোষণা কৰিছে। এই বিষয়ে বাতৰি কাকততো প্ৰকাশিত হৈছিল। দ্বিতীয় কথাটো হ'ল চন্দ্ৰপুৰত যিটো সূতা কল আছে সেই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অসম চৰকাৰৰ তৰফৰ পৰা চলাই ৰখাৰ সম্পৰ্কত আৰু কৰ্ম্মচাৰীসকলক অব্যাহতি দিয়াৰ কথা ঘোষণা কৰিছে। এই সম্পৰ্কত চৰকাৰ অৱগতনে। চন্দ্ৰপুৰৰ সূতাকল সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহাৰ্য্য বিচৰা হৈছে কি ব্যৱস্থা লৈছে।

* **শ্ৰীগুনীন হাজৰিকা** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, চন্দ্ৰপুৰ সূতাকল সম্পৰ্কত আমি অৱগত নহয়। সেই বিষয়ে আমাৰ দৃষ্টিগোচৰ হোৱা নাই। দৃষ্টিগোচৰ হ'লে আমি ব্যৱস্থা লম। ৰাজ্য চৰকাৰে উদ্যোগ সম্পৰ্কত যি ঘোষণা কৰিছে তাক পুনৰ উজ্জ্বীৱিত কৰিবলৈ আমি এতিয়ালৈকে আশানুৰূপ সহাৰি পোৱা নাই।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৬ মাহ আগতে ৰাজ্য চৰকাৰে ঘোষণা কৰিছিল যে যিবিলাক ৰুগ্ন উদ্যোগ আছে সেই বিলাক পুনৰ উজ্জিৱীত কৰাৰ ব্যৱস্থা কৰা হ'ব। এইটো কেতিয়া কাৰ্য্যকৰী কৰা হব আৰু যদি কৰা নহয় তেতিয়াহলে সেইটো নীতি বাতিল কৰা হব নেকি।

* **শ্ৰীগুনীন হাজৰিকা** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এই প্ৰস্নটোৰ উত্তৰ দিছোৱেই। আমি উদ্যোগ পুনৰ উজ্জ্বীৱিত কৰাৰ কাৰণে যত্ন কৰিছো কিন্তু আশানুৰূপ সহাৰি পোৱা নাই। তেওঁলোকে কিছুমান চৰ্ত্ত আৰোপ কৰিছে সেইবিলাক পৰীক্ষা কৰি আছো।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি মন্ত্ৰী মহোদয়ক কব পাৰো নেকি যে যি নীতি গ্ৰহণ কৰিছিল সেই নীতিৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয় সম্পূৰ্ণ ব্যৰ্থ হৈছে। সেইটো স্বীকাৰ কৰিব লাগে।

* **শ্ৰীগুনীন হাজৰিকা** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কৈছে যে আমি ব্যৰ্থ হৈছো। আচলতে তেখেতে যিটো প্ৰশ্ন সুধিছে সেইটো ঠিক হোৱা নাই।

**Mr. Speaker :** Now Starred Question No. 3. Hon'ble Member Smti Rupam Kurmi. Hon'ble Chief Minister is to reply.

**বিষয় ঃ ভোটাৰ তালিকা প্ৰস্তুতি।**

**শ্ৰীমতী ৰুপম কুৰ্মীয়ে** সুধিছে ঃ

* ৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভোটাৰ তালিকা প্ৰস্তুতকৰনৰ সময়ত আৰু সাধাৰণ নিৰ্ব্বাচনৰ সময়ত ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলে ১৯৯৩ চনৰ ভোটাৰ তালিকা প্ৰস্তুতি আৰু ১৯৯৬ চনৰ সাধাৰণ নিৰ্ব্বাচনৰ দায়িত্ব পালনৰ পাৰিতোষিক অদ্য-পৰিমিত আদায় দিয়াৰ ব্যৱস্থা কৰা হোৱা নাই। চৰকাৰ অৱগতনে?

(খ) যদি অৱগত ইয়াৰ কাৰণ কি আৰু উক্ত পাৰিতোষিক সোনকালে দিয়াৰ ব্যৱস্থা কৰিবনে?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই** উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) ৰাজ্য চৰকাৰৰ কঠিন বিত্তীয় পৰিস্থিতিৰ বাবে আদায় দিব পৰা হোৱা নাই। বিত্তীয় পৰিস্থিতিৰ উন্নতি সাপেক্ষে বিবেচনা কৰিব পৰা যাব।

* **শ্ৰীৰূপম কুৰ্মী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৩-৯৪ চনত ভোটাৰ তালিকা প্ৰস্তুতকৰণৰ সময়ত শ্ৰমিক সকলক যি পাৰিতোষিক দিয়াৰ কথা আছিল সেই টকা অহা ডিচেম্বৰ মাহৰ ভিতৰত দিয়াৰ ব্যৱস্থা কৰিবনে।

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** (মুখ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি বিত্তীয় কঠিন পৰিস্থিতিৰ মাজতো লাহে লাহে দি আছো। বিত্তীয় পৰিস্থিতি উন্নত হ'লে দিব পৰা যাব।

* **শ্ৰীভৰত নৰহ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে উত্তৰত কঠিন বিত্তীয় পৰিস্থিতিৰ কথা কৈছে। কঠিন বিত্তীয় পৰিস্থিতি মানে কি? এতিয়া বিত্তীয় পৰিস্থিতি কি অৱস্থাত আছে। মুখ্যমন্ত্ৰীয়ে কৈছে যে কঠিন বিত্তীয় পৰিস্থিতি উন্নত হলে দিয়া হ'ব। এই বিত্তীয় পৰিস্থিতি কেতিয়া উন্নত হ'ব।

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** (মুখ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি যেতিয়া চৰকাৰ কৰিছিলো তেতিয়া ৬ হাজাৰ কোটি টকা ধাৰ আছিল। সেই ধাৰ ডেৰ বছৰত শেষ কৰিব নোৱাৰি। আপোনালোকেও পৰা নাছিল। সময়ৰ নিশ্চয়

প্ৰয়োজন হ'ব।

* **শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইলেকচন কমিচনৰ পৰা কিমান টকা পাইছে আৰু ৰাজ্য চৰকাৰে কিমান টকা দিছে।

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** (মুখ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটোৰ কাৰণে এটা বেলেগ প্ৰশ্নৰ প্ৰয়োজন হ'ব। ইলেকচন কমিচনে পইচা নিদিয়ে আমি পইচা দিব লাগে।

**Mr. Speaker :** Now Starred Question No. 4 Hon'ble'/ Member Shri Abu Saleh Nazmuddin. Hon'ble Minister of Education (Elementary & Secondary) is to reply.

**Re.: Vacant Posts.**

**Shri Abu Saleh Nazmuddin** asked :

* **4.** Will the Minister of Education (Secondary) be pleased to state:

(a) How many post of Principal/Vice-Principal/Head Master/ Assistant Head Master/Superintendent/Assistant Superintendents are laying vacant in the State?

(b) When these posts will be filled up by selected candidates?

**Shri Jatin Mali** (Minister of (Secondary and Elementary) Education) replied :

(a) Following are the Vacancies at present :

(i) In respect of Provincialised H.S.S./H.S.

| | | |
|---|---|---|
| Principal | – | 203 |
| Vice-Principal | – | 83 |
| Head Master | – | 313 |
| Asstt. Head Master | – | 59 |
| Superintendent | – | 9 |
| Asstt. Superintendent | – | Nil |

(ii) In respect of Govt. H.S./H.S.S.

| | | |
|---|---|---|
| Principal | – | 13 |

Vice-Principal – 18

Head Master – 3

(b) The process for selection of Head Master & Asstt. Head Master have already started. The process for selection to the post of Principal & Vice-Principal will begin soon. After completion of the selection process, the vacant posts shall be filled.

★ **Shri Abu Saleh Nazmuddin :** Sir, I want to know after how many years the interview for the selection of Principal, Vice-Principals, Head Masters, Asstt. Head Masters are going to be held? This is my first supplementary. And the 2nd supplementary is whether these posts will be at all filled up? Will the Minister be able to give a date and time?

★ **শ্ৰীযতীন মালী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কোনো চৰকাৰে ইন্টাভিউ কেইবা বছৰো চলিব বুলি সিদ্ধান্থ নলয়। কেইমান মান চলোৱাৰ কাৰণে সিদ্ধান্ত লয়। ২৮-২৯ তাৰিখৰ পৰা আৰম্ভ হৈছে আৰু কেইমাহ মানৰ ভিতৰত শেষ হ'ব।

★ **Shri Abu Saleh Nazmuddin :** Sir, I think, Hon. Minister should be well equipped with the answers. Because, this is a very important and immediate supplementary. I am sorry, the Minister if well equipped with the answer.

**শ্ৰীযতীন মালী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইটো চাব লাগিব।

★ **Shri Abu Saleh Nazmuddin :** There may be more supplementaries relating to this question. What is unfortunate is that there are teachers who are rendering service for years after years, but they are not getting any benefit inspite of having the services and the requisite qualification. It shows that the intention of the Government is to deprive these people from their due benefits. For what reasons the Government have failed to take interview?

★ **শ্ৰীযতীন মালী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো চাই ক'ব লাগে বুলি এই কাৰণেহে কৈছো যে এই কথাটো প্ৰশ্নটোত লিখা নাছিল।

(There were demands from Opposition benches for giving a ruling by the Hon. Speaker on this.)

**শ্রীআবু চালেহ নাজমুদ্দিন ঃ** — চাব নালাগে —

**শ্ৰীযতীন মালী** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে কথাটো জানে। হায়াৰ চেকেণ্ডাৰীৰ প্ৰিন্সিপাল আৰু ভাইচ প্ৰিন্সিপাল সম্পৰ্কত এটা কেচ আছে। হেড মাষ্টৰ সম্পৰ্কত অনুমান কৰ খোজা নাই। হাউচত তথ্যভিত্তিক উত্তৰ দিব লাগে। সেই কাৰণে মই উত্তৰ দিয়া নাই।

**শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি মন্ত্ৰী মহোদয়ক ৰুলিং দিয়ক যাতে হাউচলৈ অহাৰ আগতে প্ৰয়োজনীয় তথ্য লৈ আহে।

**শ্ৰীযতীন মালী** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অলপ আগতে মাননীয় বিধায়ক দে ডাঙৰীয়াই কৈছে যে অনুমানত উত্তৰ দিব নালাগে। তথ্য সহকাৰে দিয়াটো প্ৰয়োজন।

**Mr. Speaker :** Informations sought for by the Hon. Member, Shri Nazmuddin will be furnished by the Hon. Minister for Education by tomorrow. Now, Question No. 5, Hon. Minister Industries.

**বিষয় ঃ গেছ ক্ৰেকাৰ প্ৰকল্প।**

**শ্ৰীহেমন্ত কলিতাই** সুধিছে ঃ

* ৫। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চুক্তিৰ আধাৰত প্ৰতিষ্ঠিত হ'ব লগা গেছ ক্ৰেকাৰ প্ৰকল্পৰ কাম কিমান দূৰ আগবাঢ়িছে ৰাজ্য চৰকাৰ জ্ঞাত নে?

(খ) উক্ত প্ৰকল্পত অসমৰ থলুৱা ৰাইজৰ বিশেষভাবে সহায় হোৱাকৈ কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি ৰাজ্য চৰকাৰে কেনে ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে?

(গ) উক্ত প্ৰকল্পৰ পৰা প্ৰতিষ্ঠিত হ'ব লগা উদ্যোগৰ বিষয়ে স্থানীয় যুৱকসকলক বিশেষভাবে উৎসাহিত হ'ব পৰাকৈ ৰাজ্য চৰকাৰে কিবা ব্যৱস্থা গ্ৰহন কৰিবনে আৰু যদি কৰিছে কেনে ব্যৱস্থা গ্ৰহন কৰিছে জনাবনে?

**শ্ৰীগুণীন হাজৰিকা** (উদ্যোগ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত প্ৰতিষ্ঠিত হ'ব লগা গেছ ক্ৰেকাৰ প্ৰকল্পৰ কাম তলত দিয়া ধৰণে

আগবাঢ়িছে ঃ-

(১) এই প্ৰকল্প স্থাপনৰ কাৰণে ডিব্ৰুগড় জিলাৰ টেঙাখাত আৰু চাবুৱা ৰাজহ চক্ৰত স্থান নিৰ্ণয় কৰা হৈছে। ইয়াৰ বাবে ইতিমধ্যে ৩৮১০ বিঘা মাটি ৰখা হৈছে।

(২) এই প্ৰকল্প স্থাপন কৰাৰ কাৰণে ইতিমধ্যে 'ৰিলায়েন্স' অসম পেট্ৰোকেমিকেলচ্ নামৰ কোম্পানী এটা গঠন কৰা হৈছে।

(৩) ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে ৩ লাখ টন ক্ষমতা সম্পন্ন ইথিলিন ক্ৰেকাৰ অনুজ্ঞা পত্ৰৰ বিপৰীতে ২ লাখ টন ক্ষমতা সম্পন্ন ইথিলিন ক্ৰেকাৰ প্ৰকল্প গেছৰ অনুমোদন কৰিছে।

(৪) মানৱ সম্পদ আঁচনিৰ পৰিপ্ৰেক্ষিতত RAPL এ ইতিমধ্যে ৫০ জন অভিযন্ত্ৰাক প্ৰশিক্ষণৰ বাবে বাচনি কৰি উলিয়াইছে আৰু তেওঁলোকক RIL অৰ অধীনত থকা বিভিন্ন পেট্ৰোৰাসায়নিক প্ৰকল্প বিলাকলৈ প্ৰশিক্ষণৰ বাবে পঠিওৱা হৈছে। যোৱা মাহত RAPL এ বিভিন্ন বিভাগৰ বাবে কাৰ্যক্ষম ব্যক্তি বিচাৰি আকৌ বিজ্ঞাপন দিছে।

(৫) ৰিলায়েন্সে ইণ্ডাষ্ট্ৰিজ লিমিটেডে ইতিমধ্যে তেওঁলোকৰ ফালৰ পৰা বিত্তীয় অনুষ্ঠানবোৰৰ ওচৰত দীৰ্ঘম্যাদী ঋণ বিচৰা বাহিৰা ঋণৰ বন্দোৱস্তীকৰণ, বিভিন্ন প্ৰয়োজনীয় কাৰিকৰী প্ৰযুক্তি আদিৰ শেহতীয়া তালিকাসমূহ প্ৰস্তুত কৰি আছে। ৰাজ্যিক প্ৰদুষন নিয়ন্ত্ৰণ বোৰ্ডৰ পৰা তেওঁলোকে NOC চাৰ্টিফিকেট লাভ কৰিছে।

(খ) অসম গেছ ক্ৰেকাৰ প্ৰকল্পটো স্থাপন হলে অসমৰ থলুৱাসকল বিভিন্ন দিশত অতি উপকৃত হ'ব। বিশেষকৈ প্ৰকল্পটো ভিত্তি কৰি স্থাপন হোৱা ভটিয়নী উদ্যোগবোৰে অসমত বিভিন্ন ধৰণৰ উদ্যোগৰ সুচনা কৰিব। এই সকলোবোৰ কাৰ্য্যকৰী কৰিবৰ বাবে ৰাজ্যচৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত গেছ ক্ৰেকাৰ প্ৰকল্পটো স্থাপনৰ অৰ্থে যথেষ্ট হেঁচা প্ৰয়োগ কৰিছে।

ৰাজ্য চৰকাৰৰ অনুৰোধ ক্ৰমে কেন্দ্ৰীয় চৰকাৰে অসমত এটা প্লাষ্টিক কাৰিকৰী প্ৰযুক্তি বিদ্যাৰ (CIPET) শাখা স্থাপন কৰিবলৈ সন্মতি দিছে যাতে থলুৱা প্লাষ্টিক উদ্যোগীসকল ইয়াৰ ফলত উপকৃত হব পাৰে।

(গ) অসম গেছ প্ৰকল্প ভিত্তিত অসংখ্য ভটিয়নী উদ্যোগ চিনাক্তকৰণ কৰা হৈছে। আহমেদাবাদত অৱস্থিত নবীন উদ্যোগী সকলৰ উন্নতিকল্পে থকা অনুষ্ঠানটোৰ (EDIT) অধীনত গেছ ক্ৰেকাৰ প্ৰকল্পৰ ভটিয়নী উদ্যোগবোৰৰ সম্পৰ্কে প্ৰশিক্ষণ লবলৈ ইতিমধ্যে ৮৩ জন নবীন উদ্যোগীক পঠিওৱা হৈছে। ভটিয়নী উদ্যোগ স্থাপন কৰিবৰ বাবে ৰাণীত এহেজাৰ একৰ মাটি আছুতীয়াকৈ ৰখা

হৈছে। এই বৃহৎ প্ৰকল্পটো স্থাপনৰ লগে লগে ৰাজ্যচৰকাৰে অসমৰ থলুৱা যুৱক সকলক নিযুক্তি কৰণ ব্যৱসায়ী সা-সুবিধা আদি দিয়াৰ ক্ষেত্ৰত সকলোধৰণৰ সা-সুবিধা আগবঢ়াবৰ বাবে সাজুহৈ আছে।

**শ্ৰীহেমন্ত কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, গেছ ক্ৰেকাৰ প্ৰকল্প বিশেষভাবে থলুৱা যুৱক সকলক আগবঢ়াই নিয়াৰ কাৰণে যি মাষ্টাৰ প্লেন চৰকাৰে তৈয়াৰ কৰিছে এই ক্ষেত্ৰত ৰাণীত স্থাপিত কেম্পটো ব্যৱসায়ীক দিশত কাম আৰম্ভ হব নেকি। দ্বিতীয়তে অসমৰ বিভিন্ন উদ্যোগৰ জৰিয়তে যি বিলাকত চাকৰি ওলাব পাৰে সেই বিলাক উদ্যোগত স্থানীয় ভাবে যুৱক সকলক মটিভেটেত হ'ব লাগে এই বিষয়ে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

**শ্ৰীগুণীন হাজৰিকা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো দীঘলীয়া এই কাৰণে কৰিছিলো যে যাতে আটাইবিলাক কথাই সোমাই পৰে তথাপি এটা প্ৰশ্ন উঠিছে — ইয়াৰ কাৰণে চৰকাৰে পৰিকল্পনা হাতত লৈছে। আৰু স্থানীয় লোকসকলৰ যাতে উপকৃত হব পাৰে তাৰ বাবে সকলোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছো। ইতিমধ্যে এই উদ্যোগ সম্পৰ্কত আলোচনাচক্ৰ চেমিনাৰ আদি পতা হৈছে। ইতিমধ্যে আৰ আই এলৰ লগত আলোচনা কৰিছো। অক্টোবৰৰ ভিতৰত ভুটিয়নী উদ্যোগ সম্পৰ্কত কৰ্মাচ আৰ চেম্বাৰ্চৰ চেমিনাৰ হ'ব।

**Mr. Speaker** : Now Starred Question No. 6 Hon'ble Member Shri Padma Hazarika. Hon'ble Minister Industries is to reply.

**বিষয় ঃ অসমত ক্ষুদ্ৰ আৰু বৃহৎ উদ্যোগ।**

**শ্ৰীপদ্ম হাজৰিকা** ই সুধিছে ঃ

* ৬। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান অসমত কিমানটা ক্ষুদ্ৰ আৰু বৃহৎ উদ্যোগ আছে? অসমত থকা সকলোবোৰ উদ্যোগেই কাৰ্য্যাক্ষম নে?

(খ) শোণিতপুৰ জিলাৰ চাৰিদুৱাৰ কটন মিলৰ দুৰৱস্থাৰ বিষয় চৰকাৰ অৱগতনে আৰু এই মিলৰ শ্ৰমিক আৰু মালিকৰ মাজত হোৱা সংঘৰ্ষৰ বিষয় চৰকাৰে জানেনে?

(গ) অসমৰ ক্ষুদ্ৰ উদ্যোগ হিচাপে চাৰিদুৱাৰ কটন মিলক মালিকী স্বত্বৰ পৰা চৰকাৰৰ অধীনলৈ অনাৰ ব্যৱস্থা লবনে?

**শ্ৰীগুণীন হাজৰিকা** য়ে উত্তৰ দিছে ঃ

(ক) অসমত ক্ষুদ্ৰ, মজলীয়া আৰু বৃহৎ উদ্যোগৰ সংখ্যা ৩০,৯৩৫। ইয়াৰে ক্ষুদ্ৰ

উদ্যোগ হ'ল ৩০,৭৪৪ টা, মজলীয়া আৰু বৃহৎৰ সংখ্যা ১৯১ টা। অসমত থকা সকলোবোৰ উদ্যোগেই কাৰ্য্যক্ষম নহয়।

(খ) অৱগত। শ্ৰমিক আৰু মালিকৰ মাজত হোৱা সংঘৰ্ষৰ বিষয়টো বৰ্ত্তমান শ্ৰমিক আদালতত বিচৰাধীন হৈ আছে।

(গ) চৰকাৰে তেনে কোনো আঁচনি গ্ৰহন কৰা নাই।

* **শ্ৰীপদ্ম হাজৰিকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, চাৰিদুৱাৰ কটন মিলৰ শ্ৰমিক আৰু মালি পক্ষৰ মাজত যি সংঘষ হৈছে সেই কথাটো কৈছে। ১৯/১৫ দিন মান আগতে মাননীয় শ্ৰম মন্ত্ৰী গৈছিলে তেখেতৰ সন্মুখতে শ্ৰমিক আৰু মালিকৰ মাজত যি সংঘৰ্ষৰ সৃষ্টি হৈছিল সেইটোত চিন্তিত হৈছো যে আৰু সংঘৰ্ষ হ'ব পাৰে। এই ক্ষেত্ৰত শ্ৰম বিভাগ আৰু উদ্যোগ বিভাগে যুটীয়া ভাৱে চাৰিদুৱাৰ কটন মিলৰ বিষয়ে আলোচনা কৰি ব্যৱস্থা গ্ৰহণ কৰিব।

* **শ্ৰীগুণীন হাজৰিকা** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি শ্ৰম মন্ত্ৰীৰ লগত আলোচনা কৰি ব্যৱস্থা লম।

* **শ্ৰীআবু চালেহ নিজামুদ্দিন** ঃ মাননীয় অধ্যক্ষ মহোদয়, বদৰপুৰত ষ্টেট হেণ্ডলুম টেক্সটাইলৰ শ্ৰমিক সকলে আৰু এচ, আই, ডি, চিৰ শ্ৰমিক সকলে কিমান দিনৰ পৰা দৰমহা পোৱা নাই আৰু দৰমহা নোপোৱাৰ কাৰণ জনাব নৈকি?

* **শ্ৰীগুণীন হাজৰিকা** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে এটা বেলেগ প্ৰশ্ন লাগিব।

* **শ্ৰীআবু চালেহ নিজামুদ্দিন** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো পৰিপূৰক প্ৰশ্ন আগত প্ৰশ্নটোৰ লগৰে। সেই উদ্যোগ কেইটাৰ কৰ্ম্মচাৰীয়ে চাৰি মাহৰ দৰমহা পোৱা নাই। স্থানীয় বিধায়কে এই বিষয়ে কৈছে লগতে সেই উদ্যোগ ইউনিয়নেও কৈছে তথাপি দৰমহা হোৱা নাই।

* **শ্ৰীগুণীন হাজৰিকা** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অলপ আগতে মাননীয় মন্ত্ৰী শ্ৰীমালী ডাঙৰীয়াই কৈছে যে তথ্য ভিত্তিত উত্তৰ দিব লাগে। গতিকে বদৰপুৰৰ ৪ মাহৰ দৰমহা পোৱা নাই যে তাৰ তথ্য নাই সেয়ে বেলেগ এটা প্ৰশ্ন লাগিব।

* **শ্ৰীছিলভিউচ কন্দপান** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে তেখেতে চাৰিদুৱাৰ কটন মিলৰ কথাটো ইয়াত জৰিত হৈ আছে। তাৰ প্ৰশ্নৰ উত্তৰ দিছে। দ্বিতীয়তে মই কবলৈ বিচাৰিছো যে মই কিছুদিনৰ আগতে ধুবুৰী মেছ ফেক্টৰীলৈ গৈছিলো। বিভিন্ন বিভাগৰ বিষয়া সকলো গৈছিলে। ধুবুৰী মেছ ফেক্টৰীটো বহুত পুৰণি তাৰ শ্ৰমিক সকলৰ অৱস্থা শোচনীয়। মাননীয় মন্ত্ৰীয়ে এই শ্ৰমিক সকলৰ উন্নয়নৰ কাৰণে ব্যৱস্থা লব নেকি?

* Speech not corrected

* **শ্ৰীগুণীন হাজৰিকা** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত মই শ্ৰম বিভাগৰ মন্ত্ৰীৰ লগত আলোচনা কৰিম। ছুইমকো উদ্যোগটোৰ বিষয়ে আলোচনা কৰি ব্যৱস্থা গ্ৰহন কৰা হ'ব।

**Mr. Speaker :** Now Starred Question No. 7 Hon'ble Member Shri Jyotish Das. Hon'ble Minister, Irrigation is to reply.

**বিষয় ঃ বহতী জলসিঞ্চন আচঁনি।**

**শ্ৰীজ্যোতিষ দাসে সুধিছে ঃ**

*৭। মাননীয় জনসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অলপতে মেৰামতি আৰম্ভ হোৱা দুখনৈ সংমগুলৰ বহতী জলসিঞ্চন আচঁনিৰ কামটো মেৰামতিৰ পিচতেই খহি পৰাটো সচাঁনে?

(খ) যদি সচাঁ, তদন্ত কৰি দোষী বিষয়াক শাস্তিৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

**শ্ৰীআব্দুল মুহিব মজুমদাৰ** (জলসিঞ্চন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

তদন্ত কৰি দেখা গৈছে যে ঠিকাদাৰে মেৰা-মতি কাম কৰি থকা সময়তে যোৱা ২৪/৬/৯৭ ইং তাৰিখে ৰাতি কোনো দুস্কৃতিকাৰীয়ে তিনিমিটাৰ দৈৰ্ঘ্যৰ ইটাৰ দুই ফালৰ দেৱাল ভাঙি পেলায় আৰু আন এঠাইত সাম্প্ৰতিক বানপানীৰ ফলত যোৱা ১৪/৭/৯৭ ইং তাৰিখে সোঁফালৰ পৰা দেৱালৰ প্ৰায় ২ মিটাৰ দৈৰ্ঘ্যৰ অংশ তলৰ মাটিখিনি খহাই নিয়াৰ ফলত ক্ষতি সাধন হয়।

এই ক্ষেত্ৰত কোনো বিভাগীয় বিষয়া দোষ-ক্ৰটীত জড়িত নহয় গতিকে শাস্তিৰ প্ৰশ্ন নুঠে।

* **শ্ৰীজ্যোতিষ দাস** ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক বিভাগীয় বিষয়া সকলে ভূল তথ্য প্ৰদান কৰিছে। মই উত্তৰটোত সন্তুষ্ট হ'ব পৰা নাই। মই জানিব বিচাৰিছো আচলতে এই ড্ৰেইনেজ মেৰামতি কৰিবলৈ যি জন ঠিকাদাৰক দিয়া হৈছিল প্ৰকৃততে তেওঁ কৰিছে নে নাই আৰু এই আঁচনিৰ কামৰ কাৰণে চাৰিজনীয়া এটা কমিটি কৰি দিয়া হৈছিল সেই কমিটিয়ে কিবা জনালে নেকি?

* **শ্ৰীআব্দুল মুহিব মজুমদাৰ** (জলসিঞ্চন মন্ত্ৰী) ঃ বানপানীত নষ্ট হোৱা আঁচনিৰ কাম মেৰামতি কৰিবলৈ জলসিঞ্চন বিভাগৰ ক্ষেত্ৰত এটা কমিটি কৰি দিয়া হৈছে। কাম খিনি চোৱাচিতা কৰিবলৈ বিধায়ক ডাঙৰীয়াৰ সভাপতিত্বত চাৰিজনীয়া কমিটি এটা কৰি দিয়া হৈছে। সেই কমিটিৰ কাম হ'ল তদাৰকি কৰা। এই কমিটিৰ ৰিৰ্পোট পোৱাৰ পিছতহে ঠিকাদাৰৰ পেমেন্ট কৰা হ্ব।

* **শ্ৰীজ্যোতিষ দাস** ঃ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো প্ৰকৃত ঠিকাদাৰ জনে কাম

কৰিছে নে আন কোনো চাব ঠিকাদাৰক কামখিনি দিছে? ঘৰতে অলপ চিমেন্ট মাৰি বস্তাত ভৰাই আনি লেপ দিছে আঁচনিৰ পূব চাইডৰ ফালে। তিম্ভ কোনো কথাই কমিটিখনক অৱগত কৰা হোৱা নাই। সেইকাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে হৈ বিষয়ত তদন্ত কৰি যাৱতীয় ব্যৱস্থা কৰিব নে? কিয়নো ৰাইজৰ অভিযোগ পাইছো যে তাত প্লাৱিত হোৱা নাছিলল। বানপানী হোৱা নাছিল। বিষয়টো তদন্ত কৰি ডিভিজনৰ এই বিষয়াসকলৰ ওপৰত ব্যৱস্থা কৰিবনে?

**শ্ৰীআব্দুল মুহিব মজুমদাৰ** (জলসিঞ্চন মন্ত্ৰী) ঃ মাননীয় বিধায়ক গৰাকীয়ে কৈছে যেতিয়া নিশ্চয় বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ অধ্যক্ষ মহোদয়, এনেকুৱা কমিটিৰ দায়িত্ব কি মন্ত্ৰী মহোদয়ে জনাবনে? বিধায়কক চেয়ামেন আৰু চাৰিজনীয়া কমিটি কৰি দিয়া হৈছে কিন্তু পাৱাৰ আৰু ফাংশ্বন কি কি মন্ত্ৰী মহোদয়ে অলপ ব্যাখ্যা কৰিব লাগে। এফ-ডি-আৰৰ টকা কাচাৰ জিলাতে আটাইতকৈ বেছি দিয়া হৈছে অথচ ধেমাজি ঢকুৱাখনা বানপীড়িত অঞ্চল বুলি জনাজাত যদিও মাত্ৰ সাত লাখকৈ হে টকা দিয়া হৈছে অথচ বৰাক ভেলীত বেছিৰ ভাল এফ-ডি-আৰৰ টকা দিয়া হৈছে। এইটো সমপৰিমাণে কিয় বিতৰণ কৰা হোৱা নাই জনাবনে?

* **শ্ৰীআব্দুল মুহিব মজুমদাৰ** (জলসিঞ্চন মন্ত্ৰী) ঃ ছাৰ, টকা বিতৰণ কৰাৰ কাৰণে কিছুমান নীতি আছে। সেই হিচাবে কৰা হৈছে। এই বছৰ টকা পালে আগৰ যি বিলাকত বেছি দিয়া হৈছিল সেই বিলাকত কম দি আন ঠাইত বেছি দিয়া হব। আৰু মাননীয় সদস্য গৰাকীয়ে কোৱামতে আমি গঠন কৰি গিয়া কমিটিৰ কাম এডমিনিষ্ট্ৰেটিভ ধৰণৰ। বহুত সময়ত ঠিকাদাৰ বিলাকে কাম নকৰে বুলি আপত্তি পোৱা যায় সেই কাৰণে কমিটি কৰি দিয়া হৈছে স্থানীয় বিধায়কক চেয়াম্যান হিচাবে। এই এডভাইচৰি কমিটিয়ে এডমিনিষ্ট্ৰেটিভ মেজাৰ ল'ব আৰু কমিটিৰ ৰিপোৰ্ট মতে কাম হৈছে নে নাই বুজি লৈহে পেমেন্ট আদি কৰা হব।

**Mr. Speaker** : Now Question No. 8. Hon'ble Member Shri Hemendra Nath Brahma is the Questioner. Hon'ble Minister Higher Education is to reply.

**বিষয় ঃ বিশ্ববিদ্যালয় চৌহদ।**

**শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্মাই** সুধিছে ঃ

* ৮। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

কৰা গুৱাহাটী বিশ্ববিদ্যালয় কেমপাছ্ নিৰ্ম্মাণ কৰাৰ বাবে কিমান ধন আৱন্টন কৰা হৈছে জনাবনে?

(খ) উক্ত আৱন্টিত ধন বৰ্ত্তমানলৈ কিমান মোকলাই দিয়া হ'ল জনাবনে?

(গ) কেমপাছৰ নিৰ্ম্মাণ কেতিয়াৰ পৰা আৰম্ভ কৰিব আৰু কেতিয়ালৈ সম্পূৰ্ণ কৰিব জনাবনে?

**শ্ৰীথানেশ্বৰ বড়ো** (উচ্চ শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ২৫.০০/- (পশিচ লাখ) টকা।

(খ) উক্ত ধন ইতিমধ্যে B(2)H 277/97/3, dtd. 23/07/97, বিভাগীয় পত্ৰ যোগে মঞ্জুৰী দিয়া হৈছে আৰু উক্ত ধনৰ F.O.C. ৰ বাবে পৰিকল্পনা ও বিত্ত বিভাগৰ অনুমোদনৰ বাবে নথি প্ৰেৰণ কৰা হৈছে।

(গ) পৰিকল্পনা আৰু বিত্ত বিভাগৰ অনুমোদন পোৱাৰ পিছত পৰ্য্যায়ক্ৰমে বিশ্ববিদ্যাল কেমপাছৰ নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ কৰা হ'ব।

* **শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্ম** ঃ অধ্যক্ষ মহোদয়, মই উচ্চ শিক্ষামন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যোৱা ১৬ জুলাই তাৰিখে মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু উচ্চ শিক্ষা মন্ত্ৰী মহোদয়ে কেন্দ্ৰীয় বিশ্ব বিদ্যালয়ৰ কেম্পাছ উদ্বোধন কৰিবলৈ গৈছিল। এতিয়া কথা হ'ল ১৯৮৭ চনৰ পৰা কেন্দ্ৰীয় বিশ্ববিদ্যালয় এখন উত্তৰ পাৰত স্থাপন কৰাৰ কাৰণে দাবী উত্থাপন হৈ আহিছিল। কিন্তু সেই দাবীৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে কোনো সঁহাৰি দিয়া নাই। বিশ্ববিদ্যালয় কেম্পাছৰ কাৰণে।

**মাননীয় অধ্যক্ষ** ঃ পোনপটীয়া প্ৰশ্ন কৰক।

* **শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্ম** ঃ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপনৰ ইমান দাবী স্বত্বেও কিয় কেন্দ্ৰীয় বিশ্ববিদ্যালয় উত্তৰ পাৰত স্থাপন কৰা নহ'ল। তেজপুৰ আৰু বৰাক ভেলীত দিয়া হ'ল কিন্তু উত্তৰ পাৰত কোনো উপযুক্ত ঠাই নাপালে নেকি মন্ত্ৰী মহোদয়ে জনাবনে?

* **শ্ৰীথানেশ্বৰ বড়ো** (উচ্চ শিক্ষা মন্ত্ৰী) ঃ মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত কব বিচাৰিছো যে অসমত যিহেতু দুখন কেন্দ্ৰীয় বিশ্ববিদ্যাল স্থাপন কৰাৰ কথা আছিল সেই কাৰণে তেজপুৰ আৰু শিলচৰত পতা হ'ল। অসমৰ পশ্চিম অংশত যিহেতু কোনো উচ্চ শিক্ষাৰ সুবিধা নাছিল সেই কাৰণে বিশ্ববিদ্যালয় কেম্পাছ খোলাৰ সিদ্ধান্ত লোৱা হৈছে আৰু সেই হিচাবে কেম্পাছ আৰম্ভ কৰা হৈছে আৰু শ্ৰেণীসমূহ এই চনৰ পৰা আৰম্ভ কৰা হ'ব।

---

* Speech not corrected

(Starred Question Nos 9 to 20 could not be taken up for disposal as the Question hour was over. However, the replies of the said Questions deemed to have been laid on the Table of the House)

বিষয় ঃ উগ্রপন্থী সংগঠন।

**মোস্তাফা শ্বহিদুল ইছলামে সুধিছে ঃ**

*৯। মাননীয় মুখ্য মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান চৰকাৰৰ দিনত কোন কোন উগ্ৰপন্থী সংগঠনসমূহে সন্ত্ৰাসৰ কাৰ্য্যকলাপ চলাইছে জনাবনে?

(খ) বৰ্ত্তমানলৈকে কিমান উগ্ৰপন্থী চৰকাৰে কৰায়ত্ব কৰিছে নাম সহ জনাবনে?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সন্ত্ৰাসৰ কাৰ্য্যকলাপ চলাই থকা উগ্ৰপন্থী সংগঠনসমূহ হ'ল — আলফা (ULFA), এন,ডি,এফ,বি (NDFB), বি,এল,টি,এফ (BLTF), এন,এচ,চি,এন (NSCN), ডি,এইচ,ডি (DHD) আৰু কে,এন,ভি (KNV)

(খ) ১০৫৬ জন।

**Re.: Pension of School Teachers.**

**Shri Sukhendu Shekar Dutta** asked :

*** 10.** Will the Minister of Secondary and Elementary Education be pleased to State :

(a) The reasons behind unusual delay in regularising pension of retired School Teachers?

(b) Do the Government have any scheme to regularise the payment of pension immediately after the day retirement?

(c) If yes, when it will be introduced?

(d) If not, why not?

**Sri Jatin Mali** (Minister (Secondary and Elementary) Education) replied :

(a) The reasons are :

(i) Most of the Service Books enclosed with the Pension papers

are not found to be properly maintained. The Directorate is to send back such Service books to the concerning D.I., D.E.E.O., I.S. for necessary correction etc.

(ii) On examining the pensions papers it is observed that most of them are found without required documents and informations.

(iii) Lack of awareness amongst the pensioners about timely submission of the pension papers to the concerning authority.

(b) The Govt. are taking steps to expedite dispose of the pension cases.

(c) The steps are

(d) (i) A detail survey throughout the State to find out the position as to how many pensioners are there without getting their pension.

(ii) Checking of the Service Books to ensure quick disposal of the pension cases.

(iii) Organising an awareness campaigns amongst the pensioners so that they can submit their pension papers correctly in time.

(iv) The Govt. will also organise an in-service training amongst the Staff as how to dispose the pension cases in time.

**বিষয় ঃ নলনা জলসিঞ্চন আঁচনি।**

**শ্ৰীমোহন দাসে সুধিছে ঃ**

* ১১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৬-৮৭ চনতেই কাম আৰম্ভ কৰা নলনা জলসিঞ্চন আচঁনিৰ কাম বৰ্ত্তমানে বন্ধ হৈ থকা সম্পৰ্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে কি কাৰণত নলনা জলসিঞ্চন আচঁনিৰ কাম বন্ধ হৈ আছে চৰকাৰে জনাবনে?

(গ) নলনা জলসিঞ্চন আঁচনিখন সম্পূৰ্ণ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে আৰু কেতিয়াকৈ এই আচঁনিখন সম্পূৰ্ণ কৰিব পৰা হ'ব জনাবনে?

শ্ৰীআব্দুল মুহিব মজুমদাৰ (জলসিঞ্চন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) বিত্তীয় আৱন্টনৰ অভাৱৰ পৰিপ্ৰেক্ষিতত আৰু ঠিকাদাৰৰ হেমাহিৰ বাবে কাম বন্ধ হৈ আছে।

(গ) ঠিকাদাৰৰ হেমাহিৰ বিপক্ষে ব্যৱস্থা হাতত লোৱাহৈ আছে আৰু প্ৰয়োজনীয় বিত্তীয় আৱন্টন সাপেক্ষে নৱম পঞ্চ বাৰ্ষিক পৰিকল্পনাত সম্পূৰ্ণ কৰিব পৰা যাব বুলি আশা কৰা হৈছে।

**Re.: Security Measures for Protecting Govt. of Officers.**

**Shri Silvius Condpan** asked :

*** 12.** Will the Chief Minister be pleased to State :

(a) What Security measure has been made for protecting Government Officers from extortion of public money from Government Officer?

What precautionary measure has been taken?

(b) Whether the Chief Minister is aware of the fact that in Udalguri Sub-Division area a gang of Youths are systematically carrying on their dacoity, Robbery followed by rape of Young Women and Girls. Whether security measures has been intensified in the Sub-Division for this propose?

**Shri Prafulla Kumar Mahanta** (Chief Minister) replied :

(a) Yes, steps have already been taken in this regard.

(b) Government is aware of the matter and steps are taken to curd such activities. But no rape has taken place during the last two months.

**বিষয় ঃ বৃহৎ জলসিঞ্চন আঁচনি।**

**শ্ৰীৰচিদুল হকে সুধিছে ঃ**

*** ১৩।** মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত থকা বৃহৎ (মেজৰ) জলসিঞ্চন আঁচনিৰ নামবোৰ জনাবনে?

(খ) উক্ত আচঁনিবোৰৰ নিৰ্মাণ কাৰ্য্য বৰ্ত্তমান কি পৰ্য্যায়ত আছে?

**শ্ৰীআব্দুল মুহিব মজুমদাৰ** (জলসিঞ্চন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৃহৎ জলসিঞ্চন আঁচনিৰ নামবোৰ যথাক্ৰমে ঃ

১। যমুনা জলসিঞ্চন প্ৰকল্প।

২। শুক্লা জলসিঞ্চন প্ৰকল্প।

৩। ধনশিৰী জলসিঞ্চন প্ৰকল্প।

৪। চম্পাৱতী জলসিঞ্চন প্ৰকল্প।

৫। বৰডিকৰাই জলসিঞ্চন প্ৰকল্প।

৬। কলং নদীৰ সংযুক্ত জলসিঞ্চন প্ৰকল্প।

(খ) উক্ত প্ৰকল্পসমূহৰ ভিতৰত ১। যমুনা জলসিঞ্চন প্ৰকল্প আৰু ২। শুক্লা জলসিঞ্চন প্ৰকল্প দুটা সম্পূৰ্ণ হোৱা প্ৰকল্প। বাকী প্ৰকল্পসমূহৰ নিৰ্ম্মাণ কাৰ্য্যৰ অগ্ৰগতি যথাক্ৰমে ধনশিৰী ৭৫ শতাংশ, চম্পাৱতী ৫০ শতাংশ, বৰডিকৰাই ৯৯ শতাংশ আৰু কলং নদীৰ সংযুক্ত জলসিঞ্চন প্ৰকল্প ৬০ শতাংশ।

**বিষয় ঃ জলসিঞ্চন আঁচনি সম্পূৰ্ণ আৰু কাৰ্য্যক্ৰম।**

**শ্ৰীমোহিনী বসুমতাৰীয়ে** সুধিছে ঃ

* ১৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বিজনী জলসিঞ্চন বিভাগৰ অধীনৰ গেলাপাৰা, বেংতল, দৈচুংগুৰি আৰু গাৰগাওঁ জলসিঞ্চন আচঁনিবোৰ কেতিয়াকৈ সমাপ্ত (সম্পূৰ্ণ) আৰু কাৰ্য্যক্ষম হ'ব, চৰকাৰে জনাবনে?

**শ্ৰীআব্দুল মুহিব মজুমদাৰ** (জলসিঞ্চন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

এই ৪ টা আচঁনিৰ কাম কৰিব পৰা অনুকুল পৰিবেশ আৰু নিয়মীয়া ধনৰ যোগানৰ ব্যৱস্থা হলেহে সম্পূৰ্ণ কৰিব পৰা যাব।

**বিষয় ঃ উদ্যোগ কাৰ্য্যক্ষম।**

**শ্ৰীসুধাংশু কুমাৰ দে চিৰকাৰে** সুধিছে ঃ

* ১৫। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ অন্তৰ্গত বিভিন্ন উদ্যোগসমূহ বন্ধ হোৱা উপক্ৰম হৈছে এই বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, বন্ধ হবলৈ ধৰা উদ্যোগসমূহ কাৰ্য্যক্ষম কৰিবলৈ চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে?

**[illegible]** (উদ্যোগ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

* Speech not corrected

(ক) বনজ সম্পদৰ ওপৰত নিৰ্ভশীল উদ্যোগ সমূহ বন্ধ হোৱা সম্পৰ্কত জ্ঞাত।

(খ) বন্ধ হোৱাৰ উপক্ৰম হোৱা উদ্যোগসমূহক পুনৰউজীৱিত কৰিবলৈ উদ্যোগ সমূহক ভিন্ন আঁচনি গ্ৰহন কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হৈছে। এই ক্ষেত্ৰত দুই এটা গোটে সহাখি জনালেওঁ উচ্চতম ন্যায়লয়ৰ চুড়ান্ত ৰায়ৰ বাবে বাকী উদ্যোগসমূহে অপেক্ষা কৰা পৰিলক্ষিত হৈছে।

**Re. : Salaries of stipendiary teachers.**

**Shri Bimalangshu Roy** asked :

*** 16.** Will the Minister of Secondary & Elementary Education be pleased to state :

(a) Is it a fact that stipendiary teachers are not getting their salaries for last five months?

(b) If so, what action the Government has taken for payment and when they are expected to get it?

**Shri Jatin Mali** (Minister of Education (Elementary & Secondary) replied :

a & b. It is partially true. Only a small number of teachers who have been appointed in excess of posts and whose cases are still under enquiry are not getting salary. For other Govt. have taken steps to expedite retention of posts to ensure salary in time.

**বিষয় ঃ ধুবুৰী চাৰ্কিট হাউচৰ কম।**

**শ্ৰীআলি আকবৰ মিঞাই** সুধিছে ঃ

* ১৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী চাৰ্কিট হাউচৰ বিভিন্ন শিতানৰ খৰছ আদিৰ বাবে যোৱা ১৯৯৩-৯৪ ৰ পৰা ১৯৯৬-৯৭ ইং লৈ কিমান টকাৰ মঞ্জুৰীৰ আগবঢ়োৱা হৈছে (বছৰ হিচাবে হিচাব দেখাব) আৰু এই মঞ্জুৰীৰ টকা কোন কোন শিতানত কেনেকৈ খৰছ কৰা হৈছে জনাব নে?

(খ) চাৰ্কিট হাউচত VIP সকলক কি কি নিয়মৰ ভিত্তিত ৰুমত থাকিবলৈ দিয়া হয়? মন্ত্ৰী / বিধায়ক / সাংসদ সদস্যক বঞ্চিত কৰি বিষয়া / কৰ্মচাৰীক VIP ৰুমত থাকিবলৈ দিয়া নিয়ম আছে নে?

(গ) মন্ত্ৰী / বিধায়ক / সাংসদ সদস্য আৰু চৰকাৰী উচ্চ পৰ্য্যায়ৰ ৰাজ্যিক বিষয়া চাৰ্কিট হাউচলৈ গলে VIP ৰূমত থকাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ কোনে পাব?

(ঘ) যোৱা ২৫/৭/৯৭ ইং তাৰিখে কেনেকৈ এজন বিধায়কক বঞ্চিত কৰি ধুবুৰী চাৰ্কিট হাউচৰ VIP ৰূমত জিলা পৰ্য্যায়ৰ বিষয়া এজনক থাকিবলৈ দিয়াতো সচাঁনে আৰু যদি সচাঁ উক্ত ঘটনাৰ তদন্ত কৰি প্ৰতিবেদন দাখিল কৰিবনে?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** (মুখ্য মন্ত্ৰী) উত্তৰ দিছে ঃ

(ক) ধুবুৰী চাৰ্কিট হাউচৰ '২০৭০ অন্যান্য প্ৰশাসনীয় সেৱাসমূহৰ শিতানৰ' অন্তভুক্ত খৰছ আদিৰ বাবে যোৱা ১৯৯৩-৯৪ ইং ৰ পৰা ১৯৯৬-৯৭ ইং লৈ যিমান টকাৰ মঞ্জুৰী আগবঢ়োৱা হৈছে (বছৰ হিচাবে) আৰু সেই মঞ্জুৰীৰ টকা কোন কোন শিতানত কেনেকৈ খৰছ কৰা হ'ল তাৰ বিস্তাৰিত বিৱৰণ তলত উল্লেখ কৰা হ'ল ঃ

| বছৰ | মঞ্জুৰীকৃত টকাৰ পৰিমাণ | খৰচৰ পৰিমাণ ভাৰা আৰু কৰ কাটল | বিজুলী সংক্ৰান্ত | দূৰ ভাষ | সা-সজুলী আৰু যোগান |
|---|---|---|---|---|---|
| ১৯৯৩-৯৪ | ৭৭,৬৪২.০০ | ৮,১৮৫.০০ | ১৭,৮৬৬.০০ | ২৪,৭২৬.০০ | ২৬,২৭৭.৮৪ |
| ১৯৯৪-৯৫ | ১,২৯,০০০.০০ | নাই | ২৬,৫৯২.০০ | ১১,০৯৩.০০ | ৮৫,০৪৮.১৫ |
| ১৯৯৫-৯৬ | ১,৩৮,০০০.০০ | ঐ | ৯,০৮৬.০০ | ৮,৮৮৮.০০ | ১,১৯,৯৪০.০০ |
| ১৯৯৬-৯৭ | ৬৫,০০০.০০ | ঐ | ২,৩৬৬.০০ | ৪,০৬০.০০ | ৫৮,৫০৮.০০ |

ওপৰত উল্লেখিত ভিতৰত ৯৯,৯৮৪.৯৫ টকা ৰাজহ পুজি শিতানত (Revenue Deposit) জমা ৰখা হৈছে। উক্ত টকা এতিয়ালৈকে মুকলি কৰি দিয়া হোৱা নাই।

(ক) ১৯৭৬ চনৰ আৱৰ্ত্ত ভৱনত থকাৰ নিয়মানুসৰি মন্ত্ৰী / বিধায়ক / সংসদ সদস্য আৰু বিষয়া কৰ্ম্মচাৰীক আৱৰ্ত্ত ভৱনত থাকিবলৈ দিয়া হয়। ইয়াৰ বাহিৰে ভি, আই, পি সকলক আৱন্টন দিয়াৰ বাবে অন্য কোনো বেলেগ নিয়ম (Rule) নাই।

(খ) ১৯৭৬ চনৰ আৱৰ্ত্ত ভৱনত থকাৰ ৫(১) ধাৰাৰ অনুবদ্ধ '১' সুচী অনুসৰি অগ্ৰাধিকাৰ ভিত্তিত মন্ত্ৰী / বিধায়ক / সংসদ সদস্য আৰু চৰকাৰী উচ্চ পৰ্য্যায়ৰ ৰাজ্যিক বিষয়াক আৱৰ্ত্ত ভৱনত থকাৰ ব্যৱস্থা কৰা হয়।

(গ) এইটো সচাঁ নহয়।

**Re.: Declaration of the result by S.E.B.A.**

* **18.** Will the Minister of Secondary and Elementary Education be pleased to state :

(a) How many regular students could pass in Higher Secondary Education last year and what is the percentage of pass?

(b) Whether it is fact there was so many anomalies in declaration of the result by S.E.B.A. in the last year and what is the reason for such irregularities?

**Sri Jatin Mali** (Minister of Secondary and Elementary Education) replied :

(a) 52,934 regular students could pass H.S.S.L.C. Examination. The percentage of pass is 61.55.

(b) Yes, anomalies in declaration of the result by S.E.B.A. has come to the notice of Govt. A Committee has been constituted to investigate and study the reason leading to anomalies in declaration of result by S.E.B.A.

**বিষয় ঃ গৌৰীপুৰ ব্লকৰ B.E.E.O. কাৰ্য্যালয়।**

**শ্ৰীনাজিবুল উমৰে** সুধিছে ঃ

* ১৯। মাননীয় শিক্ষা (প্ৰাথমিক) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ চৰকাৰে জনাবনে কি কাৰণৰ ওপৰত ভিত্তি কৰি B.E.E.O. অফিচখন গৌৰীপুৰত স্থাপিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ল।

**শ্ৰীযতীন মালী** (শিক্ষা (প্ৰাথমিক আৰু মাধ্যমিক) মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ


"Dilapidated condition of No. 52 National High Way from Baihata Chariali to Jonai and No. 52 National High Way from Sotia to Narayanpur."

Now Hon'ble Member Shri Dilip Kumar Saikia to move.

**শ্ৰীদিলীপ কুমাৰ শইকীয়া :** মাননীয় অধ্যক্ষ মহোদয়, আজি এটা বিষয়ৰ ওপৰত মই মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। অসমৰ ৰাষ্ট্ৰীয় ঘাই পথ ৫২ নম্বৰৰ বাইহাটা চাৰিআলিৰ পৰা জোনাইলৈকে এই সুদীৰ্ঘ পথছোৱাৰ অৱস্থা অতি শোচনীয়। ইমান বেছি শোচনীয় যে সৰু ডাঙৰ সকলোধৰণৰ যানবাহন যোৱাৰ সমস্যা হৈছে। পথছোৱাৰে অহা-যোৱা কৰিব নোৱাৰি। বিশ্বনাথ চাৰিআলিৰ পৰা নাৰায়ণপুৰলৈকে যি অৱস্থা হৈছে বাস্তৱতে এই ৰাস্তাৰ ওপৰেদি যাত্ৰ নকৰা লোকে এইটো অনুভৱ কৰিব নোৱাৰিব। গতিকে অধ্যক্ষ মহোদয়, এটা কথা চিন্তা কৰিব লাগিব। অথাৎ আমাৰ ৰাইজে আমাৰ গাড়ী বিলাকৰ কাৰণে ৰোডটেক্স দি আছো কিন্তু তাৰ পিচতো ৰাস্তাবোৰ মেৰামতি নকৰা কাৰণে ৰাস্তাৰ অৱস্থা দিনক দিনে বেয়া হৈ গৈ আছে। মেৰামতি কৰিলেও যি ধৰণে কৰিব লাগে সেই ধৰণে নকৰাৰ কাৰণে ৰাস্তাৰ অৱস্থা শোচনীয় হৈয়েই আছে। আমাৰ ধেমাজি জিলাখনক অসম চৰকাৰে মাহীআইৰ চকুৰে চাই আছে। কেন্দ্ৰীয় চৰকাৰে যিদৰে অসমক শোষণ কৰিছে বুলি আমি সকলোৱে প্ৰতিবাদ আদি সাব্যস্ত কৰিবলৈ যাওঁ ঠিক তেনেদৰে অসম চৰকাৰেও ধেমাজি জিলাখনক মাহীআইৰ দৃষ্টিৰে চাই আছে বুলি মই প্ৰতিবাদ সাব্যস্ত কৰিছো। অসম চৰকাৰে ধেমাজিক ভেঙ্গাৰ জিলা কৰিয়েই ৰাখিলে। জিলা হ'ল ঠিকেই কিন্তু জিলাৰ কাৰণে যিবিলাক কাম কৰিব লাগে সেইবিলাক কৰা হলে নাই। ধেমাজি ৰোড ডিভিজনত এতিয়া এচ,ডি,অ' নাই অথচ জুনিয়ৰ ইঞ্জিনীয়াৰ এজনক চাৰ্জ দি এচ,ডি,অ' কৰি

থৈছে। ঘিলামৰা ডিভিজনতো ইঞ্জিনীয়াৰ নাই। তাত এজনক দিছে কিন্তু ধেমাজি বুলিয়েই তালৈ গৈ যোগদান কৰা নাই। সেই কাৰণে মই চৰকাৰৰ ওচৰত এটা কথা জনাব খুজিছো যে যাতায়াতৰ সুবিধাৰ কাৰণে এই ৰাস্তা-ঘাট বিলাক সোনকালে মেৰামতি কৰিবলৈ ব্যৱস্থা কৰিব লাগে। আজি গাৱঁৰ ডেকা ল'ৰাবিলাক লগ হৈ ক্লাব আদি কৰি গড়কাপ্তানী বিভাগৰ ৰাস্তাবিলাকৰ ওপৰত বাঁহৰ দলং দি বা নাওঁৰ ব্যৱস্থা কৰি পাৰাপাৰৰ কাৰণে ৰাইজৰ পৰা প্ৰতিজনৰ পৰা পাঁচ টকা আদায় কৰি আছে। চিচিটঙানৰ পৰা ধেমাজি টাউনলৈ তেৰটা ঘাট আছে। এই তেৰ ঠাইত হয় দলং নহয় নাওঁৰ ব্যৱস্থা কৰি প্ৰতিটো ঘাটতে পাঁচ টকাকৈ লৈ থকাৰ ব্যৱস্থা কৰিছে। গতিকে মই মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ৰ এইবিলাক সমস্যা সমাধান কৰি বিহিত ব্যৱস্থা লবলৈ অনুৰোধ জনালো। আমি দেখিছো যে কেন্দ্ৰীয় চৰকাৰৰ ইয়েৰ ওৱাইজ এল'কেশ্বনৰ বিপৰীতে ৰাজ্য চৰকাৰৰ ফাইনেন্স ডিপাৰ্টমেণ্টে যিখিনি ধন মুকলি কৰি দিয়ে সেই মতে দেখা যায় ১৯৯২-৯৩ চনত ঃ year wise allocation of Central Government fund in the Ministry of Surface Transport under 504 NH original works.

| **A. Allocation of fund** | | **Fund released** |
|---|---|---|
| 1994-95 | 1485 | 1185 |
| 1995-96 | 1650 | 899 |
| 1996-97 | 1312.72 | 1312.72 |
| **B. NH repairing** | | |
| 1992-93 | 1039 | 360.85 |
| 1993-94 | 1335.22 | 9844 |
| 1994-95 | 1673 | 276 |
| 1995-96 | 1443 | 465.18 |
| 1996-97 | 1000 | 1000 |

এই টকা বিলাকৰ দ্বাৰা ৰাস্তাৰ কাম নকৰি ডাইভাৰ্ট কৰি দৰমহা দিয়াৰ কামত খৰচ কৰা হৈছিল আৰু তাৰ পিচত যি ইউটিলাজেশ্বন চাৰ্টিফিকেট দিব লাগে সেইটো আমি জনাত এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰা নাই। ফলত কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা দিয়া নাই। এই টকাবিলাক কেনেকৈ খৰচ হৈছে তাৰ বিতং তথ্য সদনত আমাক জনাব লাগে। কিয়নো

ইয়াত বহুত খেলিমেলি আছে। বহু টকা খৰচ দেখুৱাইছে কিন্তু ৰাস্তা হোৱা নাই। চতিয়াৰ পৰা যিচোৱা পথ আমাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ সমষ্টি, তাত গাড়ীত উঠি যোৱা যাত্ৰীয়ে যি বেয়া গালি পাৰে শুনি কানত কপাহ বা তুলা গুজিবলগীয়া অৱস্থা হয়গৈ। অহা যোৱা কৰা গাড়ীবিলাক এবাৰ অহা যোৱাৰ পিচতে দহ পোন্ধৰ হেজাৰ টকাৰ খৰচ কৰি মেৰামতি কৰিবলগীয়া হয়। আৰু যাত্ৰা কৰা লোকজনেও ডাক্তৰৰ ওচৰলৈ গৈ ইনজেকশ্বন লবলগীয়া হয়। এইটো পবিত্ৰ সদনত কৈছো এশভাগেই সত্য কথা।

আজি গাই নদীৰ বান্ধ দিবলৈ পঞ্চাশ টকা খৰচ কৰা হৈছে। মই চীফ ইঞ্জিনীয়াৰ আৰু কমিচনাৰক মাতি আনি কৈছিলো যে গাই নদী তেনেকৈ ৰাখিব নোৱাৰে।

এইটো সত্য কথা। ১০০ ভাগেই সত্য। আজি গাই নদীত ৫০ লাখ টকা খৰচ কৰিছে। গাই নদীখন বাৰিষা ভেটিব পাৰে নেকি কোনোবাই? ইয়াক বাধা দিয়াৰ ক্ষমতা নাই কাৰো। গাই নদীক টাপলি মাৰি ৰাখিব নোৱাৰে। বাৰিষা দিনত মাত্ৰ বস্তা আৰু বাঁহেৰে ভেটা দি ৰাখিব নোৱাৰে। এনে ক্ষেত্ৰত ৫০ লাখ টকা এই বিভাগে খৰচ কৰিছে। অযথা এই টকা খৰচ হ'ল। মাত্ৰ বাঁহ আৰু বস্তাৰ মেৰামতিৰে গাই নদীৰ জোৰা টাপলি মৰাৰ নামত ৫০ লাখ টকা খৰচ দেখুৱাইছে।

অধ্যক্ষ মহোদয়, আজি বস্তুৰ দাম দিনক দিনে উৰ্দ্ধমুখী হৈছে। গুৱাহাটীত আলুৰ দাম ৮ টকা হৈছে। তাৰ বিপৰীতে চিলাপথাৰ, জুনাই, ধেমাজিত আলুৰ দাম ২০ টকা হ'ব। কিয়নো এখন গাড়ীৰে বস্তু কঢ়িয়ালে এক হেজাৰ টকা লাগে। বিশেষকৈ অৰুণাচলৰ মানুহ দেখিলে দাম আৰু বেছি কৰে। ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথত যোৱা ১৪ তাৰিখ বোমাত দলং উৰাই দিয়া হ'ল। আজি আমি এই বিধানসভাতে সকলো কথা কব লাগিব। য়িহেতু আমাক ৰাইজে বিধানসভালৈ নিৰ্বাচিত কৰি পঠিয়াইছে। গতিকে ৰাইজৰ সমস্যাবিলাক আমি ইয়াতেই নকৈ ক'ত কম? এইবিলাক কথা কবলৈ আমাৰ ক'ত ঠাই আছে? বাতৰি কাকতৰ যোগেদিটো এই সমস্যাবিলাকৰ কথা আমি কব নোৱাৰিম। বিধানসভাতেই কব লাগিব।

অধ্যক্ষ মহোদয়, আজিলৈকে ধেমাজি জিলালৈ বিভাগীয় কোনো বৰমূৰীয়া বিষয়া যোৱা নাই, ভিজিত দিবলৈ। এতিয়ালৈকে তেওঁলোক ধেমাজি পাৰ হোৱা নাই। চীফ ইঞ্জিনীয়াৰ, কমিচনাৰ, চেক্ৰেটাৰীসকল ফেন্নৰ তলত বহি থাকিলে নহয়। পেকটিকেলী তেওঁলোকে ভ্ৰমণ কৰিব লাগে। আজি

পি,ডব্লিউ,ডি বিভাগৰ এজন এচ,ডি,অ'য়ে ধেমাজি জিলাখনৰ তদাৰক কৰিব লাগে। অসমত কিমান ইঞ্জিনিয়াৰ আছে তেনে স্থলত এজন জুনিয়ৰ ইঞ্জিনিয়াৰে এই বিভাগৰ চাৰ্জত আছে। ধেমাজিখন এখন ভেনচাৰ বুলি ভাবে নেকি? গতিকে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই এই বিষয়টো গুৰুত্ব সহকাৰে ল'ব বুলি মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিলো। আজি গাই নদীৰ নামত ৫০ লাখ টকা খৰচ কৰা হ'ল তাত চুপাৰৰেনটেনডেন্ট ইঞ্জিনিয়াৰে কমিচনাৰে এপ্ৰুভ কৰি দিছে আৰু সেইমতেই সেই টকা খৰচ কৰিছে। গতিকে গোটেই বিষয়টো তদন্ত হ'ব লাগে আৰু দুখী বিষয়াৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অৱশেষত ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথ বাইহাটা চাৰিআলিৰ পৰা জুনাইলৈকে ৰাষ্ট্ৰীয় ঘাই পথৰ ৰাস্তাৰ প্ৰতি গুৰুত্ব দিয়াৰ বাবে অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

* **শ্ৰীভৰত চন্দ্ৰ নৰহ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য দিলীপ শইকীয়াদেৱে যিখিনি কথা কৈছে সেইখিনি সম্পূৰ্ণ সত্য। গড়কাপ্তানী বিভাগৰ মন্ত্ৰী অতুল বৰা দেৱৰ প্ৰতি আমাৰ আগৰে পৰাই এটা বিশ্বাস আছে, আস্থা আছে তেখেতে ৰাস্তা-ঘাট ভাল কৰিব। তেখেত আগৰ অঃগঃপঃ চৰকাৰৰ দিনটো ৫ বছৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী আছিল। কিন্তু আজি এবছৰ ৩/৪ মাহ পাৰ হৈ গ'ল তেখেতৰ ওপৰত সেই বিশ্বাস আৰু আস্থা হেৰাই গৈছে। মই আজি ১১ বছৰ এম এল এ হৈছো। তিনিটা 'টাৰমত' জিকিছো। প্ৰতিমাহে গুৱাহাটীৰ পৰা আমি সমষ্টিলৈ যাব লাগে। এতিয়া বিশেষকৈ চতিয়া নাৰায়ণপুৰ ৰাষ্ট্ৰীয় ঘাই পথ অৰ্থাৎ ৫২ নং পথৰ ৰাস্তা ইমানেই বেয়া যে তাক ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। সেই ৰাস্তাইদি যদি কোনোবা যায় তেতিয়াহলে কোনেও নকয় যে এইটো এটা ৰাষ্ট্ৰীয় ঘাই পথ। চতিয়া, বিশ্বনাথ চাৰিআলি গহপুৰৰ ৰাস্তা অতি শোচনীয়। বিধান সভাৰ অধ্যক্ষ মহোদয়ৰ গহপুৰ সমষ্টিৰ ৰাস্তাডোখৰেই অতিকৈ বেয়া। ৰাতি 'নাইট চুপাৰট' নগৈ মাৰুতি গাড়ীতহে গলো। ৰাস্তাত প্ৰকাণ্ড প্ৰকাণ্ড গাত। গাত বিলাক কোনোবাই ইচ্ছাকৃত ভাৱেহে খাণ্ডি থোৱা যেন লাগে। আনকি ৰাস্তাত চাইদ দিবলৈও উপায় নাই, গাতেই গাত। ৰাষ্ট্ৰীয় ঘাই পথেদি নাৰায়ণপুৰলৈ যাব নোৱাৰি। সেই ৰাস্তাইদি এবাৰ গলে সেইখন গাড়ী পুনৰ মেৰামতি কৰিব লাগে। গোটেই অসমৰ ৰাষ্ট্ৰীয় ঘাই পথ বিলাকেই ইমান বেয়া যে তাক ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে আজি ১৩/১৪ মাহ ধৰি মন্ত্ৰী মহোদয়ে কি কৰি আছে যাৰ কাৰণে ৰাষ্ট্ৰীয় ঘাই পথ ইমান বেয়া হৈ আছে। মই মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে কি অসুবিধাৰ কাৰণে তেখেতে

কামখিনি কৰিব পৰা নাই। লেবাৰৰ অসুবিধাৰ নে ইঞ্জিনিয়াৰৰ অসুবিধাৰ কাৰণে কামখিনি কৰিব পৰা নাই। চতিয়াৰ পৰা নাৰায়ণপুৰলৈ আৰু ডিব্ৰুগড়ৰ লেতেকাপাৰাৰ পৰা তিনিচুকীয়ালৈ ৰাষ্ট্ৰীয় পথবোৰ বেয়া হৈছে। আজি আমি দেখিছো যে মন্ত্ৰী মহোদয়ৰ বিভাগৰ প্ৰতি আকৰ্ষণ নাই। আৰু তেখেতে 'কনচেটেচন' কৰিব পৰা নাই। তেখেতে যদি অন্য কিবা কাৰণে কৰিব পৰা নাই আমি নাজানো। 'নেচনেল হাইওৱেৰ' কাৰণে এন,ই,ইয়ে টকা দিয়ে। চতিয়াৰ পৰা নাৰায়ণপুৰলৈ আৰু ডিব্ৰুগড়ৰ লেতেকা পাৰাৰ পৰা তিনিচুকীয়ালৈ ৫২ নং আৰু ৩৭ নং ৰাষ্ট্ৰীয় পথ বিলাক কিমান দিনৰ ভিতৰত ঠিক কৰিব সেইটো আমাক কব লাগে আৰু প্ৰতিশ্ৰুতি দিব লাগে।

★ **শ্ৰীঅতুল বৰা** (গড়কাপ্তানী মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথৰ সম্পৰ্কত যিটো কথা কোৱা হৈছে বা আমাৰ মাননীয় সদস্য শ্ৰীদিলীপ কুমাৰ শইকীয়াই বাইহাটা চাৰিআলিৰ পৰা জোনাইলৈ ৰাষ্ট্ৰীয় ঘাই পথ চোৱাৰ সম্পৰ্কত যিটো কথা কৈছে আৰু কংগ্ৰেছ আই দলৰ বিধায়ক শ্ৰীভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই চতিয়া পৰা নাৰায়ণপুৰলৈ যোৱা ৰাষ্ট্ৰীয় ঘাই পথ আৰু অন্যান্য পথৰ ক্ষেত্ৰত যিবিলাক কথা কৈছে সেই সম্পৰ্কত মই কিছু কথা জনাবলৈ বিচাৰিছো। চতিয়াৰ পৰা নাৰায়ণপুৰলৈ ১০০ কিলোমিটাৰ হ'ব আৰু এই ১০০ কিলোমিটাৰ ৰাষ্টাৰ কাৰণে বছৰি বছৰি কৰিবলগীয়া পিৰিয়ডিকেল ৰিনিউৱেলৰ কাম অৰ্থৰ অভাৱত কৰিব পৰা নাছিল কাৰণেই পথচোৱাৰ ক্ষতি সাধন হয়। ৫২ নং এই ৰাষ্ট্ৰীয় ঘাই পথচোৱাৰ বৰ্ত্তমান উন্নতিকৰণৰ কাৰণে ৮৩, ৮৪ আৰু ১৪৯ কিলোমিটাৰত বা ইডিং, কুৱালিটিৰ প্ৰাক্কলন ভাৰত চৰকাৰলৈ প্ৰেৰণ হৈছে আৰু অনুমোদন সাপেক্ষে উন্নতিকৰণৰ কাম হাতত লোৱা হ'ব। ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথটো আগৰ পৰাই বেয়া। সেই পথটো ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ লগত তুলনা কৰিব নোৱাৰি। কাৰণ ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ লগত তুলনা কৰিব নোৱাৰি। কাৰণ ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথটো যেনেকৈ নিৰ্ম্মাণ কৰা হ'ল ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথটো তেনেকুৱাকৈ নিৰ্ম্মাণ কৰা নহ'ল। ভৱানীপুৰ, ৰাখালডুবি, সৰভোগ আদি ঠাইৰ ৰাষ্ট্ৰীয় ঘাই পথৰ অৱস্থা যথেষ্ট বেয়া আছিল। সেই পথচোৱাত কাম কৰিবলৈ দিয়া হ'ল আৰু কাম কৰা হ'ল। তাৰ পিছত মাননীয় শ্ৰম মন্ত্ৰী শ্ৰীফণীভূষণ চৌধুৰী, বিধায়ক শ্ৰীভূপেন ৰয় আৰু শ্ৰীহেমেন দাস ডাঙৰীয়াই মোক লগ ধৰি কলে যে সেই ৰাস্তাটোৰে ভালকৈ অহা-যোৱা কৰিব পৰা হৈছে। ডিব্ৰুগড়ৰ ৰাষ্টা বেয়া আছিল। ৰিপেয়াৰ কৰিবলৈ দিয়া হ'ল আৰু ৰিপেয়াৰিংৰ কামখিনিও কৰা হ'ল। তাৰ পিছত মাননীয় ৰাজ্যিক মন্ত্ৰী শ্ৰীভবেন বৰুৱা আৰু প্ৰাক্তন বিধায়ক কিৰণ গগৈয়ে কলে যে

* Speech not corrected

কামখিনি আগতকৈ ভাল হৈছে। সেয়েহে সেই কামবিলাক ভালকৈ কৰাৰ কাৰণে মই সন্তুষ্টি প্ৰকাশ কৰিছো। কিন্তু তাৰ পিছত যিখিনি কাম কৰিবলগীয়া আছে আৰু যিখিনি কাম কৰাৰ কাৰণে আমাৰ নটিচলৈ আহিছে সেইখিনি কাম আমি কৰিব পৰা নাই। কাৰণ নেচনেল হাইওৱেৰ কাৰণে এম,অ,এচ,টিয়ে কিছুমান প্লেন এণ্ড এষ্টিমেন্ট চেনচন দিব লাগিব। অসম চৰকাৰে নিজৰ ইচ্ছামতে সেই কামবিলাক কৰিব নোৱাৰে। সেই কামবিলাকৰ কাৰণে তেওঁলোকে এপ্ৰোভেল দিব লাগিব। এই ক্ষেত্ৰত তিনিটা কথা আছে -- ৰাইডিং, পিৰিয়ডিকেল আৰু ৰিপেয়াৰিং। এতিয়া পিৰিয়ডিকেল ৰিনিউৱেল বন্ধ হৈ আছে। ১৯৯৫-৯৬ চনত যিখিনি টকা দিছিল সেই টকাখিনি খৰচ কৰা নহ'ল। সেই টকাখিনি ১৯৯৭-৯৮ চনতহে খৰচ কৰা হ'ব। কিয়নো মাৰ্চ মাহত যিখিনি টকা খৰচ কৰা দেখুওৱা হয় কামখিনি কিন্তু অক্টোবৰ নৱেম্বৰ মাহতহে কৰা হয়। কাৰণ ব্লেক টপিংৰ কাম ফেব্ৰুৱাৰী মাহত আৰম্ভ কৰা হলেও সেই কাম ১ মাহৰ ভিতৰত শেষ কৰিব নোৱাৰি। ১৯৯৫-৯৬ চনৰ কাৰণে ১৬ কোটি মান টকা এলোকেচন পাইছিল কিন্তু ৪ কোটি ৪৩ লাখ মান টকাহে আগৰ চৰকাৰে খৰচ কৰিলে যাৰ কাৰণে প্ৰথম বছৰ কাম কৰাত অসুবিধা পাইছো। আনহাতে আগৰ চৰকাৰে বহুত টকাৰ ধাৰ এৰি থৈ গৈছে। আইন শৃঙ্খলা ৰক্ষাৰ কাৰণেও আমাৰ ফাইনেন্‌চিয়েল কণ্ডিচন বেয়া হৈছে। এতিয়া পুজিৰ কিছু সুবিধা কৰি দিছে আৰু সেই সুবিধাৰ কাৰণে কামবিলাক কৰিব পৰা যাব বুলি আমি আশা কৰিছো। আগৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰক এখন এপ্লিকেশ্বন চাৰ্টিফিকেট দিব লাগে কিন্তু দিয়া নাই। তেওঁলোকে সেই সময়ত কংগ্ৰেছ আই চৰকাৰ আছিল নে কোন চৰকাৰ আছিল সেইটো বুজি নাপায়। আৰু সেইটো শুনিবলৈও নিবিচাৰে। তেওঁলোকে কেৱল বুজি পায় ১৯৯৫-৯৬ চনত অসম গৰ্ভমেন্টে কাম কৰা নাই। সেই কাৰণেহে আমাৰ অসুবিধা হৈছে। কেবিনেট মিটিংতো সেই কথাটো উলিওৱা হৈছে। এতিয়া লাহে লাহে সেইবোৰ কথা ঠিক হৈ আহিছে। নেচনেল হাইওৱেৰ ক্ষেত্ৰত ফাইনেচিয়েল পজিচন যথেষ্ট অগ্ৰগতি হৈছে। বিটুপিন অৰ্ডাৰ দিয়া হৈছে, কিছু আহিও আছে। এতিয়া টকা যোগাৰ হৈছে। এতিয়া বিটু পিন দেখা পাব কিন্তু কাম দেখা নাপাব। বাৰিষাৰ পিচতহে কাম কৰিব পৰা যাব। ইয়াৰ উপৰিও চুপ্ৰিম কোৰ্টৰ বেণ্ড থকাৰ কাৰণে শিলগুটিৰ অভাৱতো কামৰ অসুবিধা হৈছে। কিয়নো ঠিকাদাৰে চুৰি কৰি শিলগুটি আনি কাম নকৰে। মিউনিচিপালিটি কৰ্পোৰেচনে আজি কেইবা বছৰো ধৰি বিটুপিন কিনা নাই। তেওঁলোকে ক'ৰ বিটুপিনেৰে কাম কৰিছে। সেই বিলা পি,ডব্লিউ,ডি ৰ ঠিকাদাৰৰ পৰা চুৰি কৰি নি কৰিছে। আজি কেইবা বছৰো ধৰি

গুৱাহাটী মিউনিচিপাল কৰ্পোৰেচনে ১ ড্ৰাম বিটুপিন কিনা নাই। ঠিকাদাৰে নিজে মেনেজ কৰিহে মনে মনে কাম বিলাক কৰি আছে। এতিয়া সেই লিকেজবিলাকো আমি মাৰিব খুজিছো। ১২৯ টা শিলৰ কুৰেৰীৰ বিশেষকৈ তিনচুকীয়া, ডিব্ৰুগড়ৰ ফালে এটাও খোলা নাই। সেয়েহে দূৰৰ পৰা শিলগুটি নি কাম কৰিবলগীয়া হলে অসুবিধা হ'ব। অন্য কিছুমান ঠাঁইত উগ্ৰপন্থীৰ জোৰ জবৰদস্তি কাৰ্য্য-কলাপ চলে, সেইটোও এটা সমস্যা আছে। আমি মাত্ৰ এটা বছৰহে চৰকাৰ চলাইছো। এতিয়া পুঁজিৰ ক্ষেত্ৰত কিছু উন্নতি হৈছে। শিলগুটি এভেইলেবুল হলে আমি কিছুমান কাম কৰিব পাৰিম। কিছুমান কাম এলট কৰা হৈছে আৰু কিছুমান কামৰ প্ৰাক্কলন কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা এপ্ৰোভেল আহিলেই কাম বিলাক কৰিব পৰা যাব। আনহাতে ৫ খন আৰ,চি,চি ব্ৰীজ ভাঙি পেলাইছে। কিন্তু তাৰ কাৰণে ব্যৱসায়ীয়ে বস্তুৰ দাম বঢ়াব নোৱাৰে। কিয়নো আমি সেই ক্ষেত্ৰত ইতিমধ্যে তৎকালীন ভাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছো।

১৪ তাৰিখৰ ৰাতি উগ্ৰপন্থীয়ে ৰাতি দলং ভাঙিছে। ১৫ আগষ্টৰ কোনো গুডচ্ ট্ৰাক অহা নাই। ১৫ তাৰিখৰ সমস্যা হৈছে ১৭ তাৰিখে খুলি দিয়া হৈছে। ৫ খন দলং বোমা দি উৰুৱাইছে। এখন ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথত আছে। খোলা যাব। বৰমাৰ যিটো সমস্যা চলি আছে এই ক্ষেত্ৰত মই কৈছো দলং নোহোৱাৰ কাৰণে এইটো হৈছে এনে নহয়। উগ্ৰপন্থীয়ে দলং ভাঙি দিছে। পি,ডব্লিউ,ডি বিভাগে কাম কৰা নাই এনে নহয়। যি কেইখন দলং সেই গোটেই কেইখন ভাঙিছে উগ্ৰপন্থীয়ে। দুধনৈৰ যিখন দলং সেইখনেৰে লাইট ভেহিকিল যাবলৈ দিয়া হৈছে। কিন্তু হেভি ভেহিকিল যাবলৈ দিব পৰা হোৱা নাই। মঙ্গলদৈৰ সেইখন ওৱান ওৱেৰ কৰিছো। টিহু অঞ্চলৰ এলেকাত খুলি দিয়া হৈছে। মৰা পাগলদিয়া নদীৰ ওপৰত বৰমাত যিখন দলং আছে সেইখন খুলি দিয়া হৈছে। ডিমৌৰ সেইখন এতিয়া পৰীক্ষা-নিৰীক্ষা কৰি থকা হৈছে। সেইখনৰ বাহিৰে বাকীখিনি দিছো। বস্তুবাহনিৰ দাম বাঢ়িব নালাগে। ১৯৯৬-৯৭ চনত বিত্তয় অৱস্থাৰ কাৰণে কৰিব পৰা নাই। ১৯৯৭-৯৮ চনৰ নেচনেল হাইওৱেৰ নিৰ্মাণ কাৰ্য্যৰ বাবে ষ্টেটত গভৰ্ণমেন্টৰ বিত্তিয় অৱস্থাৰ সঁহাৰি ভালকৈ পাইছো। ১৯৯৭-৯৮ চনৰ নেচনেল হাইওৱেৰ ক্ষেত্ৰত সমস্যাখিনি সমাধান হ'ব। আপোনালোকক সেই আশা দিছো। এতিয়া ১৯৯৫-৯৬ চনৰ পৰা চাৰি বছৰৰ কাৰণে পেৰিওদিকেলচ্ ৰিনিওৱেল কৰিব লাগিছিল অৰ্থৰ অভাৱত সেইটো হোৱা নাই। সেইটো আমি চাফাৰ কৰিছো। বিত্তিয় বছৰতে বাৰিষা কাল পাৰ হোৱাৰ লগে লগে এই সমস্যা নিশ্চয় সমাধা হ'ব।

**শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** গাই নদীত ৫০ লাখ টকা দিয়া হৈছে। য'ত খৰচ কৰা হ'ল তাত বাঁহ এডালো নাই, বস্তা এটা ও নাই। বাৰিষাত এই কাম কৰিব নালাগে। মাননীয় মন্ত্ৰী মহোদয়ে ইতিমধ্যে কৈ গৈছে। দ্বিতীয়তে ধেমাজিত বৰ্তমান এন, এইচ ডিভিজনত এচ, ডি, ও ইনচাৰ্জত থাকিব লাগে। এছ,ডি,ওৰ ঠাইত জুনিয়ৰ ইঞ্জিনীয়াৰ আছে। ঘিলামৰাত ইঞ্জিনিয়াৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

* **শ্ৰীঅতুল বৰা (গড়কাপ্টানী মন্ত্ৰী) ঃ** গাই নদীৰ আৰ, চি, চিৰ ব্যৱস্থা কৰিব পৰা নাই। বাৰিষা অহাৰ কাৰণে আমি বন্ধ কৰি দিছো। ৫০ লাখ টকা খৰচ কৰিবলৈ দিয়া হোৱা নাই। বাৰিষা আগতে অহাৰ কাৰণে বন্ধ কৰি দিছো। সেই কামত ৫০ লাখ টকা ধৰা হৈছিল। ঘিলামৰাত কাৰ্য্যবাহী অভিয়ন্তা আৰু এচ, ডি, ওক দুয়োজনকে চাচপেনচন কৰা হৈছে। ঘিলামৰালৈ মানুহ যাবলৈ ভয় কৰে। তালৈ ভাল মানুহ গলেও বেয়া হয়। ঘিলামৰাত ই,ই, আৰু এছ,ডি,ওক ৰাতি মই ১২ বজাত কাগজ পাতি জব্দ কৰি চাচপেন কৰিছো। ভাল ইঞ্জিনিয়াৰ তালৈ যাব নোখোজে। ধেমাজীত ডিভিজন এটা খুলিব লাগে। সেইটো কৰিব পৰা নাই। নতুন ডিভিজন খুলিবৰ কাৰণে কিছু অৰ্থ প্ৰয়োজন। ঘিলামৰাত এটা ডিভিজন খুলিবলৈ চিন্তা কৰিছো। যিমান সোনকালে পাৰো তাত এজন ইঞ্জিনিয়াৰ দিম।

**মাননীয় অধ্যক্ষ ঃ** ৰাষ্ট্ৰীয় ঘাই পথ ৫২ নং ওপৰত যথেষ্ট আলোচনা হৈছে। মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছে। কেবাটাও সমষ্টিৰ মাননীয় বিধায়কেও প্ৰশ্ন কৰোঁতে মোৰ সমষ্টিৰ কথা উল্লেখ কৰিছে। মই মন্ত্ৰী বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। মোক কয় আপুনি আজিকালি অধ্যক্ষ হোৱা পিছত আপুনি অনুপস্থিত থাকে। আপোনাৰ সমষ্টিৰ মাজেদি যায়। ৰাষ্ট্ৰীয় ঘাইপথত কিন্তু চাইন বোৰ্ডে হৈ আছে। মোৰ সমষ্টিত ভাল ৰাস্তা পাও সেইটো বিশ্বাস আছিল। তেওঁলোকে কয়, গড়কাপ্তানী ৰাষ্ট্ৰী ঘাই পথত মোৰ সমষ্টিত চাইন বোৰ্ড হ'ব নালাগে। অসমৰ সকলোবোৰ অঞ্চলৰ লগতে মোৰ সমষ্টি মাজেদি যোৱা ৰাস্তাৰ উন্নতিৰ সমানে হ'ব লাগে। তাতকৈ বেছি বিচৰা নাই। Now, I call upon Hon'ble Member Shri Munin Mahanta to raise Zero hour motion as published in Assamese daily under the caption. "মৰিগাওঁ জিলাত কৃষকৰ হাহাকাৰ অৱস্থা অচিৰেই খৰাংপিড়ীত অঞ্চল ঘোষণা কৰক।"

* **শ্ৰীমুনিন মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বাতৰি কাকতত মৰিগাওঁৰ কৃষকৰ হাহাকাৰ অৱস্থা। খৰাংপিড়ীত অঞ্চল ঘোষণা কৰক। এই দাবী আজি মৰিগাওঁ জিলাৰ কৃষকৰ মাজত উত্থাপিত হৈছে। মৰিগাওঁ জিলাখন কৃষি প্ৰধান জিলা।

ইয়াত কোনো দিনেই কোনো একো গঢ়ি উঠা নাই। খেতিৰ ওপৰতে গোটেই অঞ্চল নিৰ্ভশীল। বন্ধু শ্ৰীদিলীপ কুমাৰ শইকীয়াই কোৱাৰ দৰে আমাৰ জিলাখন ভেন্সাৰ স্কুলৰ অৱস্থাৰ দৰে একে অৱস্থাত আছে। মই অন্য অৱস্থাৰ কথা নকওঁৱেই, অন্যবিলাক আনিব খোজা নাই আজি তিনি / চাৰি বছৰ ধৰি মৰিগাওঁ গোটেই জিলাখনে খৰাংপিড়ীত হৈ আছে। কৃষকৰ মাজত যিটো অৱস্থা হৈয়ে আছে সেই বিষয়ে উৎথাপন কৰিব খুজিছো। ৰাজ্যখনৰ অন্য জিলাত বৰষুণৰ মাত্ৰা যি ভাৱে আছে মৰিগাওঁত নাই। সেই সম্পৰ্কে আপোনালোকক জনাও আমাৰ জিলাখনত বৰষুণৰ মাত্ৰা যোৱা সময়ছোৱাত বিশেষভাৱে কমি গৈছে। এই বছৰো বৰষুণ নোহোৱাত খৰাং অৱস্থা হৈছে। আমাৰ খেতিয়ক অৱস্থা পানীত হাঁহ নচৰা হৈছে। আমি যুদ্ধকালীন ক্ষিপ্ৰতাৰে এই খৰাংপিড়ীত জিলাখনক কৃষক ৰাইজৰ সুবিধাৰ কাৰণে খৰামপিড়ীত অঞ্চল হিচাপে ঘোষণা কৰক। আৰু ব্যাপক জলসিঞ্চনৰ ব্যৱস্থাৰে খেতিয়কসকলে খৰাং পিড়ীত অঞ্চলৰ সা-সুবিধা পাব লাগে। তাৰ কাৰণে ৰাইজে এই কথা উৎথাপন কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ জিলাৰ মৰিগাওঁ সমষ্টিৰ মাজেদি যি নৈ আছে সেই সন্দৰ্ভত এটা প্ৰশ্ন ৰাইজৰ মাজত আলোচিত হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মৰিগাওঁ জিলাৰ মৰিগাওঁ সমষ্টিৰ মাজেদি বৈ যোৱা যিবোৰ সৰু সৰু নদী আছে, সেই সন্দৰ্ভত মই এটা প্ৰশ্ন সদনত উপস্থাপন কৰিব বিচাৰিছো। বৰদোৱাৰ পৰা শান্তিজানলৈ বৈ যোৱা যিখন নৈ আছিল সেইখন বগী বিলৰ পৰা দেওবা বিল হৈ ব্ৰহ্মপুত্ৰ নদীত পৰে। ৮০ দশক ধৰি শান্তিজানত এখন চুইজ গেট আছিল। সেই গেটেদি পানী ওলিয়াই দিছিল। সেই চুইজগেটখন বন্ধ কৰি দিয়া হয় যদিও চৰকাৰে আজি পৰ্য্যন্ত মুকলি কৰি দিয়া নাই। সেই পানী পথাৰত সোমাই শালি খেতি নষ্ট কৰি ৰাইজৰ সমস্যা সৃষ্টি কৰিছে। ইফালে তিনিটা মান মৌজাত পানীৰ অভাৱত খৰাং হৈ খেতি কৰিব নোৱাৰি ৰাইজৰ মাজত হাহাকাৰ সৃষ্টি হৈছে। এই বিষয়ে ৰাইজৰ মাজত আলোচনা হৈছে। উক্ত বিষয়টো মই আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে খৰাং অঞ্চল আৰু বানপানীত বুৰ যোৱা অঞ্চল কেইটা এই দীৰ্ঘদিনীয়া সমস্যাৰ পৰা যাতে ৰক্ষা কৰিব পাৰে তাৰ কাৰণে মই এই সদনতে বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি মই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলো।

* **শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী** (কৃষি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, জিৰো আৱাৰত

জিলাৰ কৃষক ৰাইজৰ হাহাকাৰ" শীৰ্ষক বাতৰিটোৰ বিষয়ে আজি সদনৰ দৃষ্টি আকৰ্ষণ কৰি বিচাৰিছো যে কেৱল মৰিগাওঁ জিলা বুলিয়ে নহয় আমাৰ মাননীয় এজন বিধায়ক অৰ্দ্ধেন্দু দে ডাঙৰীয়াই কৈছে যে তাতো খৰাংপিড়ীত সমস্যাই দেখা দিছে। এই সমস্যাটো লামডিং বা মৰিগাওঁতে নহয় সমগ্ৰ অসমতে হৈছে। সেইকাৰণে ঠায়ে ঠায়ে পামচেট বহুৱাবৰ কাৰণে আমি যিসকল ইঞ্জিনিয়াৰ আৰু অফিচাৰ আছে তেখেতসকলৰ লগত এই বিষয়ে কথা-বতৰা পতা হৈছে। আমাৰ প্ৰায় টকা ৰিভিনিউ ডিপোজিটত আছে। তাৰে কিছুমান ৰিলিজ কৰি দিয়াৰ হৈছে আৰু কিছু ৰিলিজ কৰি দিয়াৰ ব্যৱস্থা কৰা হৈছে। আমি এমাহ বা ১৫ দিনৰ ভিতৰত কৰিব নোৱাৰো। খৰাং অঞ্চলবিলাকত জলসিঞ্চন কৰি কৃষক ৰাইজৰ উপকাৰ সাধিবৰ কাৰণে বিশ্ব বেংকৰ জৰিয়তে আমি তিনিটা আঁচনি হাতত লৈছো। আমি পৰ্য্যায়ক্ৰমে অসমত ১০ লাখ মানৰ ভিতৰত টাৰগেট সোমাই লৈছো। দুই-তিনি মাহৰ ভিতৰতে ইয়াৰ ফলাফল পাম বুলি ভাবিছো। যাতে বাৰিষা বৰষুণৰ পানী নাপালেও কৃষক ৰাইজৰ অসুবিধা নহয়। আৰু খৰাং বতৰতো যাতে সময়মতে খেতি কৰিব পাৰে তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিশ্ব বেংকৰ টেণ্ডাৰ ইতিমধ্যে হৈছে। ওৱাশ্বিংটনৰ পৰা দিছে। বিশ্ব বেংকৰ যোগেদি ৩০ হাজাৰ চেল টিউৱেল বহুৱাবৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিছো।

ৰাজহ মন্ত্ৰী ডঃ জয়নাথ শৰ্ম্মা ডাঙৰীয়াৰ লগতো এই বিষয়ে কথা-বতৰা পতা হৈছে। ৰবি শস্য বেছিকৈ উৎপাদনক কৰিব পাৰি তাৰ কাৰণেও চিন্তা-চৰ্চা কৰি আছো। বানপানীৰ কাৰণে কেন্দ্ৰই দিয়া পইচা এইবাৰ নাহিল। তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ চিঠি পঠিওৱা হৈছে। বানপানী বা খৰাং বতৰত নষ্ট হোৱা খেতি আমি ৰবি শস্যৰ যোগেদি সামৰি লব পাৰো আৰু কৃষক ৰাইজৰ উন্নতি সাধন কৰিব পাৰো তাৰে চেষ্টা কৰিম বুলি কৈ মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে এই পৱিত্ৰ সদনত মোৰ বক্তব্য দাঙি ধৰিলো।

**Mr. Speaker :** Now I call upon the Hon'ble Member, Shri Abu Saleh Nazmuddin to raise the matter which was published in "Samay Prabah" dtd. 17/08/97 under the caption. "পথ ঘাঁটের অবস্থা বেহাল, করিমগঞ্জে যান-বাহন চলা-চলের প্রচণ্ড ব্যাঘাত ঘটেছে।"

★ **শ্ৰীআবু চালেহ নাজমুদ্দিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বিষয়টো উৎথাপন কৰিববৰ সময়ত মন্ত্ৰী সদনত উপস্থিত থকাটো উচিত আছিল। মই কৰিমগঞ্জ

জিলাৰ কেইটামান বাট-পথৰ কথা কব বিচাৰিছো। আমাৰ বৰাক উপত্যকাৰ সমস্যাক গুৰুত্ব নিদিয়ে। এতিয়া মই দেখিছো যে মন্ত্ৰী মহোদয় সদনত উপস্থিত হৈছেহি। যোৱা বিধান সভাত "তাকৰীয়া প্ৰশ্ন"ত যি কেইটা ৰাস্তাৰ বিষয়ে প্ৰশ্ন উৎথাপন কৰা হৈছিল সেই কেইটাৰ কাৰণে সদনতে ব্যৱস্থা লব বুলি লিখিত প্ৰতিশ্ৰুতিও দিছিল। ৰাস্তা কেইটা হৈছে ভাঙ্গা, ভৈৰৱ নগৰ, কৰিংগঞ্জ, বালিগঞ্জ, কুবিতল, কঠালতলি, সুতাৰগান্ধী, সলগ, কৰিমগঞ্জৰ পৰা সৰগলা আদি এনে ধৰণৰ ২০ টা মান ৰাস্তা বেয়া হোৱাৰ উপক্ৰম হৈছে। এই কেইটা ৰাস্তা ভাল কৰি দিয়াৰ কথা আছিল যদিও আজিলৈকে একো কৰা নহ'ল। কৰিমগঞ্জৰ মানুহে ২০-৩০ কিলোমিটাৰ বাট খোজকাঢ়ি আহিবলগীয়া হয়। সেই ৰাস্তাবিলাকত গাড়ী চলাচল কৰিব নোৱাৰে। অন্যান্য ৰোগীৰ অনা-নিয়াৰ কথা বাদেই ডেলিভাৰীৰ সময়ত এম্বুলেন্স এখন যেতিয়া প্ৰয়োজন হয়, তেতিয়া সেই ৰাস্তাইদি এম্বুলেন্স এখন যাব নোৱাৰা অৱস্থা। এনেকুৱা ধৰণৰ বহুতো সমস্যা আঙুলিয়াই দিয়া সত্বেও বিভাগীয় কতৃপক্ষই আজিলৈকে কোনো ব্যৱস্থা লোৱা নাই। কৰিমগঞ্জ অসম আৰু বাংলাদেশৰ সীমাত অৱস্থিত। তাত এটা ইন্টানেচনেল সুৰমা ৰাস্তা এটা আছে। অসমলৈ আহিবৰ কাৰণে কৰিমগঞ্জত যিটো ৰাস্তা বনোৱা হৈছিল সেই ৰাস্তাটো অতি গুৰুত্বপূৰ্ণ ৰাস্তা। এই ৰাস্তাটো নতুনকৈ মেৰামতি কৰিববৰ কাৰণে মুখ্যমন্ত্ৰীৰ লগত আৰু বিভাগীয় কতৃপক্ষৰ লগত আলোচনা কৰি ব্যৱস্থা লব পাৰে। বাংলাদেশ আৰু অসমৰ লগত সেই ৰাস্তাইদি প্ৰায় ৫০০ শ কোটি টকাৰ সামগ্ৰী আমদানি আৰু ৰপ্তানি কৰা হয়। বাংলাদেশ আৰু কৰিমগঞ্জ আৰু কিছুমান নদীৰ ওপৰত দলংৰ ব্যৱস্থা কৰাৰ কাৰণে যিটো পইচা এলট কৰা হৈছিল যদিও কৰা নহ'ল। কামবিলাক ৰৈ গ'ল। এই বিষয়ে আমি বাৰে বাৰে বিভাগীয় মন্ত্ৰী মহোদয়ক কৈ আহিছো যে কৰিমগঞ্জৰ মানুহবিলাকৰ অৱস্থা একেবাৰে বেয়া। তেওঁলোকে সকলোবিলাক সুবিধাৰ পৰা বঞ্চিত হৈছে। কৰিমগঞ্জ জিলাৰ ৰাস্তা-ঘাটবিলাকৰ এটা সমীক্ষা চলাই উন্নতি কৰিব বুলি আশা ৰাখি মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। সীমামুৱীয়া ৰাজ্য বাংলাদেশৰ মানুহ আমাৰ শত্ৰু নহলেও কেতিয়াবা শত্ৰু হিচাবে আক্ৰমণ কৰিলে অসম চৰকাৰে আমাক ৰক্ষা কৰিব নোৱাৰিব। সেইকাৰণে আমি আগতীয়াকৈ ব্যৱস্থা লবৰ কাৰণে চৰকাৰক অনুৰোধ জনালো।

সেয়ে মই মাননীয় মুখ্যমন্ত্ৰী আৰু গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে কিমান দিনৰ ভিতৰত বা কিমান সময়ৰ ভিতৰত কৰিমগঞ্জ জিলাৰ ৰাস্তা-ঘাট দলং ইত্যাদি উন্নতিকৰণৰ ব্যৱস্থা লব। এই

ক্ষেত্ৰত প্ৰতিশ্ৰুতি দি ব্যৱস্থা কৰিব লাগে। কিন্তু ইতিমধ্যে মন্ত্ৰী ডাঙৰীয়াই কেবাবাৰো প্ৰতিশ্ৰুতি দি তেখেতে ভঙ্গ কৰিছে। কেবাবাৰো প্ৰতিশ্ৰুতি দি এতিয়ালৈকে একো কৰা নাই। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা প্ৰতিশ্ৰুতি বিচৰাই নহয়, এই ৰাস্তা-ঘাটবিলাক উন্নত কৰাৰ ব্যৱস্থা লবনে? এই খিনিকে অনুৰোধ জনাই সামৰিলো।

* শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনত বিধান সভাৰ অধিবেশনত যেতিয়াই মাননীয় সদস্যসকলে কোনো ৰাস্তা-ঘাট ইত্যাদি মেৰামতি বা নতুন ৰাস্তা লোৱাৰ কথা উৎথাপন কৰে তেতিয়া মোৰ মনত পৰা মতে মই যেতিয়া প্ৰতিশ্ৰুতি দিও যে ৰাস্তা-ঘাট মেৰামতি কৰা হব বা নতুন ৰাস্তা লোৱা হব যদিহে ৰাজ্যখনৰ বিভিন্ন অৱস্থা উন্নত হয় বা ভাল হয়। প্ৰতিশ্ৰুতি দিওঁতে মই বাৰ-বাৰ কওঁ যদিয়ে বিভিন্ন অৱস্থা ভাল হয় তেতিয়াহলে সেই কামবিলাক কৰা হব বুলি মই জনাই দিও। কথাটো হৈছে মাৰ্চৰ শেষলৈকে প্লাচ ফাইভ আৰু এম, এন, পিৰ পইচা ৰিলিজ ভবা হৈছে। কিন্তু সেই পইচাখিনি পুৰণা ৰাস্তা কাৰণে দিয়া হোৱা নাই। নতুন ৰাস্তা কাৰণেহে দিয়া হৈছে। পুৰণা লয়েৰিলিজৰ কাৰণে পইচা লৈ গৈছে। নতুন কাম কৰা নাই, নতুন কাম কৰাৰ কাৰণে এই ব্যৱস্থাটো দীৰ্ঘকাল চলি থাকিব। যি খিনি ৰাস্তা-ঘাট বেয়া হৈ আছে সেইখিনি বিভিন্ন অৱস্থা ভাল হলেহে বা বিভিন্ন ব্যৱস্থাটোৰ উন্নতি হলেহে হাতত লব পৰা হব। নেচনেল হাইওৱেৰ ৰাস্তা-ঘাটৰ কথাটো সুকীয়া কিন্তু বাকী বিলাক ৰাস্তাৰ যি বিলাকৰ অৱস্থা বেয়া হৈ আছে সেইবিলাকেই আমি অৰ্থৰ অভাৱত লব পৰা নাই। ৰাজ্যৰ গড়কাপ্তানী মন্ত্ৰী হিচাবে মোৰ নিজৰববীয়াকৈ যি খিনি ধন আছে সেই ধনৰে ৰাজ্যখনৰ সকলো সমষ্টিৰে ৰাস্তা-ঘাট নতুনকৈ লোৱা বা মেৰামতি কৰাতো সম্ভৱ নহয়। ডিচেন্ট্ৰেলাইজেশ্যন স্কীমৰ নাম ৩০ কোটি টকা দিছে, মাননীয় সদস্যসকলে নিজৰ নিজৰ সমষ্টিত ইঞ্জিনিয়াৰ লগত পৰামৰ্শ কৰি কামবিলাক কৰিব পাৰিব। অটোনমাচ কাউন্সিলৰ কাৰণে ১০ কোটি টকা দিছে। ষ্টেট পি, ডব্লিউ, ডিৰ কাম মিনিষ্টাৰ হিচাবে আমাৰ হাতত মাত্ৰ ২ কোটি টকাৰ কাম কৰিব পাৰো। অথচ এখন দলং নিৰ্ম্মাণ কৰোতেই ১ কোটি মান টকাৰ দৰকাৰ হয়। বিজনীত এখন দলং নিৰ্ম্মাণ কৰিব লগা হৈছে, তাত এপ্ৰোভটো বনাওঁতেই এই সমুদায় টকা লাগিব গতিকে দলংখন সম্পূৰ্ণ নিৰ্ম্মাণ কৰি উলিয়াওতে বৰ্তমান যি টকা গড়কাপ্তানী বিভাগৰ হাতত মৰিছে তাৰ দ্বাৰা কোনো প্ৰকাৰেই সম্ভৱ নহয়। এখন আৰ, চি, চি দলং নিৰ্ম্মাণ কৰোতেই ৪ কোটি মান টকা লাগে। ৰাজ্যিক গড়কাপ্তানীৰ হাতত মাত্ৰ ২ কোটি বা আঢ়ৈ কোটি যি টকা আছে তাৰে

অসমৰ ১২৬ টা সমষ্টিৰ বিভিন্ন ৰাস্তা-পদুলীৰ কাম-কাজ কৰাতো ৰাস্তা নোলোৱাই ভাল, এতিয়া সদ্যহতে নতুন ৰাস্তা লব নালাগে, আমাৰ অজস্ৰ ৰাস্তা আছে কিন্তু যিমান বিলাক ৰাস্তা আছে সেইবিলাক সময়মতে মেৰামতি নকৰাৰ কাৰণে বেচিভাগ ৰাস্তাৰ অৱস্থা শোচনীয় হৈ পৰিছে। ৰাস্তা-ঘাটৰ অৱস্থা বেয়া হোৱা কাৰণে নানা ধৰণৰ সমস্যাৰ সৃষ্টি হৈছে। এতিয়া আমাৰ যিবিলাক পুৰণা দলং বা ৰাস্তা-ঘাট আছে সেইবিলাক সোনকালে মেৰামতি কৰি চলাচলৰ সুবিধা কৰিব পাৰিলে আমাৰ বহুখিনি অসুবিধা দূৰ কৰিব পৰা হব। গাওঁ অঞ্চলত যি বিলাক ৰাস্তা আছে আৰু গড়কাপ্তানী ৰাস্তা আছে সেইবিলাক মেৰামতি আৰু ব্লক টপীং কৰিলে আমাৰ বহুখিনি অসুবিধা দূৰ হ'ব। সেইকাৰণে মই কব বিচাৰিছো ডি, আৰ, ডিৰ যিখিনি ধন আবন্টন হয় তাৰে ষ্ট্ৰাইকাৰ কনচেনট্ৰেশ্যন নকৰি আমাৰ যি বিলাক দলং ৰাস্তা-ঘাট ইত্যাদি আছে সেইবিলাক মেৰামতি কৰি দলং বিলাক মজবুট কৰি লব লাগে আৰু য'ত য'ত প্ৰয়োজন তাত ৰাস্তাবিলাকত ব্লেক টপীং কৰিব লাগে। এই ক্ষেত্ৰত মই কেন্দ্ৰীয় চৰকাৰৰ বিভাগীয় মন্ত্ৰীলৈয়ো লিখিছো যে ষ্ট্ৰাইকাৰ কনচেনট্ৰেশ্যন হব নালাগে। আমাৰ পুৰণা ৰাস্তা-ঘাট যিবিলাক ৰাস্তাৰ অৱস্থা বেয়া সেইবিলাক ৰিপেয়াৰ কৰি উন্নত কৰিলে আমি লাভবান আৰু উপকৃত হব পাৰিম। আজি ষ্টেট প্লেনত টকা নাই। চাব-ডিভিজনেল লেভেলত এম, এল, এ সকলে কৰিব আৰু অটোনমাচ কাউন্সিল আছেই, তেওঁলোকৰো সুকীয়া পুঁজি ধৰা আছে। আপোনাসকলে বিচাৰিলে মই কাগজে-কলমে অংকটো কৰি দিব পাৰো। গতিকে ষ্টেট পি, ডব্লিউ, ডিৰ বিভাগৰ যি সীমিত ধন আছে তাৰে অসমৰ গোটেইবিলাক সমষ্টিৰ ৰাস্তা-ঘাটৰ কাম-কাজ বা মেৰামতিৰ কৰাতো সম্ভৱ নহয়।

★ **Shri Abu Saleh Nazmuddin :** Sir, whether the Hon'ble Minister has released the money for the completion of the works during 1996-97 and how much money he has released for the district of Karimganj?

**শ্ৰীঅতুল বৰা (গড়কাপ্টানী মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কৰ এটা ফাইল মই চেপ্তেম্বৰ মাহতে চহী কৰি পঠাইছো।

★ **Shri Abu Saleh Nazmuddin :** Whether it is in the MNP Scheme? But the money allotted for the decentralised planning for each and every district. particularly for the district of Karimganj in

your department (PWD) whether you have released the decentralised planning money? Please let us know the appropriate reply on the floor of the House.

*** শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰিমগঞ্জত সুকীয়াই পাই। গোটেই অসমৰ ৰাস্তা-ঘাটৰ ওপৰতহে কোৱা হৈছে।

**Shri Abu Saleh Nazmuddin :** Could you furnish the Releasing Order for 1996-97. The money allotted for Decentralised Planning and of Karimganj District for 1996-97. The plan already approved. Whether you have released the money. Hon'ble speaker Sir, whether the Hon'ble Minister would furnish the entire report of the state of Assam tomorrow at any time on the floor of the House for information of the Hon'ble Members.

**মাননীয় অধ্যক্ষ ঃ** মই এডজৰ্মেন্ট ম'চন দুখন জাননী পাইছো, এখন চেনচৰ ম'চন জাননী পাইছো। তাৰ আগতে সদনৰ দলপতি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা ষ্টেটমেন্ট দিয়াৰ বাবে অনুৰোধ পত্ৰ পাইছো। মই মুখ্য মন্ত্ৰী ডাঙৰীয়াক ষ্টেটমেন্ট পঢ়ি শুনাবলৈ অনুৰোধ কৰিছো।

**Dr. Ardhendu Kr. Dey :** There is Adjournment Motion. After that there is scope for giving statement.

**Mr. Speaker :** I have already said, you please keep mum.

## Adjournment Motion

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৫ আগষ্টৰ ৰাতি প্ৰায় ৭-৩০ মান বজাত তামুলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত (কুমাৰীকটা আউট পুষ্ট) মেচগুৰি আৰু খৈৰাবাৰী গাঁৱত এক হিংসাত্মক ঘটনা সংঘটিত হয়। প্ৰায় ২০ (বিশ) জন মান সন্দেহযুক্ত এন, ডি, এফ, বিৰ উগ্ৰপন্থীয়ে অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰে এই হিংসাত্মক ঘটনাটো সংঘটিত কৰে। এই হিংসাত্মক ঘটনাত মেচগুৰি গাঁওৰ ৩ (তিনি) জন খৈৰাবাৰী গাঁওৰ ১০ (দহ) জন মুঠ ১৩ (তেৰ) জন লোকে প্ৰাণ হেৰুৱায়। ঘটনাত আহত হোৱা ৪ (চাৰি) জন লোকক চিকিৎসালয়ত ভৰ্ত্তি কৰোৱা হয়। নিহত লোকসকলৰ ভিতৰত ১২ (বাৰ) জন বঙালী ভাষা সম্প্ৰদায়ৰ আৰু এজন অসমীয়া ভাষা সম্প্ৰদায়ৰ। আঠ বছৰীয়া এটি শিশুকে ধৰি পাঁচগৰাকী মহিলা আৰু আঠজন পুৰুষে উক্ত

হিংসাত্মক ঘটনাত প্ৰাণ হেৰুৱায়।

হিংসাত্মক ঘটনাটো সংঘটিত হোৱাৰ বাতৰি পোৱাৰ লগে লগে আৰক্ষী লোক ঘটনাস্থলীত উপস্থিত হৈ উগ্ৰপন্থীসকলক কৰায়ত্ত কৰাৰ বাবে তালাচী অভিযান আৰম্ভ কৰে। এই অভিযানত মুঠ ৯ (ন) জন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ হোৱা লোকসকলৰ দুজনে উক্ত ঘটনাৰ লগত জড়িত আছিল বুলি আৰক্ষীৰ আগত স্বীকাৰ কৰে। এই উগ্ৰপন্থী লোক দুজনৰ পৰা এটা ডাঙৰী, এটা আৰ্মি অ'ভাৰকোট আৰু কিছু ফিউজড্ ওৱায়াৰ উদ্ধাৰ কৰে। হিংসাত্মাক ঘটনা সংঘটিত হোৱাৰ বাতৰি পোৱাৰ লগে লগে উচ্চ পদস্থ আৰক্ষী বিষয়াসকলে ঘটনাস্থলী পৰিদৰ্শন কৰি তালাচী অভিযানৰ তদাৰক কৰে। ঘটনাৰ পিছদিনা (১৬/৮/৯৭) মই আৰু মোৰ মন্ত্ৰীসভাৰ কেইজন মান সতীৰ্থ আৰু আৰক্ষী সঞ্চালক প্ৰধানক লৈ ঘটনাস্থলী পৰিদৰ্শন কৰো। অসম আৰক্ষী বাহিনী, কেন্দ্ৰী সংৰক্ষিত আৰক্ষী বাহিনী, সামৰিক বাহিনী লোকে উগ্ৰপন্থীসকলক কৰায়ত্ত কৰাৰ বাবে তালাচী অভিযান চলাই আছে। উগ্ৰপন্থী কিছু সংখ্যক সদস্য ভূটানলৈ পলাই যোৱা বুলি জানিব পৰা গৈছে।

যোৱা ১৮ আগষ্টত দিনৰ প্ৰায় ১০-৩০ বজাত মেচগুৰিৰ দক্ষিণ-পুৰত থকা নবীন গাঁৱত আন এটা হিংসাত্মক ঘটনা সংঘটিত হয়। এই ঘটনাত ৬ (ছয়) জন বড়ো সম্প্ৰদায়ৰ লোক নিহত হয়। নিহতসকলৰ ভিতৰত চাৰিজনক চিনাক্ত কৰা হৈছে। নিহতসকলৰ ভিতৰত এটি আঢ়ৈ বছৰীয়া শিশু আৰু এগৰাকী মহিলাও আছে। নলবাৰী জিলাৰ আৰক্ষী অধীক্ষকে ঘটনাস্থলী পৰিদৰ্শন কৰি ঘটনা প্ৰতিৰোধৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

যোৱা কালি মই এখন চিঠি দি জনাইছিলো বিধানসভাৰ গুড্ উইল মিচন সদনৰ পৰা ওলাই সহায় কৰিব বুলি আশা কৰিছো।

**Mr. Speaker :** I have received two notices of Adjournment Motion under Rule 56 given notice by Shri Bimalangshu Roy, Shri K.R. Deb, Shri Sukhendu Shekhar Dutta and Shri Sambhu Singh Mallah for an incident happened that happened at Khairabari and Mechguri village of Nalbari District. Secondly, from Dr. Ardhendu Kumar Dey and Shri Sarat Borkatakv for the incident happened in Nabingaon village in the same Nalbari District.

I have received a Cencure Motion under Rule 133

of our rules against the Hon'ble Home Minister for failing in maintaining law and order given notice of Shri Silvius Condpan, Dr. Ardhendu Kumar Dey, Shri Sarat Barkataky and Smti. Rupam Kurmi. The subjects of the Adjournment Motion and Censure Motion are similar. So, I do not find any reason to allow to move the Adjournment Motion. However, I find that the Censure Motion submitted by Shri Silvius Condpan, Dr. Ardhendu Kumar Dey, Shri Sarat Borkataky and Smti. Rupam Kurmi is in order. The Censure Motion is that "This House censure that Hon'ble Home Minister, Shri Prafulla Kumar Mahanta for his complete failure in maintaining law and order."

I now request those Members who are in favour of the motion to rise in their places.

**Shri Silvius Condpan :** We have tables the Motion under the different provisions of the rules and procedures of the House. The subject we are going to raise by way of adjournment motion is as per the provisions of the rules and procedures and the matter that we are going to raise under Censure Motion also is under the rules and procedures. I do not know how you Honour is trying to club it together because subject is same. We would like to discuss the matter under the different provision for which we have tables the Motion. We may kindly be allowed.

**Shri Chandra Mohan Patowary** (Minister, Agriculture) : Issues are same ....

**Shri Silvius Condpan :** Under two different provisions, we have raised. Kindly allow us and time for discussion of adjournment motion and also Censure Motion. We are trying to bring different matters by way of discussion to help the Government. It is very urgent. That is why you will kindly appreciate our concern also. We want to discuss many

things in andjounment motion and censure motion. It will ultimately help the government and the people of the State. So, adjournment motion may kindly be admitted.

**Shri Bimalangshu Roy :** The first adjournment motion is for the incident that happened at Khairabari and Mechguri and the other adjournment motion is for the incident that happened yesterday. So, subject matter is different. This cannot be clubbed together because our adjournment motion relate to 15th August and the other relates to 18th August at Nabingaon. Subject matter if different, So, why this is clubbed together.

**Mr. Speaker :** Hon'ble Members, I want to raise Rule 57 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly where restriction on powers to make motion is written. The right to move the andjounment of the Assembly for the purpose of discussing a definite matter of urgent public importance shall be subject to the following restrictions, namely-not more than one such motion shall be made at the same sitting, and since 2 andjounment motions have come, So I disallow the adjournment motion and prior to that as Hon'ble Member, Shri Hemen Das raised the issue for suspending the proceedings of today's agenda and to visit the affected villages.

We accept it and we are going to sit with the leader of the House, the Leader of the Opposition to finalise the list to-day itself. We are going to visit the area considering the urgency of the situation. I have already alerted the Security Department, to allow security arrangement to receive us. I have asked Secretary to arrange for transport etc. I think, we have to go and visit the area or to sit here and discuss. Ultimately, we should visit the affected places immediately as the situation is very grave. I disallow the Adjournment Motion.

It can be discussed as I have said earlier. I have the consensus during the discussion. You will have sufficient time to discuss all about this. Now, I request those Hon. Members again who have raised the Motion of Censure to rise in their places. As the number of the Hon.. Members are more than 1/10th of the House, I have granted leave for discussion of the Motion. The granted lease for discussion of the Motion. The Motion is placed before the Business Advisory Committee. Now, item No. 2.

## Report of the Business Advisory Committee

Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee on 2.8.97 in the Conference Hall of the New MLA Hostel for finalisation of the Calendar for the current Special session of the Assembly and for approval of the programme chalked out for celebration of the Golden Jubilee of India's Independence on 18th August, 1997.

I called a second meeting of the Business Advisory Committee in the Conference of my Office Chamber on 17/8/97 for finalisation of the programme chalked out for the foundation stone laying ceremony of the proposed Loka Priya Gopinath Bordoloi Bhawan of the Assembly Secretariat and for passing of Government Bills and discussion Supplementary Demands for Grants.

The Committee after a threadbare discussion decide that the current session of the Assembly should continue till 21st August, 1997. There will be 3 working days and all these days would be devoted for transaction of Government business. The 18th August, 1997 was earmarked for Special Commemorative session for celebration of Golden

Jubilee of India's Independence which was held yesterday. The Committee also unanimously approved the programme chalked out for the foundation stone laying caremoney of the proposed Loka Priya Gopinath Bordoloi Bhawan of the Assam Legislative Assembly which was performed yesterday.

The Committee after a good deal of consideration approved the items of Business as listed in the Calendar. However, the Committee also considered the aspect of passing of Government bills as well as supplementary Demand for grants. Since the ensuring session would be a short duration one having only three working days and the bills included in the Calendar and also the Supplementary Demands are urgently required to be passed, The Committee decided that item like passing of Government bills, supplementary Demands for Grants would be taken up by the House as listed in the Calendar.

However, Hon. Members may submit Cut Motion, Notice on Supplementary Demands for Grants on 19/8/97 upto 5 P.M. the day on which the supplementary Demands for Grants are presented.

The Calendar for the current session has been circulated amongst all the Hon. members of the House.

I hope, this has the approval of the House.

★ **Shri Haliram Tarang :** Sir, regarding meeting of the Business Advisory Committee, there are members from other parties like ASDC, CPM etc. In the meeting we have stressed that the Commemorative Special Session should not be clubbed together with the normal session of the Assembly. If the Government have urgent business it should not be convened for 3 days alone, say, it should be 3 days or 10 days. It is my contention.

**Mr. Speaker :** The matter will be taken up with the Leader of the House the Hon. Chief Minister.

★ **Shri Haliram Terang :** Sir, my opinion is that it should be according to the decision of the majority members. I would like it to be recorded.

**Mr. Speaker :** As far as I remember no member of the Business Advisory Committee has raised for the extension of the days. The question of Cut Motion was also raised in the meeting. The Hon. Members only pointed out that 3 days meeting is insufficient, but they did not press for more days.

★ **Shri Silvius Condpan :** I think some correction are needed. I feel Sir, this is not going to be a good precedent.

★ **Shri Promode Gogoi** (Minister, Flood Control) : Sir, one thing, the Hon. Speaker has assured the Business Advisory Committee that he will discuss the matter with the Leader of the House. Whether the members will have a delinking it with the special session of yesterday?

★ **Shri Silvius Condpan :** We are told at the sometime that the Hon. Speaker will assure us that he will discuss the matter with the Leader of the House and would like to tell him our mind. We are not going to make the position of the Hon. Speaker an awkward one.

Panel of Chairman

**Mr. Speaker :** It was the desire of the members of the BAC that the regular session of the House should not be clubbed together with the session of the Commemorative Special Session of yesterday. In the Commemorative session no business was given which was devoted for the special reason. I don't like to link up the proceedings of the House of yesterday's session under Rule 9 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly.

Now Item No. 4. Under Rule 9 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I nominate the following Hon'ble Members to constitute the Panel of Chairmen for the Special Session, 1997.

1. Shri Hemen Das.
2. Shri Holiram Terang.
3. Shri Hitendra Nath Goswami.
4. Shri Abdul Muqtadir Choudhury.

## Call Attention Notice

Now I call upon Hon'ble Member Sheikh Abdul Hamid to raise a matter under Rule 54 to the news item appearing in the "Dainik Agradoot" Under the Caption "মৈৰাবাৰীৰ চিতলমাৰী চৰত অশান্তি, মহিলা সহ তিনিজন নিহত ঃ আক্ৰমণকাৰীৰ নাৰত কাচিজোন -- তৰাখচিত সেউজীয়া পতাকা -- দিন দুপৰতে যাঠিৰে খুচি হত্যা কৰিলে।"

★ **শ্ৰীশ্বেখ আব্দুল হামিদ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৯৭ চনত ৪ জুলাই তাৰিখৰ "দৈনিক অগ্ৰদূত" কাকতত প্ৰকাশিত "মৈৰাবাৰীৰ চিতলমাৰী চৰত অশান্তি, মহিলা সহ তিনিজন নিহত -- আক্ৰমণকাৰীৰ নাৱত কাচিজোন -- তৰাখচিত সেউজীয়া পতাকা দিন দুপৰতে যাঠিৰে খুচি হত্যা কৰিলে শীৰ্ষক বাতৰিটোৰ প্ৰতি মুখ্যমন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰি বিচাৰিছো।

উপাধ্যক্ষ মহোদয়, আজি এই বাতৰি কাকত বিলাকে এটা সাধাৰণ বাতৰি বা সংবাদ লৈ এনে ধৰণে বাতৰি পৰিবেশন কৰিছে যে সাধাৰণ মানুহৰ মাজত উত্তেজনাৰ সৃষ্টি হৈছে। দুষ্কৃতিকাৰীয়ে ঘৰ-দুৱাৰ জ্বলাই দিছে মানুহৰ ওপৰত অত্যাচাৰ কৰিছে আদি বাতৰি প্ৰকাশ কৰা হৈছে। বাতৰি পৰিবেশন কৰাত বাতৰি কাকতৰ স্বাধীনতা আছে। মই এইখিনিতে এই বাতৰিৰ প্ৰতি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই কাৰণেই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে, বাতৰিত কোৱা হৈছে যে উগ্ৰপন্থীসকলে যাঠি, জোং আদি লৈ আহিছে। অগ্ৰদূত বা প্ৰতিদিন বাতৰি কাকতে দেখুৱাব বিচাৰিছে যে, আৰু বাতৰিত কৈছে যে উগ্ৰপন্থী সংগঠনে এই কাৰ্য্যবিলাক সংঘটিত কৰিছে। বাতৰিত কোৱা হৈছে যে, ব্ৰহ্মপুত্ৰৰ চৰ-চাপৰি আৰু ইয়াৰ সংলগ্ন

* Speech not corrected.

বনাঞ্চলসমূহক কেন্দ্ৰ কৰি গঢ় লৈ উঠা মৌলবাদী শক্তিসমূহৰ সশস্ত্ৰ আখৰা আৰু সমাজ বিৰোধী চক্ৰৰ তৎপৰতাৰ কথা ইতিমধ্যে সংবাদপত্ৰৰ মাধ্যমেৰে বহুবাৰ সদৰি কৈছে। কিন্তু ইয়াৰ পিছতো চৰকাৰী অমনোযোগিতা আৰু অদুৰদৰ্শিতাৰ সুযোগত ভাৰতত গণতন্ত্ৰৰ প্ৰতি যে ভাবুকি লৈ ঠিয় দিছে। এনে চক্ৰসমূহত। কালি দিন দুপৰতে এনে সশস্ত্ৰ অপৰাধীৰ প্ৰায় ১০০ জনীয়া দল এটিয়ে দুখন যন্ত্ৰচালিত নাৱেৰে আহি মৈৰাবাৰীৰ পৰা পাঁচ কিলোমিটাৰ নিলগৰ চিতলমাৰী চৰত দুজন পুৰুষ আৰু এগৰাকী নাৰীক হত্যা কৰি বহুতকে মাৰধৰ কৰাৰ উপৰি চৰৰ বাসিন্দা সকলৰ সা-সম্পত্তি, গৰু, ছাগলী আদি লুট কৰি নিয়ে। গুৰুতৰ ভাবে আহত হৈ কথমপি প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হোৱা আব্দুল মালেক নামৰ লোকজনৰ পৰা জানিব পৰা মতে পুৱা ১০ বজাত কাচিজোন আৰু তৰা অংকিত সেউজীয়া পতাকা উৰুৱাই আহি চিতলমাৰী চৰত দুবৃত্তৰ দলটোৱে চৰত পদাৰ্পন কৰিয়েই শূন্যলৈ গুলী নিক্ষেপ কৰি নিজৰ অৱস্থিত ঘোষণা কৰিলে। "তাৰোপৰি আজিৰ প্ৰতিদিন বাতৰি কাকতত প্ৰকাশ পাইছে যে, মৌলবাদৰ আক্ৰমণ আলগাচৰত ৩ জন লোকক হত্যা কৰা হৈছে। মুচলীম মৌলবাদী উগ্ৰপন্থীৰ দল এটাই ৩ জন লোকক হত্যা কৰিছে। আজি সংবাদ পত্ৰ বিলাকে গোটেই অসমতে জ্বলাই তুলিছে। আলফা, বি, এল, টি আদি নানা উগ্ৰপন্থীৰ সংগঠন হৈছে। আজি বৰপেটা জিলাটো এনেধৰণৰ কাৰ্য্যকলাপ হৈছে। অভয়াপুৰী, বঙ্গাইগাওঁ আৰু ধুবুৰীতো এনেধৰণৰ কাৰ্য্যকলাপ সংঘটিত হৈছে। মই উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে, এনে ধৰণৰ কাৰ্য্যকলাপ বন্ধ কৰিব লাগে। জনসাধাৰণক প্ৰাণ, সা-সম্পত্তিৰ নিৰাপত্তা দিব লাগে। নহলে আজি সংবাদ পত্ৰ বিলাকে জনগোষ্ঠীৰ মাজত ভাগ ভাগ কৰি বিভিন্ন সংগঠন গঢ়ি তুলিব ধৰিছে। দেশত শান্তি সম্প্ৰীতি গঢ়ি তুলিব লাগে কিন্তু দেখাত উগ্ৰপন্থী নাই। আমাৰ যুৱকসকলক হত্যা কৰাৰ চেষ্টা চলোৱা হৈছে। যদি উগ্ৰপন্থী আছে তেনেহলে তদন্ত কৰক আৰু নহলে সংবাদ পত্ৰৰ ওপৰত চেনচৰ চিপ কৰিব লাগে।

★ **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** (মুখ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বাতৰি কাকত বিলাকে কিছুমান কথা অতিৰঞ্জিত কৰি প্ৰকাশ কৰে। তেওঁলোকৰ মতে চৰাই নুৰে কণীহে উৰে। জেনেভাত ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ আয়োগৰ অধিবেশনত আলফাই গৈ ভাৰতৰ বিৰুদ্ধে মানৱ অধিকাৰ ভঙ্গৰ অভিযোগ আনিছে বুলিও বাতৰি কাকতত প্ৰকাশ পাইছে। বাতৰি কাকতৰ স্বাধীনতা আছে

* Speech not corrected

আৰু আমি তাক সন্মান কৰো। কিন্তু সমাজত উত্তেজনাৰ সৃষ্টি কৰাব বাবে আমি গৰিহনা দিব লাগে। বাতৰি কাকতত বহুতো ষ্টৰী আছে কিন্তু সেই সকলোবোৰৰ উত্তৰ দিবলৈ হলে হাউচ বহুত দিন হব লাগিব। অধ্যক্ষ মহোদয়, মাননীয় সদস্যই মৈৰাবাৰীৰ চিতলমাৰী চৰৰ অশান্তিৰ সম্পৰ্কিত যিটো কথা কৈছে সেই সম্পৰ্ক চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। চৰকাৰৰ খবৰ মতে -- মৈৰাবাৰীৰ চিতলমাৰী চৰত অশান্তি।

যোৱা ৪ জুলাই দৈনিক অগ্ৰদূতত প্ৰকাশিত বাতৰিৰ প্ৰতি চৰকাৰৰ মনোযোগ আকৰ্ষিত হৈছে। এই সন্দৰ্ভত চৰকাৰৰ স্পষ্টিকৰণ ডাঙি ধৰা হ'ল। যোৱা ২/৭/৯৭ তাৰিখে আবেলি ২ বজাত মৈৰাবাৰীৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াই চিতলমাৰী চৰত ৰাতিপুৱা ৯ মান বজাত সংঘটিত ডকাইতিৰ সম্পৰ্কে খবৰ পায়। এই ডকাইতিৰ ফলত নেৱাজউদ্দিন, হামেদ আলি আৰু শ্ৰীমতী সুবৰ্ণ নেছা নামৰ তিনিজন লোক নিহত হয়। ডকাইতি কৰি দুবৃত্তসকলে ধান-চাউল, পোহনীয়া জন্তু আদি বলপূৰ্বকভাবে লৈ যায়। মৈৰাবাৰী আৰক্ষী থানাৰ অধীক্ষকে এই ঘটনাৰ খবৰ পোৱা লগে লগে ঘটনাস্থলীত উপস্থিত হয়, ঘটনাৰ পৰা এইটো প্ৰকাশ পায় যে প্ৰায় ৭০/৮০ জন লোকে আস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ দুখন যন্ত্ৰচালিত নাঁৱত আহি চিতলমাৰী চৰত প্ৰবেশ কৰে। এই দুবৃত্ত দলটোৱে চৰত উপস্থিত হৈয়েই চৰৰ নোৱাজউদ্দিনৰ খবৰ লয়। বিপদৰ সন্দেহ কৰি নোৱাজউদ্দিন হামেদে আলি নামৰ এজন লোকৰ ঘৰত আশ্ৰয় লয়। ডকাইতৰ দলটোৱে তেওঁক পিছে পিছে খেদি আলিৰ ঘৰত হত্যা কৰে। বাধা দিবৰ বাবে ডকাইতৰ দলটোৱে হামেদ আলি আৰু তেওঁৰ পত্নী সুমন নেছাকো হত্যা কৰে। ইয়াৰ পিছত দুবৃৰ্ত্ত দলটোৱে চৰবাসীৰ ওপৰত লুটপাত আৰম্ভ কৰি খাদ্য-সামগ্ৰীকে ধৰি পোহনীয়া জন্তু আদি লুট কৰি লৈ যায়। ঘুৰি যাওঁতে দলটোৱে নিহত দুজন লোকৰ মৃতদেহ লগতে লৈ যায়। তেওঁলোকে মহম্মদ জালমুদ্দিন নামৰ লোক এজনৰ যন্ত্ৰচালিত নাওঁ এখনে লৈ যায়। চিতলমাৰী চৰৰ লোকসকলে এই দুবৃৰ্ত্ত দলটো চিনি পায়। নগৰীয়া চৰৰ মহম্মদ ৰোহিত আৰু চিতলমাৰী চৰৰ আব্দুল চালাম নামৰ দাগী ডকাইত দুজনে এই দুবৃৰ্ত্ত দলটোৰ নেতৃত্ব দিছিল। দুবৃৰ্ত্তৰ দলটোৱে চিতলমাৰী চৰৰ আব্দুল চালাম আৰু আব্দুল হামিদ নামৰ লোক দুজনৰ দুখন নাওঁ ব্যৱহাৰ কৰিছিল।

ঘটনাৰ সম্পৰ্কত মৈৰাবাৰী আৰক্ষী থানাৰ আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰে যদিও দুবৃৰ্ত্তসকলৰ এজনকো কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই। গোটেই ঘটনাটো দুটা দলৰ মাজত চিতল মাৰী চৰত নিজ প্ৰতিপাত স্থাপন কৰাকলৈয়েই সংঘটিত হৈছে। এই ঘটনাৰ লগত মালফা আদি কোনো উগ্ৰপন্থী

দল জৰিত নহয়। বাতৰিত উল্লেখ কৰে কোনো বিদেশী ৰাষ্ট্ৰ পতকা নাঁৱত উজুৱাই নিয়া নাছিল। ইতিমধ্যে আৰক্ষীয়ে আব্দুল খলিল নামৰ এজন যন্ত্ৰচালিত নাঁৱৰ লগতে পোহনীয়া জন্তু উদ্ধাৰ কৰিছে। সুৰয আলি নামৰ আন এজন লোকক ও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। ঘটনাত জৰিত আন লোকসকলক কৰায়ত্ত কৰাৰ বাবে জোৰ তদন্ত চলি আছে।

(Mr. Speaker vacated the Chair and Mr. Deputy Speaker occupied it ).

## Matter Under Rule 301

**Mr. Deputy Speaker :** Now item No. 5. I now call upon Hon'ble Member, Shri Hitendra Nath Goswami to draw the attention of the Hon'ble Minister. Forest by raising the matter under Rule 301 of the Rules of Procedure and Conduct of business in Assam Legislative Assembly to the news item appearing in the "Dainik Janambhumi" dated 4th August, 1997 relating to "ধন নাই, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান সংকটত।"

★ **শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ১৯৯৭ চনৰ ৪ আগষ্ট তাৰিখৰ 'দৈনিক জনমভূমি' কাকতত প্ৰকাশিত "ধন নাই, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান সংকটত" শীৰ্ষক বাতৰিটোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি দুষাৰমান কব খুজিছো। এই বাতৰিটো অসমৰ কাৰণে এটা অত্যন্ত গুৰুত্বপূৰ্ণ বাতৰি। আজি অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখন এশিঙীয়া গড়ৰ কাৰণে বিখ্যাত বুলি কব পাৰি। ইয়াৰ লগতে আৰু অন্যান্য জীৱ-জন্তু আৰু প্ৰাকৃতিক সম্পদৰে কাজিৰঙা অভয়াৰণ্যখন যিধৰণে সমৃদ্ধিশালী হৈ আছে সেই ফালৰ পৰাই এই ৰাষ্ট্ৰীয় উদ্যানখনৰ এটা বিশেষ গুৰুত্বপূৰ্ণ দিশ আছে বুলি ভাবো। কিন্তু এইখিনি এটা কথা উল্লেখ কৰিবলগীয়া হৈছে যে এই বছৰ ৰাষ্ট্ৰীয় উদ্যানখনৰ ৰক্ষনাবেক্ষণ বেতন আদিকে ধৰি যাৱতীয় খৰচৰ কাৰণে ১ কোটি টকা বিচৰা হৈছিল যদিও ৰাজ্য চৰকাৰে মাত্ৰ ২০ লাখ টকাহে ধাৰ্য্য কৰিছে। এই টকা কেৱল কৰ্মচাৰী সকলৰ দৰমহা দিয়াৰ বাহিৰে বন্য প্ৰাণী ৰক্ষনাবেক্ষনৰ ক্ষেত্ৰত বা তাত থকা হাতী কেইটাৰ আহাৰ পানীৰ কাৰণে কোনো ধৰণৰ ধন ধাৰ্য্য কৰা হোৱা নাই। ইয়াৰ ফলত অহা নবেম্বৰৰ মাহৰ পৰা এই ৰাষ্ট্ৰীয় উদ্যানখন দৰ্শনাৰ্থীৰ কাৰণে মোকলাই দিব পৰা হব নে নহয় সেইটোও সন্দেহৰ

বিষয় হৈ পৰিছে। যদিহে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখন দৰ্শনাথীৰ কাৰণে মোকলাই দিয়া নহয় তেনেহলে অসমৰ অৰ্থনৈতিক দিশত এটা ডাঙৰ পৰিস্থিতিৰ উদ্ভৱ হ'ব। তাৰ বাহিৰেও এই উদ্যানখনৰ ৰক্ষনাবেক্ষনৰ দায়িত্বৰত থকা হো গাৰ্ডসকলৰ কাৰণে যি ১৪ লাখ টকাৰ প্ৰয়োজন সেই টকাও এই বছৰৰ বাজেটত ধাৰ্য্য কৰা হোৱা নাই। যদি সেইটোৱেই হয়, তেনেহলে হোম গাৰ্ডসকলে কাম কৰিব নোৱাৰিব আৰু তাৰ ফলত উদ্যানখনত চোৰাং চিকাৰীৰ কাৰ্য্য কলাপ আৰু বৃদ্ধি পাব। আমি জনাত যোৱা বছৰো ইয়াত ৩০ টা গড় নিধন হৈছে। গতিকে এই উদ্যানখনৰ গড়কে ধৰি অন্যান্য পশু-পক্ষী যাতে সংৰক্ষন কৰিব পৰা যায় তাৰ কাৰণে ব্যৱস্থা গ্ৰহন কৰিব লাগে আৰু হোম গাৰ্ডসকলৰ বৰ্ত্তমান যি অৱস্থাত আছে তাতোকৈ অধিক শক্তিশালী কৰিব কাৰণে বিশেষকৈ তেওঁলোক উন্নত ধৰণৰ ইকুইপমেন্ট আদি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আজি তেওঁলোকক দৰমহা দিব নোৱাৰা যিটো অৱস্থা হৈছে সেই অৱস্থাটো বেচি দিন চলি থাকিবলৈ হলে তেওঁলোকে কি ধৰণে বন্য প্ৰাণী ৰক্ষা কৰিব সেই বিষয়ে চৰকাৰে গভীৰ ভাবে চিন্তা কৰিব লাগে। ইয়াৰ লগতে তাত দৰ্শনাথীৰ কাৰণে যি কেইটা হাতী আছে সেই কেইটাৰ আহাৰ আৰু চিকিৎসা আদিৰ ক্ষেত্ৰতো চৰকাৰে অতি সোনকালে ব্যৱস্থা গ্ৰহন কৰিব লাগে। এই ক্ষেত্ৰত কোনোবাই মেনকা গান্ধীয়ে ৰাজ্য চৰকাৰলৈ এখন চিঠি লিখি এই বিষয়ত জানিব বিচৰাত ৰাজ্য চৰকাৰে বিত্তিয় নাটনি কাৰণেই এই হাতী কেইটাৰ আহাৰ পানীৰ কাৰণে অৰ্থ আৱন্টন কৰিব পৰা নাই বুলি উত্তৰ দিছে। কিন্তু এইটো আমাৰ কাৰণে বৰ লাজৰ কথা হৈছে বুলি ভাবো। আজি ৰাজ্যখনৰ বিত্তীয় নাটনিৰ কাৰণেই অভয়াৰণ্যখনৰ ৬ টা হাতীক আহাৰ পানী যোগান ধৰিব নোৱাৰা বিষয়টো এখন চৰকাৰৰ কাৰণে অতি দুৰ্ভাগ্যজনক ~~কথা। আৰু এই ক্ষেত্ৰত~~ এনে এটা উত্তৰ নিদিয়াই ভাল আছিল বুলি ভাবো। এই ক্ষেত্ৰত এটা কথা কব পাৰি হয়তো বন্য প্ৰাণী উপদেষ্টা পৰিষদে যিটো ৰিৰ্পট দিছে সেই ৰিৰ্পটৰ ওপৰতে ভিত্তি কৰি এই উত্তৰটো দিয়া হৈছে।

এই ৰাষ্ট্ৰীয় উদ্যানখনৰ বণ্য প্ৰাণীসমূহ ৰক্ষনাবেক্ষনৰ কাৰণে বিশেষকৈ চোৰাং চিকাৰীৰ হাতৰ পৰা এশিঙীয়া গড় নিধন কাৰ্য্য বন্ধ কৰাৰ বাবে ৰাজ্য চৰকাৰে সোনকালে ব্যৱস্থা গ্ৰহন কৰিব লাগে আৰু তাৰ বাবে পহৰাত অৱস্থাত থকা হোম গাৰ্ডসকলৰ দৰমহাকে ধৰি আৰু আধুনিক অস্ত্ৰ-শস্ত্ৰ যোগান ধৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহন কৰিব লাগে আৰু তাৰ বাবে এই বিধান সভাতে চাপ্লিমেন্টৰী বিলত টকা ধৰা হব নেকি সেই বিষয়ে মই বিভাগীয় মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো। ইয়াৰ লগতে মই আৰু এটা কথা উল্লেখ কৰিব

খুজিছো যে এই অভয়াৰণ্যখনত চোৰাং চিকাৰীৰ যি লুটপাত হৈ আছে সেইটো অতি সোনকালে বন্ধ কৰিব লাগে। মাঘ বিহুৰ সময়ত তাত মাছ মৰাৰ নামত দুদিনমানৰ কাৰণে যি অনুমতি দিয়া হয় সেই কেইদিনতো চোৰাং চিকাৰীয়ে ইয়াৰ সুবিধা লৈ যথেষ্ট ক্ষতি সাধন কৰে। গতিকে কাজিৰঙা অভয়াৰণ্যৰ বিলসমূহত মাছ মৰাটোও নিষিদ্ধ কৰিব লাগে আৰু যদি মাছ মাৰিবলগীয়াও হয় তেনেহলে বিভাগীয় ভাবে মৰাৰ ব্যৱস্থা কৰিব লাগে।

ইতিমধ্যে যদি আমাৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখন বহল কৰিবলৈ লৈছে তেন্তে আমাৰ ৰাজ্য চৰকাৰে যদি টুৰিষ্ট এট্ৰাকচন কৰিবলৈ আৰু অলপ আধুনিকীকৰণ কৰে তেন্তে বৈদেশিক মুদ্ৰা উপাৰ্জন কৰিব পাৰিব। আমাৰ যিবিলাকে ৰেচট্ৰিকেটেড এৰিয়া আছে সেইবিলাক বিদেশী মুদ্ৰা আৰ্জৱ সুবিধাৰ অৰ্থে টুৰিষ্ট এট্ৰাকচনৰ কাৰণে আকৰ্ষণীয় কৰিবলৈ চাব লাগে। যিহেতুকে ৰাষ্ট্ৰীয় উদ্যানখন চৰকাৰৰ হাতত সেয়ে টুৰিষ্ট সকল যাতে দুৰ-দুৰণিৰ পৰা আহে বা আহিব পাৰে তাৰ বাবে টুৰিজিম বিভাগৰ লগত যোগাযোগ কৰি ব্যৱস্থা কৰিব লাগে। বাঙ্গালোৰত যিদৰে ওৱাল লাইফ চাফাৰি আছে টুৰিষ্ট এট্ৰাকচনৰ চেন্টাৰ সেইদৰে আমাৰ ইয়াকো কৰিব পাৰে। কেইটামান অঞ্চলত যি কেইটা অঞ্চলত গড় সদায়ে বিচৰণ কৰে তেনে ঠাই বিলাকত কেৰল ব্যৱস্থা কৰিব পাৰে। কেৰলৰ জৰিয়তে টুৰিষ্টসকলৰ এটা ভাল মনোৰঞ্জন হ'ব। তামিলনাডু আদি ঠাইত ৰাষ্ট্ৰীয় উদ্যানত এৰাতি দুৰাতিৰ কাৰণে থকাৰ ব্যৱস্থা কৰি দিয়ে আৰু সাংস্কৃতিক কাৰ্য্যসূচী এক্সিকিউট কৰে। খাজৰাহুত তাৰ থলুৱা প্ৰগেম কৰি টুৰিষ্টক মনোৰঞ্জন কৰে আৰু এৰাতি তেওঁলোকে ২৫০ টকাকৈ লয়। আমাৰ ইমানকৈ নললেও নৰ্থইষ্টানৰ সাংস্কৃতিক প্ৰগেম কৰি ফৰেইন টুৰিষ্ট এট্ৰাচন কৰিলৈ ব্যৱস্থা কৰি টিকটৰ ব্যৱস্থা কৰিব পাৰে। ফৰেষ্ট ডিপাৰ্টমেন্টে এই বিষয়ে বিশেষ ব্যৱস্থা লব বুলি আশা কৰিছো। বৈদেশিক মুদ্ৰা অৰ্জনৰ ব্যৱস্থাৰ কৰি বা টুৰিষ্টসকলক আকৰ্ষণ কৰিলে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ যি আৰ্থিক সংকট কিছু পৰিমানে সমাধান হ'ব বুলি আশা ৰাখিলো।

**Mr. Deputy Speaker :** Hon'ble Minister Forest to reply.

★ **শ্ৰীনগেন শৰ্ম্মা** (বন মন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৪/৮/৯৭ তাৰিখে দৈনিক জনমভূমি বাতৰি কাকত প্ৰকাশিত ধন "নাই, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান সংকট" শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এইটো সত্য যে সম চৰকাৰৰ বিত্ত সংকট আছে। বিশেষকৈ বন বিভাগৰ ১৯৯২ চনৰ পৰা ১৯৯৭ চনলৈকে এক নয়া পাইচা বাৰ্ষিক বাজেটত বৃদ্ধি কৰি দিয়া নাই। ২৩ কোটি টকাতে সীমা বন্ধ ৰখা হৈছে। এটা অচল অৱস্থাত আছিল। এই চৰকাৰ আহাৰ

পাছত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মানস ৰাষ্ট্ৰীয় উদ্যান আৰু শুয়াইল লাইফ চেঞ্চুৰীৰ উন্নতিৰ কাৰণে চেৰ্চ্চাসেৱী অনুস্থান সহায় লৈছো। জনাবলৈ পাই সুখী হৈছো যে আৰ্ন্তজাতিক চেৰ্চ্চাসেৱী অনুস্থানসমুহে এই ৰাষ্ট্ৰীয় উদ্যানসমূহলৈ ১০ খন জীপ গাড়ী, এখন এম্বুলেন্স, ২ খন স্পীড বোট, খোৱাপানীৰ ব্যৱস্থা কৰি দিছে। ১২ বছৰৰ পাচত আমি কাজিৰঙা উদ্যানত ১১০ টা ৰাইফল দিবলৈ সক্ষম হৈছো। প্ৰশ্ন হৈছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কেইটামান বিষয় আছে। ৰাষ্ট্ৰই পোনপটীয়াকৈ চকু দি আহিছিল। তাৰে এটা হ'ল গড় সংৰক্ষণ আঁচনিত শতকৰা ১০০ ভাগ ধন কেন্দ্ৰীয় চৰকাৰে দিছিল। কিন্তু দূভাৰ্গ্যবশতঃ আমাৰ আগত যিটো চৰকাৰ আছি তেওঁলোকে ১৯৯৪ চনৰ পৰা তাক এৰি দিছিল। যাৰ ফলত প্ৰতিবছৰে এক কোটি টকা নিববীয়াকৈ ভৰিব লগা হৈছে। আনহাতে ৰাজ্যিক পৰিকল্পনাত এক পইচাও বচোৱা নাই। এই এক কোটি টকা বন বিভাগক দিব পৰা নাই। ২০,৩৮,৩৩৪ টকা এই বাৰৰ বাজেটত ধৰিবলৈ সক্ষম হৈছে। কাজিৰঙা অৰ্থ সংকট মাৰিবলৈ ইতিমধ্যে চেষ্টা চলাইছো। যোৱা বছৰ হাতীৰ খাদ্য সংকটৰ কথা চেৰ্চ্চাসেৱী অনুস্থানে ই, আই, এ অনুযায়ী ২ লাখ ৭৮ হাজাৰ টকা দিছিল। তদুপৰি ডব্লিউ, ডব্লিউ, টিৰ জৰিয়তে আমাৰ চৰকাৰ অহাৰ পাছত টুৰিষ্ট জৰিয়তে যি তিনিটা হাতী টি, বি ৰোগত ভুগি আছিল একলাখ দি চিকিৎসা কৰিছো। এই আচনিখনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেচা দিছো। এইখন বিশেষভাৱে বিবেচনা কৰিব বুলি আশা দিছে। হয়তো কেইদিন মানৰ ভিতৰতে সুফল পাম। আৰু কেন্দ্ৰীয় চৰকাৰে আচনিখন লব। এই আচনিখনৰ লগত জৰিত আনুসংগিক ব্যৱস্থা লবলৈ চেষ্টা চলাইছো। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত যিবিলাক ৰাস্তা-ঘাট আৰু দলং আছিল। সেইবিলাক ১৯৯৩ চনৰ পৰা বেয়া হৈ আছে। যোৱা বাৰৰ বানপানীত অত্যাধিক বেয়া হৈছে। ৰাষ্ট্ৰীয় বান সাহাৰ্য্য বিভাগৰ পৰা ৫০ লাখ টকা পাইছো। তাৰ বাবে ৰাজহ মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিছো। এই চৰকাৰে ৰাষ্ট্ৰীয় উদ্যানত কিছু কাম কৰিছো। যিমান দিব লাগে সিমানখিনি দিব পৰা নাই। ১৯৯৫-৯৬-৯৭ চনত গড় মৰাটো বন্ধ হৈছে। যোৱা ২ মাহত তাৰ সংখ্যা কমিছে। কৰ্ম্মী সকলোৰ এই ক্ষেত্ৰত যথেষ্ট কষ্ট স্বীকাৰ কৰিছে বীট পোষ্ট বিলাকৰ যথেষ্ট অনিষ্ট সাধন হৈছে যদিও আমাৰ কৰ্ম্মী সকলে দিনে ৰাতি কাম কৰি ৰক্ষা কৰাৰ চেষ্টা চলাই আছে। নন-প্লেনৰ এক কোটি টকাৰে জোৰা মাৰিবলৈ চেষ্টা চলাইছো। পৰিপূৰক বাজেটৰ কাৰণে দিছো আৰু বিত্ত বিভাগে বিবেচনা কৰিব বুলি আশা ৰাখিছো। কাজিৰঙাৰ পৰিষৰ বৃদ্ধি কৰিছো আৰু কাম চলি আছে। জনাবলৈ পাই সুখী হৈছো যে তিনি গুন ৰাজহ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা বৃদ্ধি

হৈছে। ১১ লাখ টকাৰ পৰা ২২ লাখ ৫৭ হাজাৰ টকালৈ বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। ৰাজহ বৃদ্ধিৰ বাবে ৰাষ্ট্ৰীয় উদ্যানৰ যথেষ্ট গুৰুত্ব আছে। আৰু কিছু সুবিধা পাব পাৰো নেকি তাৰ বাবে আৰ্ন্তজাতিক চেষ্টাসেৰী অনুস্থানসমূহৰ লগত যোগাযোগ কৰি আছো। এই চেৰ্চ্চাসেৰী অনুস্থানসমূহৰ লগত যোগাযোগ ককৰি আছো। এই চেচ্চাসেৰী অনুস্থানসমূহ আগবাঢ়িলে উন্নতি সাধন কৰিব পৰা যাব। (Mr. Speaker oceupied the chair)

মাননীয় অধ্যক্ষ মহোদয়, আমি এন, জি, ওৰ লগত যোগাযোগ কৰিছো। আমি আশা ৰাখিছো জোৰা মাৰিব পৰা যাব। আৰু বিত্ত বিভাগে এই ক্ষেত্ৰত মনোযোগ দিলে ভাল হ'ব। ৰাষ্ট্ৰীয় উদ্যানখন আধুনিকীকৰণ কৰিব পৰা হ'ব। আৰু গোটেই ভাৰতবৰ্ষৰ ভিতৰতে এই উদ্যান আটধুনীয়া হৈ পৰিব। মই আশা ৰাখিছো অহা নবেম্বৰৰ ভিতৰতে খুলিব পৰা যাব। আমি এতিয়া নতুন স্পষ্ট তৈয়াৰ কৰিছো। অত্যাধুনিক কৰাৰ কাৰণে ৰোপওৱেৰ ব্যৱস্থা কৰাৰ কথা ভৰা হৈছে। তাৰ কাৰণে কলিকতাৰ কোম্পানীৰ লগত যোগাযোগ কৰিছো। বৰ্ত্তমানৰ পৰিস্থিতিৰ কাৰণে তেওঁলোক আগবাঢ়িব খোজা নাই। পৰিস্থিতি নৰমেল হলে তেওঁলোক আগবাঢ়ি আহিব। গতিকে পৰিস্থিতি ভাল হলে আগবাঢ়ি আহিব আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান বেচি আকৰ্ষিত কৰিব পৰা হ'ব। ধন্যবাদ।

## Laying of Ordinanees, Reports etc.

**Mr. Speaker :** New item No. 6. Hon'ble Chief Minister to lay "The Assam General Sales Tax (Amendment) ordinates, 1997."

**Shri Prafullar Mahanta** (Chief Minister) : Sir, I beg to lay "The Assam General Sales Tax (Amendment) Ordinance, 1997."

**Mr. Spekare :** Now item No. 7. Hon'ble Minister Municipal Administration to lay "The Assam Municipal (Amendment) ordinance, 1997."

**Shri Biraj Kumar Sarma** (Minister, Municipal Administration) : Sir, I beg to lay (The Assam Minucipal (Amendment) ordinance, 1997.

**Mr. Speaker :** Now item No. 8. Hon'ble Minister, Industries to lay "The 20th Annual Report of Assam Small Industries

Development Corporation Ltd. for the year, 1981-82.

**Shri Gunin Hazarika** (Minister, Industries) : Sir, I beg to lay "The 20th Annual Report of Assam Scale Industries Development Corporation Ltd. for the year, 1981-82.

**Mr. Speaker** : Now item No. 9. Hon'ble Minister, Industries to lay "The Annual Report of Assam Small Industries Development Corporation Ltd. for the year, 1982-83.

**Shri Gunin Hazarika** (Minister, Industries) : Sir, I beg to lay "The 21st Annual Report of Assam Small Industries Development Corporation Ltd. for the year, 1982-83.

**Mr. Speaker** : Now item No. 10. Hon'ble Chairman, Committee on Public Accounts, Shri Holiram Terang, to present the 72nd Report of the Committee on Public Accounts, Assam Legislative Assembly.

**Shri Holiram Terang** (Chairman, Committee on Public Accounts) : Sir, I beg to present the 72nd Report of the Committee on Public Accounts, Assam Legislative Assembly.

**Mr. Speaker** : Now item No. 11. Hon'ble Chairperson, Committee on Petition, Smti Renupoma Rajkhowa, to present the Twenty-Fifth Report Committee on Petitions, Assam Legislative Assembly.

**Smti. Renupama Rajkhowa** (Chairperson, Committee on Petitions) : Sir, I beg to present the Twenty-Fifty Report, Committee of Petitions. Assam Legislative Assembly.

**Mr. Speaker** : Now item No. 12, Shri Prafulla Kumar Mahanta, Hon'ble Chief Minister to present the List of Supplementary Demands for Grants and Supplementary Appropriations for the year, 1997-98.

**Shri Prafulla Kumar Mahanta** (Chief Minister) : Sir, I beg to present the List of Supplementary Demands for Grants and Supplementary Appropriations for the year, 1997-98.

**Mr. Speaker** : Now item No. 13, Shri Prafulla Kumar Mahanta, Hon'ble Chief Minister to lay a Statement under Rule 69 (I) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly explaining the circumstances which had necessitated immediate Legislation by ordinance.

**Shri Prafulla Kumar Mahanta** (Chief Minister) : Sir, I beg to lay Statement under Rule 69 (I) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly explaining the circumstances which had necessitated immediate Legislation by Ordinance.

**Mr. Speaker** : Now item No. 14, Shri Prafulla Kumar Mahanta Hon'ble Chief Minister to beg leave to introduce "The Assam General Sales Tax (Second Amendment) Bill, 1977."

**Shri Prafulla Kumar Mahanta** (Chief Minister) : Sir, I beg to leave to introduce "The Assam General Sales Tax (Second Amendment) Bill, 1997."

**Mr. Speaker** : Now there is a message from the Governor of Assam.

Raj Bhawan,
Guwahati

"Under the Provision of Article 207 (1) of the Constitution of India, I Shri Loknath Misra, Governor of Assam, recommend the introduction of the Assam Legislative Assembly of the "The Assam General Sales Tax (Second Amendment) Bill, 1997.

sd/- Loknath Misra
Governor of Assam

Now Hon'ble Chief Minister to introduce the Bill.

(Title read out by the Secretary, Assam Legislative Assembly. 'The Assam General Sales Tax (Second Amendment) Bill, 1997.)

**Shri Prafulla Kumar Mahanta** (Chief Minister) : Sir, I beg to move that 'The Assam General Sales Tax (Second Amendment) Bill,

1997 be taken into consideration.

**Mr. Speaker :** Now item No. 15. Hon'ble Minister, Panchayat and Rural Development. Shri Sahidul Alam Choudhury, to leave to introduce 'The Assam Panchayat (Second Amendment) Bill, 1997.

**Shri Sahidul Alam Choudhury** (Minister, Panchayat & Rural Development) : Sir, I beg leave to introduce 'The Assam Panchayat (Second Amendment) Bill, 1997.

**Mr. Speaker :** Is it the pleasure of the House to grant leave to introduce 'The Assam Panchayat (Second Amendment) Bill, 1997?

(Leave is granted)

Now Hon'ble Minister, Panchayat & Rural Development to introduce the Bill.

**Shri Sahidul Alam Choudhury** (Minister, Panchayat & Rural Development) : Sir, I beg to introduce 'The Assam Panchayat (Second Amendment) Bill, 1997.

**Mr. Speaker :** Now item No. 16 Hon'ble Minister, Municipal Administration to lay a Statement under Rule 69 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly explaining the circumstances which had necessitated immediate Legislation by Ordinance.

**Shri Biraj Kumar Sarma** (Minister, Municipal Administration) : Sir, I beg to lay a Statement under Rule 69 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly explaining the circumstance which had necessitated immediate Legislation by Ordinance.

**Mr. Speaker :** Is it the pleasure of the House to grant leave to introduce a Statement under Rule 69 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly explaining the circumstances which had

necessitated immediate Legislation by ordinance? (Leave is granted)

Now Hon'ble Minister, Municipal Administration to introduce the Bill.

**Shri Biraj Kumar Sarma** (Minister, Municipal) : Sir, I beg to leave to introduce 'The Assam Municipal (Amendment) Bill, 1997.

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্যসকল আজি সদনৰ সৰ্ব্বদলীয় এটা সজাতি দল গুৱাহাটীৰ পৰা খৈৰাবৰালৈ প্ৰায় ১ বজাত যাত্ৰা কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এই সম্পৰ্কত বিৰোধী দলৰ দলপতিৰ লগত আলোচনা মৰ্ম্মে সকলো আয়োজন কৰা হৈছে। এই সজাতি দলটোৰ নেতৃত্ব মোৰ জৰিয়তে হ'ব। এই দলৰ সদস্যসকল হ'ল — সৰ্ব্বশ্ৰী দেৱানন্দ কোঁৱৰ, মহেন্দ্ৰ মোহন ৰায়চৌধুৰী, দেৱহাগ্ৰা মুছাহাৰী, হলিৰাম টেৰং, হেমেন্দ্ৰ ব্ৰহ্মা, পুলকেশ বৰুৱা, পদ্ম হাজৰিকা, হিতেন্দ্ৰ নাথ গোস্বামী, ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে, অতুল বৰা, মুস্তাফা ছহিদুল ইছলাম, গিৰীন্দ্ৰ মল্লীক আৰু দুই এগৰাকী আমাৰ লগত যাব। আৰু লগত থাকিব বিমালেংশু ৰয়, মুনিন মহন্ত আৰু হেমেন দাস।

মাননীয় উল্লেখিত সদস্যসকলক মই ১২-৪৫ বজাত বিধান সভাৰ সন্মুখত অহাৰ কাৰণে অনুৰোধ জনালো। গৃহ বিভাগৰ পৰা যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ ব্যৱস্থা কৰিবলৈ মই মাননীয় মুখ্যমন্ত্ৰীক নিৰ্দ্দেশ দিয়াৰ কাৰণে অনুৰোধ কৰিলো। লগতে গৃহ আয়ুক্তই মোক লগ ধৰাৰ নিৰ্দ্দেশ দিয়া হৈছে।

## Obituary Referenees

গভীৰ দুখ আৰু ব্যথিক হৃদয়েৰে তলত নাম উল্লেখ কৰা বিশিষ্ট ব্যক্তি সকলৰ বিয়োগত এই পৱিত্ৰ সদনত শোক প্ৰকাশ কৰিবলৈ ওলোৱা হৈছে।

মহৎ গান্ধীবাদী, স্বাধীনতা সংগ্ৰামী, খ্যাতনামা সমাজ কৰ্মী, পদ্মভূষণ বিভুষিত প্ৰাক্তন কেন্দ্ৰী মন্ত্ৰী শ্ৰীবিজয় চন্দ্ৰ ভাগৱতীৰ জন্ম ১৯০৭ চনৰ মাৰ্চ মাহত দৰং জিলাৰ চতিয়াৰ গ্ৰামাঞ্চলত হৈছিল। ১৯৪৬ আৰু ১৯৫২ চনত অসম বিধান সভালৈ দুবাৰো নিৰ্ব্বাচিত হোৱা এই গৰাকী প্ৰবীন ৰাজনীতিবিদে ১৯৫৭ চনত অসম বিধান সভালৈ নিৰ্ব্বাচিত হৈছিল আৰু কেন্দ্ৰীয় উপমন্ত্ৰী আৰু কেন্দ্ৰীয় ৰাজ্যিক পৰ্য্যায়ৰ মন্ত্ৰী হিচাবে দক্ষতাৰে কাৰ্য্য নিৰ্বাহ কৰিছিল। দেশৰ স্বাধীনতা অগ্ৰণী ৰণুৱা হৈ ১৯২১, ১৯৩১ আৰু ১৯৪২ চনত কাৰাবাসো খাটিছিল। ১৯৭২ চনত শ্ৰীভাগৱতী নিখিল ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ

সভাপতি নিৰ্ব্বাচিত হৈছিল। 'গান্ধীবাদ', 'ভাৰতীয় সংস্কৃতি ধাৰা', 'ভাৰত বুৰঞ্জী', 'দৰ্শনৰ বিচাৰ' আদি পুথি অসমীয়া সাহিত্যৰ ভঁৰাললৈ ভাগৱতীৰ অমূল্য অৱদান অনস্বীকাৰ্য্য। 'আসাম সেৱক' বাতৰি কাকতৰ সম্পাদনা কৰি ভাগৱতীয়ে সাংবাদিক জীৱনত বলিষ্ঠ নিদৰ্শন ৰাখি থৈ গৈছে। ৮ মে' ইং ১৯৯৭ চনৰ ১২.৪০ মিনিটত তেজপুৰৰ নিজ বাসভৱনত শ্ৰীভাগৱতীয়ে বাৰ্দ্ধক্যজনিত কাৰণত নশ্বৰ দেহ ত্যাগ কৰে। সুবক্তা, মিষ্টিভাষী, গান্ধীবাদী, মুক্তি যুজাৰু, দক্ষ প্ৰশাসক, পদ্ম ভূষণ উপাধিৰে বিভূষিত, প্ৰসিদ্ধ লেখক শ্ৰীভাগৱতীৰ মৃত্যুত দেশৰ ৰাজনীতিত বিশেষকৈ অসমৰ জাতীয় জীৱনত এক পুৰাব নোৱাৰা ক্ষতি হ'ল।

অসমীয়া সাহিত্যৰ ভোটাতৰা, সমালোচক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্য একাডেমীৰ প্ৰাক্তন সভাপতি, সাংবাদিক, জ্ঞানপীঠ বঁটা বিজয়ী ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই ১৯৪২ চনৰ ১৪ অক্টোবৰত যোৰহাটত জন্ম গ্ৰহণ কৰিছিল। কটন কলেজৰ পৰা ১৯৭৩ চনত বিজ্ঞানৰ স্নাতক হৈ ৰামধেনু, নতুন অসমীয়া, নৱ যুগ, অসমীয়া, আদি কাকতত তেওঁ সময়ে সময়ে সম্পাদনা কৰিছিল। শেহতীয়াভাবে তেওঁ কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ত ৰামমনোহৰ লোহীয়া আসনৰ অধ্যাপক হিচাপে কেইবছৰমান অধ্যাপনা কৰি অৱসৰ গ্ৰহণ কৰি সাহিত্য জগতত মনোনিবেশ কৰিছিল। ১৯৭০ চনত ৰচিত 'মৃত্যুঞ্জয়' উপন্যাসৰ বাবে ডঃ ভট্টাচাৰ্য্যক জ্ঞানপীঠ বঁটাৰে সন্মানিত কৰা হৈছিল। 'মৃত্যুঞ্জয়', 'ৰাজপথে ৰিঙিয়াই', 'ইয়াৰুইংগম', 'ৰঙামেঘ', 'মুনিচুনিৰ পোহৰ', 'কালৰ হুমুনিয়াহ', 'আই', 'পল্লৱী', 'কলং আজিও বয়' আদি ৰচিত উপন্যাসত অসমৰ ৰাজনৈতিক আৰু সামাজিক পটভূমিত তেওঁৰ সম্পন্ন বিশ্লেষণৰ প্ৰতীক। ডঃ ভট্টাচাৰ্য্যই ১৯৯৭ চনৰ ৬ আগষ্ট তাৰিখে নিশা ১১ বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত হৃদৰোগত চিকিৎসাধীন হৈ থকা অৱস্থাত দেহত্যাগ কৰে। লেখক, চিন্তাবিদ, প্ৰথিতযশা সাহিত্যিক, সমাজ সেৱক, ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ বিয়োগত ভাৰতৰ সাহিত্য, কলা আৰু সংস্কৃতি জগতত এক পুৰাব নোৱাৰা ক্ষতি হ'ল।

মাজুলীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীআউনীতি সত্ৰৰ সত্ৰাধিকাৰ বিষ্ণুদেৱ গোস্বামীয়ে নগাওঁৰ শ্ৰীশ্ৰীকুকুৰা বাহী সত্ৰত জন্ম গ্ৰহণ কৰিছিল। ন বছৰ বয়সতে শ্ৰীশ্ৰীআউনীআতি সত্ৰৰ ডেকা সত্ৰাধিকাৰৰ দায়িত্ব গ্ৰহণ কৰি ৩১ বছৰ ধৰি সত্ৰাধিকাৰৰ পদত অধিষ্ঠিত হৈ থকা অৱস্থাতে বিশ্ব হিন্দু পৰিষদৰ দিল্লীত বহা অধিবেশনৰ সভাপতি আসনো অলংকৃত কৰিছিল। সংস্কৃত সাহিত্যত বুৎপত্তি লাভ কৰা শ্ৰীগোস্বামীয়ে বহুতো মূল্যবান প্ৰবন্ধ, কাব্য, নাট আদি ৰচনা

কৰি অসমীয়া সাহিত্যলৈ এটা শকত অৱদান আগবঢ়াই গৈছে। সামাজিক দায়বদ্ধতাৰ প্ৰতি সচেতন, সদালাপী, সুবক্তা, তীক্ষ্ম মেধাযুক্ত, সৃজনী শক্তিৰ অধিকাৰী, চিৰকুমাৰ, শ্ৰীবিষ্ণুদেৱ গোস্বামীৰ যোৱা ২১ জুলাইত ১১.৪৫ মিনিটত ৮৩ বছৰ বয়সত যোৰহাটত বৈকুণ্ঠ গমন হয়। শ্ৰীগোস্বামীৰ মৃত্যুত অসমে এজন পণ্ডিত আৰু সমাজহিতৈষী সত্ৰাধিকাৰক হেৰুৱালে।

১৯৪২ চনৰ ৪ চেপ্তেম্বৰ জন্ম গ্ৰহণ কৰা অসমৰ প্ৰাক্ত মন্ত্ৰী, সম্পাদক তথা সাংবাদিক শ্ৰীঅনিল দাস ১৯৭৮ চনত মঙ্গলদৈ সমষ্টিৰ পৰা অসম বিধান সভালৈ সদস্য নিৰ্ব্বাচিত হৈ ৰাজ্যিক মন্ত্ৰী হিচাবে কাৰ্য্য নিৰ্বাহ কৰিছিল। ইয়াৰ পিছত শ্ৰীদাসে পুনৰ সাংবাদিক জগতলৈ উভতি গৈ অসমৰ কেবাখনো জনপ্ৰিয় বাতৰি কাকত আৰু আলোচনীত জনপ্ৰিয় লেখক হিচাবে খ্যাতি অৰ্জন কৰিছিল। ১৯৯৭ চনৰ ৭ জুনত ৰাতিপুৱা ৭-৪০ মিনিটত নগাওঁৰ অসামৰিক চিকিৎসালয়ত উচ্চ ৰক্তচাপজনিত ৰোগত চিকিৎসাধীন হৈ থকা অৱস্থাত তেওঁৰ পৰলোকপ্ৰাপ্তি হ'ল। শ্ৰীদাসৰ মৃত্যুত অসমে এজন উদীয়মান লেখক আৰু সমাজকৰ্মীক হেৰুৱালে।

স্বাধীনতা সংগ্ৰামী, প্ৰাক্তন বিধায়ক, সংযুক্ত সংখ্যালঘু মৰ্চাৰ বৰেণ্য নেতা শ্ৰীতাৰাপদ ভট্টাচাৰ্য্যই ১৯৬২ চনৰ সাৰধণ নিৰ্ব্বাচনত কাটিগোৰা সমষ্টিৰ পৰা নিদলীয় সদস্য ৰূপে অসম বিধান সভালৈ নিৰ্ব্বাচিত হৈছিল। শ্ৰীভট্টাচাৰ্য্য শিলচৰৰ পৌৰ সভালৈও কেইবাবাৰো সদস্য নিৰ্ব্বাচিত হৈছিল। বৰাক উপত্যকাত কমিউনিষ্ট পাৰ্টী সংগঠিত কৰাত শ্ৰীভট্টাচাৰ্য্যই অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। খ্যাতনামা সমাজকৰ্মী, ৰাজ্যিক নাগৰিক অধিকাৰ ৰক্ষা সমিতিৰ সংগঠক শ্ৰীভট্টাচাৰ্য্য ১৯৯৭ চনৰ ৯ জুলাইত শিলচৰত দেহাবসান ঘটে।

বিশিষ্ট শিক্ষাবিদ, সাহিত্য সংস্কৃতিক অনুষ্ঠানৰ কাণ্ডাৰী, অসম লোকসেৱা আয়োগৰ প্ৰাক্ত সদস্য শ্ৰীহৰেশ্বৰ গোস্বামী ১৯২৮ চনত কলিয়াবৰত জন্ম গ্ৰহণ কৰিছিল। শ্ৰীগোস্বামী ১৯৮০ চনত অসম সাহিত্য সভাৰ উপ-সভাপতি, ১৯৮৭ ৰ পৰা ১৯৯১ চনলৈ অসম লোক সেৱা আয়োগৰ সদস্য তথা নগাঁওৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰতিস্থাপক অধ্যক্ষ হোৱাৰ উপৰিও বহুতো ধৰ্মানুষ্ঠান আৰু শিক্ষানুষ্ঠানৰ লগত ওতঃপ্ৰোতঃ ভাৱে জড়িত আছিল। ১৯৯৭ চনৰ ২১ জুনত নেলীৰ ওচৰত এক বাছ দুৰ্ঘটনাত আঘাত প্ৰাপ্ত হৈ শ্ৰীগোস্বামীৰ ৬১ বছৰ বয়সত স্বৰ্গগামী হয়। শ্ৰীগোস্বামীৰ মৃত্যুত অসমে এজন প্ৰকৃত শিক্ষাবিদ আৰু সমাজকৰ্মীক হেৰুৱালে।

বিশিষ্ট সাহিত্যিক, 'খৰিকাজাইৰ কবি' মঙ্গলদৈ সাহিত্য সভাৰ

প্ৰাক্ত সভাপতি শ্ৰীভৱনন্দ ৰাজখোৱাই মঙ্গলদৈৰ ওচৰত জন্ম গ্ৰহণ কৰিছিল। মঙ্গলদৈ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা অধ্যক্ষ ৰূপে অৱসৰ গ্ৰহণ কৰি শ্ৰীৰাজখোৱাই সাহিত্য জগতত আত্মনিয়োগ কৰিছিল। তেখেতৰ সাহিত্য কৃৰ্ত্তীৰ কাৰণে অসম চৰকাৰে তেখেতক সাহিত্যক পেন্সনেৰে আপ্লায়িত কৰিছিল। ১৯৯৭ চনৰ ৮ এপ্ৰিলৰ দিনৰ ১০.৩০ মিনিটত তেখেতৰ ভেৰাঘাটৰ নিজ বাসভৱনত ৮০ বছৰ বয়সত দেহাৱসান ঘটে। তেখেতৰ মৃত্যুত অসমৰ সাহিত্য জগতত এক পূৰাব নোৱাৰা ক্ষতি হ'ল।

সমাজ সেৱা আৰু ৰাজহুৱা কামৰ বাবে চৰকাৰীৰ চাকৰি পৰা স্ব-ইচ্ছাই অৱসৰ গ্ৰহণ কৰি নিখিল ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছত শ্ৰীদীপাংক দত্তই একানপটীয়াকৈ মনোনিবেশ কৰি ৰাজ্যিক সভাপতি পদও অলংকৃত কৰিছিল আৰু সেই পদবীতে দেহেকেহে লাগি আছিল। এই প্ৰসিদ্ধ নেতা তথা সমাজ সেৱকজনৰ ১৯৯৭ চনৰ ২৭ মে'ত দিনৰ ১.৪৫ মিনিটত গুৱাহাটীৰ এখন নাৰ্চিং হোমত হৃদৰোগত আক্ৰান্ত হৈ শেষ নিশ্বাস ত্যাগ কৰে।

১৯২৪ চনত জন্ম গ্ৰহণ কৰা বিশিষ্ট সুৰকাৰ, সংগীত পৰিচালক, গীতিকাৰ শ্ৰীমুকুল বৰুৱাই আকাশবাণী গুৱাহাটী কেন্দ্ৰ মিউজিক কম্পোজাৰৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল। 'সৰাপাত' আৰু 'চাকনৈয়া' কথাছবিত সংঙ্গীত পৰিচালনা কৰি শ্ৰীবৰুৱাই ভূয়সী প্ৰসংশা অৰ্জন কৰিছিল। এইজনা বিশিষ্ট সুৰকাৰ আৰু সঙ্গীত পৰিচালকৰ ১৯৯৭ চনৰ ১৪ জুলাইত দিনৰ ১.৪০ বজাত হৃদৰোগত আক্ৰান্ত হৈ গুৱাহাটীৰ পুব সৰুনীয়াৰ নিজা বাসভৱনত পৰলোক প্ৰাপ্তি ঘটে। বৰুৱা মৃত্যুত অসমৰ সংগীত জগতত এক অপূৰণীয় ক্ষতি হ'ল।

১৯১৬ চনৰ জুলাইত বিশ্বনাথ চাৰিআলি লেহু গাঁৱত বিশিষ্ট মুক্তি যুজাৰু প্ৰবীন অভিনেতা, সমাজকৰ্মী শ্ৰীবিপিন হাজৰিকাই জন্ম গ্ৰহণ কৰিছিল। ১৯৪২ চনৰ স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰাৰ অপৰাধত চৰকাৰে তেওঁক সশ্ৰম কাৰাদণ্ড বিহিছিল। তেওঁ কৰা নাটকৰ জটিল চৰিত্ৰত বলিষ্ঠ আৰু মনপৰষা অভিনয়ে দৰ্শকক আপ্লুত কৰিছিল। তাৰোপৰি তেওঁ চাহ কৰ্মচাৰী সংঘৰ সংগঠকৰ গুৰু দায়িত্ব পালন কৰিছিল। নিষ্ঠাবান, প্ৰচাৰ বিমুখ, সমাজকৰ্মী হাজৰিকাই ১৯৯৭ চনৰ ১৯ জুলাই নিশা পাভৈ চাহ বাগিছাত পুত্ৰ বাসভৱনত স্বৰ্গগামী হয়।

১৯৪২ চনত জন্ম গ্ৰহণ কৰা শ্ৰীসত্যৰঞ্জন কলিতাই বিজ্ঞানৰ স্নাতক হৈয়ো সাংবাদিকতাক জীৱনৰ পেচা হিচাবে চলাই ৰাখিছিল আৰু

জনপ্রিয় ৰহস্য উপন্যাসিক হিচাবে খ্যাতি অৰ্জন কৰিছিল। ৩৬ খনৰো অধিক গ্ৰন্থ লিখি তেওঁ অসমীয়া সাহিত্য ভঁৰাললৈ অমূল্য অৱদান আগবঢ়াই গৈছে। ১৯৯৭ চনৰ ২৬ জুলাইত নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত শ্ৰীকলিতাই শেষ নিশ্বাস ত্যাগ কৰে। কলিতাৰ মৃত্যুত অসমে এজন উদীমান সাহিত্যিকক অকালতে হেৰুৱালে। কলিতাৰ অকাল মৃত্যুত অসমীয়া সাহিত্য তথা অসমবাসীৰ বাবে অপূৰণীয় ক্ষতি হ'ল।

প্ৰসিদ্ধ স্বাধীনতা সংগ্ৰামী, অসমত কমিউনিষ্ট আন্দোলনৰ অগ্ৰণী শ্ৰীজগন্নাথ ভট্টাচাৰ্য্যৰ ১৯১০ চনত জন্ম গ্ৰহণ কৰিছিল। ছাত্ৰাৱস্থাতে তেওঁ মাৰ্ক্সবাদী চিন্তাৰ প্ৰতি আকৰ্ষিত হৈছিল। তেওঁ কলিকতাৰ পৰা প্ৰকাশিত 'ছোভিয়েট দেশ' আলোচনীৰ অসমীয়া সংস্কৰণৰ সম্পাদনা কৰিছিল। এই সংগ্ৰামী আৰু কমিউনিষ্ট নেতা গৰাকীৰ ১৯৯৭ চনৰ ৯ মে'ত ৮৭ বছৰ বয়সত পৰলোকপ্ৰাপ্তি ঘটে।

অবিভক্ত কাছাৰ জিলাত জন্ম গ্ৰহণ কৰা শ্ৰীদ্বাৰকা নাথ দাস অৰ্থনীতি বিজ্ঞানৰ স্নাতকোত্তৰ হৈ কৰিমগঞ্জ জিলাৰ বাৰগোলা ডেলি পাব্লিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ আছিল। শেষত ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰি ১৯৯১ আৰু ১৯৯৬ চনত লোকসভালৈ দুবাৰো নিৰ্ব্বাচিত হৈছিল।

সমাজৰ দুৰ্ব্বল শ্ৰেণীৰ অৰ্থনৈতিক আৰু সামাজিক উন্নতিৰ দিশত দেহেকেহে লাগি থকা এই সাংসদজনে যোৱা কালি অকাল মৃত্যুক আকোৱালি লয়। তেখেতৰ মৃত্যুত দেশে এজন সমাজকৰ্মীক হেৰুৱালে।

এতিয়া মাননীয় সদস্যসকলক নিজৰ নিজৰ আসনত থিয় হৈ এক মিনিট সময় মৌনতা অৱলম্বন কৰি বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

অহা কালিলৈ ২০/৮/৯৭ ইং তাৰিখৰ পুৱা ৯.০০ বজালৈ বিধান সভা স্থগিত ৰখা হ'ল।

## ADJOURNMENT

The House stood adjourned at 12.15 P.M. till 9 A.M. tomorrow, the 20th August, 1997.

**_D. Talukdar._**
Secretary,
Assam Legislation Assembly.

Dispur,
The 19th August, 1997,

## LIST OF CENTRALLY SPONSORED AND CENTRAL SECTOR SCHEMES

**Agriculture Department :**

1. National Watershed Development Programme for Rainfed Agriculture.
2. National Rural Development Programme.
3. Popularisation of Improved Implements.
4. National Pulses Development Programme.
5. Special Jute Development Programme.
6. National Project on Development of Fertiliser use in low consumption areas.
7. Balanced & Integrated use on Fertilisers.
8. Integrated Development of Tropical and Arid Zone.
9. Integrated Programme for Development of Spices.
10. Oilseeds Production Programme.
11. Integrated Programme for Rice Development.
12. Intensive Jute Development Programme.
13. Production of Fruits and Vegetables.
14. Development of Arecanut.
15. Minikit Programme of Rice Cultivation including propagation of new technology.
16. Commercial Floriculture.
17. Mushroom Cultivation.
18. Development of Betlevine.
19. Intrograted Seed Development Programme.
20. Establishment of Bio-fertilizer Production.
21. Promotion of Agricultural Mechanisation among Small Farmers.
22. Production & Supply of Vegetable Seeds.

23. Root and Tuber Crops.
24. Conduction / Field Surveys for estimation of Marketable Surplus and Post Harvest losses of foodgrains.
25. National Programme for varietal Development.
26. Strengthening and Setting up of State Pesticide Testing Laboratory.

**Planning and Development :**

27. Agricultural Census.
28. Improvement of Crop Statisties.
29. Timely Reporting of Estimates of Area and Production of Principal Crops.
30. Strengthening of the State Planning Machinery at the State Level.
31. Strengthening of the State Planing Machinery at the District Level.

**Soil Conservation :**

32. Soil Conservation in the Catchment of River Valley Project.
33. Strengthening of State Land Use Boards.

**Fisheries :**

34. Intensive Development of Inland Fish Farming.
35. Fish Farming Development Agencies under Freshwater Agriculture.
36. National Welfare Fund for Fishermen.
37. Development of Inland Fisheries Statisties.
38. Group Insurance Scheme for Active Fishermen.

**Veterinary :**

39. Integrated Sample Surveys on Estimation of Production of major livestock Products.
40. Systematic control of livestock diseases of National

Importance.

41. Foot and Mouth Disease Control Programme.
42. Co-ordinated cattle breeding Project.
43. Establishment of Carcass and by Products Utilisation Plant.
44. Modernisation / Improvement of slaughter Houses.
45. National Project on Rinderpest Eradication.
46. Integrated Piggery Development.
47. Extension of Frozen Semen Technology.
48. Small Field Progeny Testing Programme for Production of Proven Bulls.
49. Production of Cell Culture Viral Vaccine and Diagnostic Reagents.
50. Strengthening of State Fodder Seed Production Farm.
51. National Ram/Buck Production Programme and Programme for Rabbit Development.
52. Integrated Dairy Development Project.

**Panchayat & Rural Development (C) :**

53. Jawahar Rozgar Yojana.
54. Integrated Rural Development Programme.
55. Training of Rural Youth for Self Employment (TRYSEM)
56. Employment Assurance Scheme.
57. Strengthening of Block Level Administration.
58. National Project on Biogas Development.
59. Development of Women and Children in Rural Areas.
60. Millions Wells Schemes.
61. Indira Awas Yojana.
62. Training Programme for Panchayatiraj Functionaries.
63. MP'S Local Areas Development Programme.

**Panchayat & Rural Development (B) :**

64. National Programme on Improved Chulha.
65. Integrated Rural Entry Programme.
66. Setting up of Monitoring Cells under I.R.D.P.

**P.H.E. :**

67. Rural Sanitation Programme.
68. Rajiv Gandhi National Drinking Water Mission under Accelerated Rural Water Supply Programme.

**Co-operation Deptt. :**

69. Agricultural Credit Stabilisation Fund of Co-operation Bank.

**Judicial :**

70. Development of Infrastructural Facilities for Judiciary.

**Revenue :**

71. Strengthening of Revenue Administration and Updating of Land Records.
72. Compreterisation of Land Records.

**M.A.D. :**

73. Accelerated Urban Water Supply Programme.
74. Liberalisation Rehabilitation of Scavengers.
75. Urban Basic Service Scheme.
76. Prime Minister's Integrated Urban Poverty Eradication Programme.

**T. & C. P. :**

77. Integrated Development of Small and Medium Town.
78. Neheru Rojger Yojana.

**Labour & Employment :**

79. Vocational Training Project with the World Bank Assistance.
80. Establishment of New I.T.I.S. for women.

81. Upgradation of State Govt. I.T.I.

**Home Deptt. :**

82. Modernisation of Prison Administration.

**Social Welfare Deptt. :**

83. Integrated Child Development Programme.
84. Prevention and Control of Juvenile Social Maladjustment.
85. Indira Mahila Yojana.
86. I.C.D.S. (Training Programme)
87. Scholarship to Physically Handicapped.
88. National old age pension Scheme.
89. National Maternity Benefit Scheme.
90. National Family Benefit Scheme.

**W.P.T. & B.C. :**

91. Grants-in-aid to Assam Institute of Research for Tribals and Scheduled Castes under Research and Training.
92. Book Banks for SC/ST Students.
93. Girls' Hostel for SC.
94. Girls' Hostel for ST.
95. Coaching and Allied Scheme of Pre-Examination Training for SC and ST.
96. Share Capital Contribution to Assam State Scheduled Caste Corpn.
97. Post Matric Scholarship for S.C. and S.T. Students.
98. Award of Fellowship in various aspects of Tribal Development.
99. Implementation of Protection of Civil Rights Act. 1995 and the Scheduled Tribes Act. 1989.
100. Vocational Training Centres for ST.

101. Upgradation of Spl. Employment Exchanges for the Physically Handicapped.

102. Boy's Hostels SC.

103. Boy's Hostel for ST.

**Power Deptt. :**

104. Inter-State Transmission Line Schemes.

**P.W.D. :**

105. Roads of Interstate and Economic Importance.

**Food & Civil Supplies :**

106. Stengthening the Public Distribution System through Mobile Fair Price Shop.

107. Construction of Godown for P.D.S.

108. Strengthening the Infrastructure of the Consumer Courts set up under the Consumet Protection Actt. 1986.

**Forest :**

109. Integrated Afforestation & Eco-Development Project in Kopily River Watershed.

110. Soil, Water and Tree-Conservation in the Himalayas (Operation Soil-watch)

111. Integrated Wasteland Development Projects.

112. Project Elephant.

113. Development of National Sanctuary (Probitora)

114. Development of National Parks (Nameri)

115. Development of National Parks (Barnade)

116. Project Tiger.

117. Rural Fuelwood Plantation & Afforestation of Ecosensitive Non-Himalayan Areas.

118. Area Oriented Fuelwood and Fooder Projects.

119. Development of National Parks (Kaziranga).
120. Raising Plantations of Minor Forest Produce including Medicinal Plants.
121. Manas Biosphare Reserve.
122. National Forestry Action Plan.
123. Conservation and Development of Non-Timber Forest Produce including Medicinal Plants.
124. Eco. Development Scheme around National Parks Manas Tiger Reserve.
125. Seed Development Programme for Afforestation.

**Industries Deptt. :**

126. Collection of Statistics of Small Scale Industries.
127. Census of Small Scale Industries.
128. Export Promotion Industrial Park at Amingaon.
129. P.M.R.Y. Scheme.
130. Transport Subsidy.
131. Setting up of Growth Centre at Cariduar for Development of Infrastructure.

**Handloom Textile & Sericulture :**

132. Margin Money for Destitute Handloom Weavers.
133. Integrated Handloom Development Scheme.
134. Setting up of Handloom Development Centres.
135. Subsidy on Janata Cloth.
136. Project Package Schemes for Handloom Weacers.
137. Health Package Scheme for Handloom Weavers.
139. Workshed-cum-Housing Scheme for Handloom Weavers.
140. Joint Census of Handloom and Powerloom.
141. Spl. rebate on sale of Handloom Cloth.

142. Market Dev. Assistance for Handloom Cloth.

143. Extension of Co-operative Coverage in Handloom Sector.

**Irrigation Deptt. :**

144. Rationalisation of Minor Irrigation Statistics.

145. Conducting of Census of Minor Irrigation Schemes.

146. Command Aear Development Programme.

147. Central Loan Assistance for Accelerated Irrigation benefit Programme.

**Flood Control :**

148. Brahmaputra Flood Control.

149. Spl. Loan Assistance for emergent flood protection works.

**Cultural Affairs :**

150. Srimanta Sankardeva Kalakshetra, Guwahati.

151. Development of Jyoti Chitraban Film Studio.

152. Financial Assistance to person distinguished in Arts.

**Health & Family Welfare :**

153. Family Welfare Programme.

154. National Aids Central Programme.

155. National Malaria Erodication Programme.

156. National Fileria Control Programme.

157. National Leprosy Erodication Programme.

158. National T.B. Control Programme.

159. National Programme for Control of Blindness.

160. National Iodine Deficiency Disorders Control Programme.

161. Drug De-addiction Programme.

162. Pulse Polio Immunisation.

163. Strengthening of Food Laboratories.

164. Laboratory Facilities at PHCs and Rural Dispensaries.

165. Development of ontology Wings under National Cancer Control Programme.

**Education Deptt. :**

166. Non-Formal Education Programme.
167. Strengthening of Administrative structure for the implementation of Adult Education.
168. National Literacy Mission.
169. Restructuring and Reorganisation of Teacher Education (DIET).
170. Post Literacy and Continuing Education through Jana Shikshan Nilayam.
171. Computer Literacy and Studies in School.
172. Vocationalisation of Secondary Education.
173. Appointment of Hindi Teachers in Non-Hindi Speaking States.
174. Environment Education School.
175. Revised Rural Functional Literacy Programme.
176. Improvement of Science Education in Schools.
177. Appointment of Women Teachers in Primary Schools in Educationally Backward States.
178. Development of Sanskrit Education.
179. Environmental Orientation to School Education.
180. Modernisation of Madrassa Education.
181. New Educational Technology Scheme.
182. Operation Blackboard.
183. Opening / Strengthening of Hindi Teachers Training College in Non-Hindi Speaking States.

**Sports & Youth Welfare :**

184. National Service Scheme (Spl. Camping)

185. National Service Scheme (Regular Camping)

186. Creation of Sports Infrastructure-Construction of Stadium.

187. Promotion of Adventure.

## ANNEXURE - II

## NAMES OF IAS / ACS OFFICERS AND THE POSTS (CHARGES) THEY HELD IN THE KOKRAJHAR DISTRICT (KOKRAJHAR SUB-DIVISION AND GOSSAIGAON SUB-DIVISION) ARE SHOWN BELOW.

### KOKRAJHAR SUB-DIVISION

**Names of IAS Officers and their charges**

-NIL-

| Names of ACS Officers | Posts (Charge) held |
|---|---|
| 1. Shri S. Thadou, ACS | - Deputy Commissioner |
| 2. Shri Sohrab Ali, ACS | - Addl. Deputy Commissioner |
| 3. Shri M.C. Brahma, ACS | - Addl. Deputy Commissioner |
| 4. Smti. Rohila Brahma, ACS | - Addl. Deputy Commissioner |
| 5. Shri P.S. Bhattacharjee, ACS | - Project Director, I.T.D.P. |
| 6. Shri Azad Ali Seikh, ACS | - Sub-Divisional Officer (Sadar) |
| 7. Smti. M.M. Chodhury, ACS | - Sub-Divisional Welfare Officer |
| 8. Shri Abir Hazarika, ACS | - Election Officer |
| 9. Shri Ananta Kumar Barua, ACS | - Extra Asstt. Commissioner (Under order of Transfer) |
| 10. Shri Jadav Pegu, ACS | - Extra Asstt. Commissioner |
| 11. Shri Ranjit Kr. Laskar, ACS | - Extra Asstt. Commissioner |
| 12. Shri Bikram Dev Sarma, ACS | - Extra Asstt. Commissioner |
| 13. Shri Kshitish Ch. Pegu, ACS | - Extra Asstt. Commissioner |
| 14. Shri M.K. Brahma, ACS | - Asstt. Settlement Officer, |

(Kokrajhar)

15. Shri P.K. Wary, ACS - Circle Office (Attached) Kokrajhar (under order of transfer).

16. Shri Chandradhar Boro, ACS - Circle Officer (Attached), Sidli.

17. -Nill- (Smti. R. Brahma, - Project Director, D.R.D.A. (ACS, ADC, I/C PD. DRDA)

**GOSSAIGAON SUB-DIVISION**

**Names of IAS Officers and Post held**

1. Shri Ravi Kota, IAS - Sub-Divisional Officer (Civil), Gossaigaon (Under order of transfer as Addl. Deputy Commissioner, Sibsagar)

**Names of ACS Officers and Post held**

| Names of ACS Officers | Posts (charge) held |
|---|---|
| 1. Shri Hemanta Kr. Saloi, ACS | - Extra Asstt. Commissioner |
| 2. Shri N.C. Basumatary, ACS | - Extra Asstt. Commissioner |
| 3. Shri Ohed Uz. Zaman, ACS | - Extra Asstt. Commissioner |
| 4. Shri Abhijit Sinha, ACS | - Extra Asstt. Commissioner |
| 5. Shri P.K. Doley, ACS | - Election Officer |
| 6. Shri Maheswar Basumatary, ACS | - Circle Officer / Asstt. Settlement Officer, Gossaigaon. |

*******